# কাণ্ডাৰ বা কটাল বৰুৱা
# বংশৰ
# সংক্ষিপ্ত বিৱৰণি।

## প্ৰথম পৰিচ্ছেদ।

ভাৰতবৰ্ষৰ উত্তৰপূৱ কোণত অৱস্থিত আমাৰ এই অসম প্ৰদেশখন মহাকাব্য যুগৰো আগৰেপৰা বীৰ-প্ৰসৱিনী স্বৰূপে জনাজাত। ইয়াতেই মহাপ্ৰতাপী নৰকাসুৰ, ভগদত্ত, বান, ঘটোৎকচ, বভ্ৰুবাহন, ৰুক্ম আদি মহাৰথীগণে জন্ম লাভ কৰিছিল। এই সুজলা সুফলা অসম ৰাজ্যৰ ইতিহাস বীৰ-বীৰাঙ্গণাৰ কাহিনীৰে ভৰপূৰ। আহোম যুগত মুছলমান-সকলে সমগ্ৰ ভাৰতকে শাসনাধীন কৰাৰ প্ৰয়াসত অপাৰ সৈন্য-সামন্ত লৈ পুনঃ পুনঃ আক্ৰমণ চলায়ো ইয়াত ৰাজ্য স্থাপন কৰাত কৃতকাৰ্য্য হব নোৱাৰিলে। সেই যুগৰ বুৰঞ্জী-প্ৰখ্যাত বীৰ চিলাৰায়, মূলাগাভৰু, মনথিৰ, লাচিত, পূৰ্ণানন্দই বহিৰাক্ৰমণকাৰীগণক কম্পমান ত্ৰস্তমান কৰি পঠাইছিল। শ্ৰীমন্ত শঙ্কৰ, মাধৱ, দামোদৰ, হৰিদেৱ, ভট্টদেৱ, বংশীগোপাল প্ৰভৃতি ধৰ্ম্মগুৰুসকলে সনাতন বৈষ্ণৱধৰ্ম্মৰ জয়ডঙ্কাৰে হিন্দুধৰ্ম্মৰ গৌৰৱ প্ৰচাৰি অক্ষয় কীৰ্ত্তিৰ দৌল বান্ধি থৈ গৈছে।

ইতিপূৰ্ব্বেহে নালাগে বৰ্ত্তমান কালতো বঙ্গ আৰু বিহাৰৰ গাঁৱলীয়া লোক-সমাজৰ এনে এটি বিশ্বাস বদ্ধমূল হৈ আছে যে কামৰূপলৈ কোনো লোক আহিলে এই দেশৰ মানুহে মন্ত্ৰ বলেৰে ভেৰা কৰি ৰাখে। ইয়াৰ তাৎপৰ্য্য বোধহয় এয়ে যে আমাৰ অসম এখন অনুপম দেশ; ইয়াৰ নিবাসী লোকসমূহ অতীৱ সৰল আৰু কোনো আশ্ৰয় প্ৰাৰ্থীক কেতিয়াও বিমুখ নকৰে; ইয়াৰ বিভিন্ন স্থানত অৱস্থিত পৰ্ব্বত, পাহাৰ, নদ-নদী, বন-উপবন,

গুহা-গহ্বৰ আদিৰ প্ৰাকৃতিক দৃশ্যাৱলী অতি মনোৰম আৰু জল-বায়ু অতিশয় স্নিগ্ধকৰ; ইয়াৰ মাটি অত্যন্ত উৰ্ব্বৰা আৰু প্ৰায় সকলো খেতিৰ উপযোগী; প্ৰকৃতি দেৱীৰ অৱদানত বনজাত নানা শ্ৰেণীৰ শাক-পাচলি আৰু ফলমূল আদি সম্পদৰাজিৰ অক্ষয় ভঁড়াল স্বৰূপ; ঋষি-মুনিসকলৰ কাম্য এই শস্য শ্যামলা দেশখন, বিশেষকৈ কামৰূপ জিলাখন দেৱ-দেৱীৰ স্থানেৰে পৰিপূৰ্ণ; ইত্যাদি কাৰণতে কোনো লোক এই দেশলৈ আহিলে, ইয়াৰ পাৰিপাৰ্শ্বিক অৱস্থাত মুগ্ধ হৈ উলটি যাবলৈ ইচ্ছা নকৰে। এনেবোৰ কাৰণতে সুদূৰ অযোধ্যা আদি প্ৰদেশৰপৰা পুৰণি কালত কোনো কোনো ফৈদৰ লোক সময়ে সময়ে আহি ইয়াত স্থায়ীভাৱে বাসস্থান লৈছিল হি।

আহোম যুগত এইদৰে কিছুমান সম্ভ্ৰান্ত আৰু প্ৰসিদ্ধ বংশৰ আদি পুৰুষসকল কোন সময়ত কেনেকৈ আহি কি কাৰ্য্যত নিয়োজিত হৈ ইয়াত বসতিস্থান লাভ কৰিছিল কৰিছিলহি তাৰ আভাস আৰু কোনো কোনো ক্ষেত্ৰত চমু বৃত্তান্ত অথবা বিশদ বিৱৰণো সাঁচিপতীয়া পুৰণি পুথি, পেৰাকাকত আৰু নানাজন প্ৰণিত অসম বুৰঞ্জীবোৰৰ পাত লুটিয়ালে পোৱা যায়। এনেবোৰ বংশৰ সুখ্যাতি-সম্পন্ন পূৰ্ব্বপুৰুষসকলৰ শক্তি-সামৰ্থ্য আৰু কাৰ্য্যকলাপৰ বিৱৰণ পঢ়ি পৰবৰ্ত্তী বংশধৰগণে কেৱল যে গৌৰৱেই অনুভৱ কৰে এনে নহয়, বংশৰ সুনাম উজ্জ্বল কৰি ৰাখিবলৈ তেওঁলোকৰ এটা স্বতঃ প্ৰবৃত্তিও জন্মে আৰু নিজ নিজ কৰ্ম্মক্ষেত্ৰত সাহসেৰে আগবাঢ়ি যাবলৈ উদ্দিপনাও পায়। দ্বিতীয়তে অন্যান্য ফৈদৰ লোকসকলেও বংশ গৌৰৱ বৃদ্ধি কৰা পথত এই আদৰ্শবোৰৰপৰা অনুপ্ৰাণিত হয়। এনেবোৰ কাৰণতে কীৰ্ত্তিমন্ত লোকসকলৰ বংশাৱলী আৰু ইতিবৃত্তবোৰ বিস্মৃতিৰ গৰ্ভত লুপ্ত হবলৈ নিদি লোক-সমাজত সুকীয়া সুকীয়াকৈ প্ৰকাশ হোৱাটো নিতান্ত বাঞ্ছনীয়।

পিঙ্গল গোত্ৰীয় কাণ্ডাৰ বা কটাল বৰুৱাৰ ঘৰো অসমৰ এটি উচ্চ খাপত স্থান লাভ কৰি অহা বুৰঞ্জী প্ৰখ্যাত কায়স্থ বংশ। কনৌজৰপৰা প্ৰথমে অহা এই বংশৰ আদি পুৰুষজনৰ নাম আছিল জন্মিজয়। তেওঁ নবাব উপাধিৰে ভূষিত হৈ আহিছিল সৈন্য বিভাগত এজন বিশিষ্ট ভাৰ প্ৰাপ্ত কৰ্ম্মচাৰী স্বৰূপে চুখাম্ফা খোৰাৰজাৰ ৰাজত্ব কালত অসম আক্ৰমণকাৰী এটা ফৌজৰ লগত। এই বংশটোৰ আদি বৃতান্ত সম্বন্ধে পোৱা যায়ঃ—

"অসমৰ খোৰা ৰজাৰে বঙ্গালৰে ভৈৰবীত যুদ্ধ হোৱাত সেই ফৌজৰ লগত অহা কনৌজৰপৰা জন্মিজয় নবাব কুল কায়স্থ গোত্ৰ পিঙ্গল। বঙ্গালে যুদ্ধত জয় হৈ অনেক প্ৰাণী মাৰিলে। অসমৰ ফালৰ অনেক লোক ধৰি নিলে। পাছে সেই লোকক নবাবে ফিকিৰ কৰি পলুৱাই অসমৰ ফাল কৰিলে।

ৰজায় বিশ্বাস পাই নবাবলৈ পত্ৰ সন্দেশ পঠাই ৰজাৰ ফাল কৰিলে। নবাবেও বঙ্গালৰ লগ এৰি অসমৰ ফালে থাকিল। ৰজাই নবাবক উত্তৰে ভোগবাৰীতে বাৰি মাটি দি তিৰুতা বিয়া কৰাই দিলে। নবাবো কনৌজে নগৈ অসমতে থাকিল। তেওঁৰ লগত ছোট ভাতৃ বিজয়া নামে ৰান্ধনী আছিল। তেওঁকো তিৰুতা বিবাহ কৰাই দি ৰাখিলে। নবাৰৰ ঔৰষে এটা পুত্ৰ হয়! তেওঁৰ জগন্নাথ নাম থলে। তেওঁক দুই ভাৰ্য্যা বিবাহ কৰাই দিলে। দুই ভাৰ্য্যাত দুই পুত্ৰ হল। বৰজনীৰ পুত্ৰ সঞ্জয় সৰুজনীৰ পুত্ৰ ধনঞ্জয় নাম থলে। নবাবৰ ভোগবাৰীতে মৃত্যু হল। পাছে অসমে বঙ্গালক খেদি ৰটা নদীতে সীমা কৰিলে। তাতে জগন্নাথক বৰুৱা পাতি থলে। সঞ্জয়ক বৰঘৰীয়া, ধনঞ্জয়ক সৰুঘৰীয়া বোলে। জয়ধ্বজ ও চক্ৰধ্বজ ৰজাৰ দিনত সৰুজনা ফুকনে বঙ্গালক যুদ্ধত পৰাস্ত কৰি মানাহ নদীতে সীমা কৰিলে। পুনচ ফুকনে ৰজালৈ জনাই বৰুৱাক বটা দি লগত তিনি কুৰি মানুহ, হিলৈ, বৰ্ষা, ধনু কাঁৰ ও দা আহিলা দি সীমাতে থলে। পাছে মোমাই তামুলীয়ে অসম দেশ পতাত বৰুৱাকো খেল দিলে। বিজয়া ডেকাক সৰুফলীয়া উজনীলৈ নিলে বড়বৰুৱাৰ লগত খাটনি দিলে। সঞ্জয়কো গৌহাটীতে বড়ফুকনৰ লগত খাটনি দিলে।

* * *

বড়ফালৰ হৰিনাৰায়ণ সৰুফালৰ মোহন এই দুইজনৰ দিনত ঔষচ এক পক্ষ আছিল। পাছে দুই ফালৰ পৰিয়াল সৰহ হলত ভেৰণীয়া বৰুৱাৰ দিনত অজলা বৰুৱাই গুৱাল বৰুৱাৰ জীয়েকক অনাত ঔষচ গুছালে। আমগুৰীয়া আমাৰ বংশৰ নহয়। কেৱল সগোত্ৰী। পূৰ্ব্বে তামুলী ৰান্ধনী আছিল। দক্ষিণপাটৰ ৺বিষ্ণুদেৱ গোস্বামীৰ দিনত এই ফালৰ ডাঙ্গৰীয়াসকল গোটখাই বিচাৰ কৰাত সমন্ধ নাপালে। আৰু আগৰ ঘৰ ধেকোধৰপৰা আমাৰ লগত কোনো সম্বন্ধ নাই। দুই ফালৰ সম্পূৰ্ণৰূপ পুৰুষৰ নাম লিখা এখন বংশাৱলী আছিল। কিন্তু এজনে কছাৰিপাৰলৈ নি হেৰুৱালে।”

স্বৰ্গদেৱ চুহুম্মুং বা স্বৰ্গনাৰায়ণে ইং ১৪৯৭ চনৰপৰা ১৫৩৯ চনলৈ ৰাজত্ব কৰিছিল। আহোম ৰজাসকলৰ ভিতৰত এইজন এজন অতি প্ৰখ্যাত ৰজা আছিল। তেওঁ ৰাজ্য শাসনৰ সুশৃঙ্খলাৰ অৰ্থে ফুকন, বৰুৱা, ৰাজখোৱা চলিহা, দুৱৰা, সন্দিকৈ, কটকী, তামুলী, চমুৱা প্ৰভৃতি অনেক বিষয়-বাবৰ সৃষ্টি কৰি যোগ্যৱান লোকসকলক ভিন্ন ভিন্ন কাৰ্য্যভাৰ সহ একোটা উপাধি প্ৰদান কৰিছিল। স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত (খ্ৰীঃ ১৬০৩-১৬৪১) হাজাৰ, শ আৰু একো কুৰি পাইকৰ ওপৰত সংখ্যানুপাতে হাজৰিকা,

শইকীয়া, বড়া আদি উপাধিৰ স্থষ্টি কৰিছিল আৰু ৰাজ্য শাসনৰ সুবিধাৰ্থে মন্ত্ৰীসকল অৰ্থাৎ বুঢ়াগোহাই, বড়গোহাই, বড়পাত্ৰগোহাইৰ বাহিৰেও বৰফুকন, বৰবৰুৱা, হাতীবৰুৱা আদি কেইটামান বিশিষ্ট পদৰ ব্যৱস্থা কৰিছিল। সেইদৰে কোচৰজাই চহৰীয়া, পতঙ্গীয়া, ডেকা আদি আৰু মুছলমান শাসকবৰ্গই তালুকদাৰ, তহবিলদাৰ, তহশীলদাৰ, চৌধুৰী, পাটগিৰি, পাটোৱাৰী প্ৰভৃতি পদবী প্ৰৱৰ্ত্তন কৰিছিল। গুৰুঘৰৰপৰাও ৰাজমেধি, মজিন্দাৰ, বড়া, বৰমেধি, মেধি, কাকতী, ভঁৰালী আদি বিষয়-বাবৰ স্থষ্টি কৰি সত্ৰ আৰু সমাজ শৃঙ্খলাবদ্ধ কৰিছিল। এই উপাধিসমূহ কাৰ্য্যান্তৰে কোনো গুৰু দায়িত্ব বহন কৰা একো একোটা বংশৰ বিশেষত্ব নিৰ্দ্দেশক প্ৰতীক স্বৰূপে পৰাম্পৰ বংশধৰসকলৰদ্বাৰা ব্যৱহৃত হৈ আছিল।

আজিকালি নামৰ পাছত কিছুমান লোকে পূৰ্ব্বৰ পৈতৃক উপাধি ত্যাগ কৰি নতুন নতুনকৈ মনোমত উপাধি যোগ কৰি লোৱাত পৰিছে। ইয়াৰদ্বাৰা পূৰ্ব্বপুৰুষসকলক সন্মানিত কৰা হৈছে নে অৱমাননা কৰা হৈছে তাক সেইসকলেহে জানে। এনেবোৰ কাৰণতে উপাধি চাই বৰ্ত্তমান যুগত কোন কেনে বংশৰ লোক তাক থিংৰা কৰা কঠিন হৈ পৰিছে। পুৰণিকালত কোনেও ইচ্ছামতে উপাধি সলাব নোৱাৰিছিল আৰু পিতৃ-পুৰুষৰ নিজস্ব উপাধিৰ গৌৰৱ অৱমাননা কৰি আন লোকৰ উপাধি এটা গ্ৰহণ কৰাটো অতিশয় লজ্জাজনক বিষয় বুলি ভাবিছিল। গীতাত স্বয়ং ভগৱানে উক্তি কৰা বুলি আছে—"চাতুৰ্ব্বৰ্ণ্যং ময়া স্থষ্টং গুণ কৰ্ম্ম বিভাগশঃ"; গুণ আৰু কৰ্ম্মৰদ্বাৰাই যে মানুহ উচ্চ স্তৰত স্থান পায় ই ধ্ৰুৰূপ; কিন্তু উপাধি পৰিবৰ্ত্তন, উপবীত গ্ৰহণ প্ৰভৃতি বাহ্যিক আভৰণেৰে উচ্চ খাপলৈ উঠা সম্ভৱ নহয়। লোক মুখত এটা প্ৰবাদ আছে—"একৈক পক্ষে শতানি মুকুতাঃ তথাপি কাকো ন চ ৰাজহংসঃ"; অৰ্থাৎ প্ৰতিটো পাখিতে এশ এশ মুকুতা আৰিলেও কাউৰী ৰাজহাঁহ হব নোৱাৰে। সেই কাৰণে উপাধি সলোৱা লোকে অনেক সময়ত প্ৰত্যক্ষ গঞ্জনা বা পৰোক্ষে সমালোচনা অথবা অস্ফুট প্ৰতিবাদৰ হাত সাৰিব নোৱাৰে।

জন্মিজয় নবাব যে কনৌজৰপৰা অহা পিঙ্গল গোত্ৰীয় কায়স্থ তাক ইতিপূৰ্ব্বে উল্লেখ কৰা হৈছে। এই কায়স্থ শ্ৰেণীৰ লোকসকল যে দ্বিজ তাক তেওঁলোকৰ চিৰাচাৰিত অন্নপ্ৰাশন, চূড়াকৰণ, উপনয়ন আদি জাত-কৰ্ম্মই প্ৰতিপন্ন কৰি আহিছে। আদিৰেপৰা তেওঁলোকে ক্ষত্ৰিয়োচিত ধৰ্ম্ম আৰু ৰীতি-নীতি পালন কৰি অহা ভুৰিভুৰি প্ৰমাণ পোৱা যায়। যজুৰ্ব্বেদৰ আপস্তম্ভত আছে :—

"বাহ্বোশ্চ ক্ষত্রিয়াঃ জাতাঃ কায়স্থা জগতি তলে।
চিত্রগুপ্তঃ স্থিতঃ স্বৰ্গে বিচিত্ৰো ভূমি মণ্ডলে॥"

অৰ্থাৎ ব্ৰহ্মাৰ বাহুৰপৰা কায়স্থগণ ক্ষত্ৰিয় স্বৰূপে জন্মি চিত্ৰগুপ্তই স্বৰ্গত আৰু বিচিত্ৰই পৃথিবীত স্থান পাইছিল। ভবিষ্য পুৰাণত পোৱা যায়ঃ—

"দশ বৰ্ষ সহস্ৰাণি দশ বৰ্ষ শতানি চ।
স সমাধিংসমাধায় স্থিতোঽভূৎকমলাসনে॥
স্থিতে সমাধৌ সকলংযদ্ভূতংতদ্বদামি তে।
তচ্ছৰীৰাৎ মহাবাহুঃ শ্যামঃ কমল লোচনঃ॥
কম্বুগ্ৰীবো গূঢ়শিৰাঃ পূৰ্ণচন্দ্ৰ নিভাননঃ
লেখনীচ্ছেদনী হস্তো মসীভাজন সংযুতঃ
নিঃস্থত্য দৰ্শনে তস্থৌ ব্ৰহ্মণোঽব্যক্ত জন্মনঃ
উত্তমঃ সুবিচিত্ৰাঙ্গো ধ্যানস্তিমিতলোচনঃ
ত্যক্তা সমাধিংগাঙ্গেয় তং দদৰ্শ পিতামহঃ
উৰ্দ্ধাধস্তন্নিৰীক্ষাথ পুৰুষাঞ্চগ্ৰতঃ স্থিতম্॥
পপ্ৰচ্ছ কো ভবানগ্ৰে তিষ্ঠতে পুৰুষোত্তম।
ইতি পৃষ্টোঽব্ৰবীদ্ভীষ্মঃ ব্ৰহ্মাণং কমলোদ্ভবম্॥

অৰ্থাৎ পিতামহ ভীষ্মক সোধাত সেই গঙ্গাসুত ভীষ্মই কৈছিল—"তেওঁ (ব্ৰহ্মাই) এহাজাৰ দহ আৰু এশ দহ বছৰ পদ্মাসনত যোগাৰিষ্ট হৈ থাকোতে যি ঘটিছিল মই সেই সমুদায় কথা কওঁ—"তেওঁৰ শৰীৰৰপৰা শ্যাম বৰণৰ, পদ্মফুল সদৃশ চকুৰ, কলহৰ নিচিনা দিঙিৰ, হৃষ্টপুষ্ট মূৰৰ, পূৰ্ণ চন্দ্ৰ স্বৰূপ উজ্জ্বল মুখৰ, উত্তম সুবিচিত্ৰ অঙ্গৰ, হাতত কলম ৰুলটনা বাঁহৰ চিৰি আৰু চিঞাহিৰ পাত্ৰ লৈ অপ্ৰকাশ্যভাৱে জন্ম লাভ কৰা এজন মহাবাহু-যুক্ত পুৰুষ বাহিৰ হৈ আধামুজা (ধ্যান মগ্ন) চকুৰে চাই আছিল; তেওঁক দেখি তেতিয়া নাভি-কমলৰপৰা উদ্ভৱ হোৱা ব্ৰহ্মাই যোগ ত্যাগ কৰি সন্মুখত থিয় হৈ থকা সেই পুৰুষজনক ওপৰৰপৰা তললৈ চাই সুধিছিল, "হে পুৰুষোত্তম, মোৰ আগত যে আছাহি তুমি কোন?"

পুৰুষ উবাচ— উৎপন্নো বিধিনা নাথ ত্বচ্ছৰীৰান্নসংশয়ঃ।
নাম ধেয়ংহি মে তাত বক্তুমৰ্হস্যতঃপৰম্॥
যথোচিতঞ্চ যৎকাৰ্য্যং তৎ ত্বং মামনুশাসয়॥

সেই পুৰুষজনে কলে,—হে প্ৰভু, আপোনাৰ শৰীৰৰপৰা যে মই যথাবিধি উৎপন্ন হৈছো তাত সন্দেহ নাই। হে পিতা, মোৰ নামকৰণ কৰক আৰু তাৰ পিচত মই কি কাৰ্য্য কৰা উচিত উপদেশ দিয়ক—

ব্ৰহ্মোবাচ :— মাচ্ছৰীৰাৎ সমুদ্ভূতস্তস্মাৎ কায়স্থ সংজ্ঞকম্।
চিত্ৰগুপ্তেতি নাম্নাবৈ খ্যাতো ভুবি ভবিষ্যসি॥
ধৰ্ম্মাধৰ্ম্ম বিবেকাৰ্থং ধৰ্ম্ম ৰাজ পুৰে সদা।
স্থিতিৰ্ভবতু তে বৎস মমাজ্ঞাং প্ৰাপ্যনিশ্চলাম্॥
ক্ষত্ৰ বৰ্ণোচিতো ধৰ্ম্মঃ পালনীয়ো যথা বিধিঃ।
প্ৰজাঃ স্বজশ্চ ভোঃ পুত্ৰ ভুবোভাৰ সমন্বিতাঃ॥

ব্ৰহ্মাই কলে :—মোৰ শৰীৰৰপৰা জন্ম পোৱাৰ কাৰণে তুমি কায়স্থ আৰু চিত্ৰগুপ্ত নামে জগতত খ্যাতি লাভ কৰিবা। হে পুত্ৰ, মোৰ আজ্ঞানুসাৰে তুমি যমৰজাৰ নগৰত সততে ধৰ্ম্ম অধৰ্ম্মৰ বিচাৰ কৰি থাকিবা আৰু যথা নিয়মে ক্ষত্ৰিয় ধৰ্ম্ম পালন কৰি ভুভাৰ সমন্বিত প্ৰজা স্থষ্টি কৰিবা। মহাভাৰত আদিপৰ্ব্বত দ্ৰৌপদীৰ পূৰ্ব্ব বৃত্তান্তৰ আখ্যানত আছে :—

যমেৰ বচনে সুচিন্তিত প্ৰজাপতি।
সেইকালে কায়হৈতে হৈল উৎপত্তি॥
লেখনী দক্ষিণ কৰে তালপত্ৰ বামে।
জাতিতে কায়স্থ হৈল চিত্ৰগুপ্ত নামে॥

যজুৰ্ব্বেদীয় ব্ৰহ্মখণ্ডত পোৱা যায় :—
অসিনাং ৰক্ষণং ৰাজ্যং মস্যাদি স্থাপনায় চ।
উভৌ ক্ষত্ৰিয় ধৰ্ম্মৌ চ ভূমৌ খ্যাতৌ ময়া কিল॥

অৰ্থাৎ অসিৰদ্বাৰা (তৰোৱালেৰে) ৰাজ্য ৰক্ষা আৰু মহীৰদ্বাৰা (চিঞাহিৰে) স্থাপিত অৰ্থাৎ শৃঙ্খলাৱদ্ধ হয়। এই দুয়ো শ্ৰেণীয়েই ক্ষত্ৰিয় ধৰ্ম্মভুক্ত স্বৰূপে খ্যাতি লাভ কৰিছে।

হৰগৌৰী সংবাদত লিখিছে :—
নৃপস্য জ্ঞান সম্ভূতো দ্ৰব্যানাঞ্চ নিয়োজনে।
কায়স্থো লেখকো জ্ঞেয়ঃ ক্ষত্ৰিয়ে চ বিশেষতঃ॥

অৰ্থাৎ ক্ষত্ৰিয়সকলৰ ভিতৰত বিশেষকৈ কায়স্থগণেই দ্ৰব্য বিতৰণত সমৰ্থৱান,

ৰাজ-কৰ্ত্তব্য জ্ঞান সম্পন্ন আৰু লেখক স্বৰূপে জনাজাত। পদ্ম পুৰাণৰ পাতালখণ্ডত আছে :—

চিত্ৰোবিচিত্ৰ ইতি তৎবিজ্ঞপ্তৌ তাবুভাবপি।
ধৰ্ম্মৰাজস্য সচিবৌ দত্তাবস্যতু বেধসা॥
অসতাং দণ্ডেনতাৰৌ নৃপ-নীতি বিচক্ষণৌ।
কায়স্থ সংজ্ঞয়া খ্যাতৌ সৰ্ব্ব কায়স্থ পুৰ্ব্বজৌ॥

ব্ৰহ্মোবাচ :— ভবন্তৌ ক্ষত্ৰ বৰ্ণস্থৌ দ্বিজন্মানৌ মহাশয়ৌ॥
অৰ্থাৎ জগতৰ সমুদায় বৃত্তান্ত জানিবৰ অৰ্থে ব্ৰহ্মাই ধৰ্ম্মৰাজ যমৰ মন্ত্ৰী স্বৰূপে চিত্ৰ আৰু বিচিত্ৰক দান কৰে। তেওঁলোক বিচক্ষণ ৰাজনীতিজ্ঞ আৰু অসৎবোৰক দণ্ড প্ৰদান কৰোতা ; তেওঁলোক কায়স্থ নামে জনাজাত আৰু সকলো কায়স্থৰে পূৰ্ব্বপুৰুষ। ব্ৰহ্মাই কলে :—"তোমালোক দুয়োজন দ্বিজ আৰু ক্ষত্ৰিয় বৰ্ণৰ মহৎলোক।" ভবিষ্যপুৰাণৰ বৃহৎ ব্ৰহ্মখণ্ডত উল্লেখ কৰিছে :— ভবান্ ক্ষত্ৰিয়ঃ বৰ্ণশ্চ সমস্থান সমুদ্ভবাৎ।
কায়স্থঃ ক্ষত্ৰিয়ঃ খ্যাতো ভবান্ ভুবি বিৰাজতে॥
তদ্বংশসম্ভবা যে বৈ তেঽপি তৎসমতাংগতাঃ।
তেষাংলেখ্যাদি বৃত্তিশ্চ ক্ষত্ৰিয়াচাৰ তৎপৰাঃ॥
সংস্কাৰাদীনি কৰ্ম্মাণি যানি ক্ষত্ৰিয় জাতিষু।
তানি সৰ্ব্বাণি কাৰ্য্যাণি মদাজ্ঞাবশ লক্ষিতাঃ॥

ব্ৰহ্মাই চিত্ৰগুপ্তক কৈছে :—সমান (অৰ্থাৎ একে) ঠাইৰপৰা উদ্ভৱ হোৱাৰ কাৰণে ক্ষত্ৰিয়বৰ্ণ হৈ তুমি কায়স্থ-ক্ষত্ৰিয় নামে পৃথিবীত বিৰাজ কৰিবা। তোমাৰ বংশত জন্ম লাভ কৰাসকলে লিখা-পঢ়া বৃত্তি অৱলম্বন কৰি তোমাৰ দৰে ক্ষত্ৰিয় আচাৰ পালন কৰিব আৰু ক্ষত্ৰিয়বৰ্ণৰ সংস্কাৰাদি যি জাতকৰ্ম্ম আছে মোৰ আদেশত তেওঁলোকেও সেইবিলাক পালন কৰি চলিব।

স্কন্দপুৰাণত পোৱা যায় যে ক্ষত্ৰিয় ৰজা চন্দ্ৰসেনৰ গৰ্ভৱতী স্ত্ৰীয়ে পৰশুৰামৰ ভয়ত দালভ্য মুনিৰ আশ্ৰয় গ্ৰহণ কৰিছিল। সেই গৰ্ভস্থ সন্তান বিনষ্ট কৰিবলৈ যেতিয়া পৰশুৰাম উদ্যত হৈছিল, তেতিয়া দালভ্য মুনিয়ে গৰ্ভস্থ সন্তান কায়স্থ (অৰ্থাৎ অসিজীবি ক্ষত্ৰিয়ৰ ঠাইত মসীজীবি ক্ষত্ৰিয়) হবলৈ বৰ দিছো বুলি কোৱাত পৰশুৰামে "সন্তানৰ কায়স্থ-ক্ৰিয়া সম্পন্ন হওক" বুলি ক্ষান্ত হয়। সেই সন্তানৰ বংশধৰগণ দালভ্য গোত্ৰৰ চান্দ্ৰসেনী কায়স্থ বুলি জনাজাত হয়।

কায়স্থগণ চাৰি শ্ৰেণীত বিভক্ত :—(১) চান্দ্ৰসেনী কায়স্থগণ বোম্বাই প্ৰদেশত, (২) সূৰ্য্যবংশী ব্ৰহ্ম-কায়স্থগণ বৰদা, বোম্বাই আৰু মহীশূৰ প্ৰদেশত আৰু (৩) চন্দ্ৰবংশী প্ৰভু-কায়স্থগণ গুজৰাত, মহাৰাষ্ট্ৰ আৰু সিন্ধু প্ৰদেশত বাস কৰে ; এই কায়স্থসকলে ক্ষত্ৰিয়োচিত ধৰ্ম্মানুসাৰে দ্বাদশাহ অশৌচ পালন কৰে। (৪) চিত্ৰগুপ্তজ কায়স্থগণ গোটেই আৰ্য্যবৰ্ত্ততে বিয়পি আছে।

বৃটিছ আমোলৰ লোক পিয়লৰ বিপৰ্টত আছে (Census Report of Br. India of 1890 Vol. III, P XCXX) :—"It is not irrevelent however to state here that the whole of the 3rd class, that of the writers, have a distinct strain of Kshatriya blood, not only in this Presidency, but in upper India· where they are stonger in number as well as in influence.'' অৰ্থাৎ এইখিনিতে এটা কথা উল্লেখ কৰা অবান্তৰ নহব যে সমুদায় তৃতীয় শ্ৰেণী, লিখকগণ, কেৱল এই প্ৰদেশৰে নহয়, যি ঠাইত তেওঁলোক সংখ্যায়ো অধিক, আৰু অধিকতৰ প্ৰভাৱশালীও, সেই আৰ্য্যবৰ্ত্তৰো সমুদায় লিখকবৰ্গ ক্ষত্ৰিয় তেজৰপৰা উদ্ভূত হোৱাটো পৰিস্কাৰ কথা।

বৌদ্ধ আৰু জৈন ধৰ্ম্মৰ প্ৰাচুৰ্ভাৱত হিন্দুসকল বহু শতাব্দী নিস্তেজ হৈ পৰিছিল আৰু হিন্দু ধৰ্ম্মৰ প্ৰভাৱ বিশেষ ভাৱে ক্ষুন্ন হৈছিল। এই কালছোৱাত হিন্দুসকলৰ শাস্ত্ৰ চৰ্চ্চা, আচাৰ নীতি আদি বিকৃত হৈ পৰিছিল। এইদৰে আচাৰভ্ৰষ্ট অৱস্থাত বহুকাল অতিবাহিত হোৱাত সনাতন ধৰ্ম্মৰ একতাসূত্ৰ চিন্নভিন্ন হৈ গৈছিল ; হিন্দুসকলৰ সংস্কৃতিৰ এনে দুৰ্যোৰ সন্ধিক্ষণত খৃষ্টীয় অষ্টম শতিকাত মহামনীষী জগৎগুৰু শ্ৰীমৎ শঙ্কৰাচাৰ্য্য আৱিৰ্ভূত হৈ বৈদিক আৰু বৌদ্ধ ধৰ্ম্মৰ দাৰ্শনিক মতৰ মূল তথ্যসমূহ বিশ্লেষণ কৰি বেদান্ত মত প্ৰচাৰ কৰে। এই গৰাকী ধৰ্ম্মবীৰৰ অভ্যুদয়ত ম্ৰিয়মান হিন্দুধৰ্ম্ম পুনৰায় জীৱন্ত অৱস্থালৈ আহে আৰু ভাৰতত বৌদ্ধ ধৰ্ম্মৰ প্ৰভাৱ নিস্তেজ হবলৈ ধৰে। এই সিদ্ধপুৰুষ গৰাকীয়ে হিন্দুধৰ্ম্মৰ স্তম্ভ স্বৰূপে পূবে পুৰীধামত গোবৰ্দ্ধন মঠ, পশ্চিমে দ্বাৰকাধামত সাৰদা মঠ, উত্তৰে বদৰিকাশ্ৰমত যোশী বা জ্যোতি মঠ আৰু দক্ষিণে মহীশূৰত (বাঙ্গালোৰত) শৃঙ্গেৰী মঠ স্থাপন কৰে। তেওঁৰ শিষ্য দাৰ্শনিক মাধবাচাৰ্য্যই ধৰ্ম্ম সংস্থাপনৰ অৰ্থে এখন স্মৃতিশাস্ত্ৰ সঙ্কলন কৰে বুলি জনা যায় ; কিন্তু ইয়াৰ পিচৰ যুগত মুছলমানৰ আগমন আৰু ৰাজত্ব কালত আকৌ ইছ্লাম ধৰ্ম্মৰ প্ৰভাৱ বিস্তাৰ কৰাৰ আয়োজন চলিছিল। এনেবিলাক ধৰ্ম-বিপ্লৱৰ

প্ৰতিৰোধ কল্পে হিন্দুধৰ্ম্মৰ কৰ্ণধাৰসকলে বৈদিক ৰীতি-নীতি অব্যাহত ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰে আৰু হিন্দুধৰ্ম্ম সতেজ আৰু সক্ৰিয় কৰি ৰখাৰ অৰ্থে আৱশ্যক অনুসাৰে নানা প্ৰকাৰ শাস্ত্ৰ প্ৰণয়ণ কৰে।

স্বয়ম্ভু মনুৰ মতে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ, এই চাৰিও বৰ্ণৰ অগণন লোকেই নিজ নিজ বৰ্ণোচিত কৰ্ম্ম পৰিহাৰ কৰাৰ কাৰণে, আন কি বৰ্ণোচিত কৰ্ম্ম পৰিহাৰ নকৰা সকলো সংসৰ্গ দোষত বৰ্ণসঙ্কৰত পৰিণত হৈছে। তথাপি খ্ৰীষ্টীয় একাদশ শতিকাত বল্লালসেন ৰাজপাটত বহি যেতিয়া বৌদ্ধ ধৰ্ম্ম ত্যাগ কৰি হিন্দুধৰ্ম্ম গ্ৰহণ কৰে, তেতিয়া তেওঁৰ মন্ত্ৰী হলায়ুধ আৰু তেওঁৰ ৰাজসভাত থকা পঞ্চৰত্নসকলৰ শ্ৰেষ্ঠতম পণ্ডিত, উমাপতি, এই দুজন লোকে নিজ স্বাৰ্থ ৰক্ষা কৰি ব্ৰাহ্মণৰ বাহিৰে আন তিনিও জাতৰ লোকেই পতিত আৰু হীন বুলি ৰাজ আজ্ঞা ঘোষণা কৰাইছিল; আৰু এই বল্লালসেনৰ দিনতেই ব্যাস সংহিতা আৰু যাজ্ঞবল্ক্য সংহিতা আদিত সেই উদ্দেশ্যে কেইটামান শ্লোক সংযোজন কৰা বুলি জনা যায়। বলদেৱ ভট্ট নামে আন এজন শাস্ত্ৰকাৰেও ব্ৰাহ্মণ বাদে আন সকলোবোৰ বৰ্ণসঙ্কৰ অন্তৰ্ভুক্ত বুলি প্ৰচাৰ কৰিছিল।

দেশ, কাল, পাত্ৰ ভেদে আৰ্য্যসকলৰ যিবিলাক কাৰ্য্য-কলাপ আৰু আচাৰ নীতি জন্মৰপৰা মৃত্যুলৈ পালন কৰা উচিত তাক মহৰ্ষিসকলে স্মৃতি শাস্ত্ৰত লিপিৱদ্ধ কৰি থৈ গৈছে। বহু কাল আগৰেপৰা এই স্মৃতি শাস্ত্ৰ ভাৰতবৰ্ষত প্ৰচলিত আছিল। যেতিয়া নানা স্থানত ধৰ্ম্ম বিপৰ্য্যয় ঘটি স্মৃত্যুক্ত ক্ৰিয়া-কলাপ বিলোপ হোৱাৰ উপক্ৰম হৈ আহিছিল সেই সময়ত হিন্দু সমাজৰ নেতাসকল নিশ্চিন্ত হৈ থাকিব নোৱাৰি বিভিন্ন স্থানৰ লোকাচাৰ আৰু পাৰিপাৰ্শ্বিকতালৈ লক্ষ্য ৰাখি সেই স্থান আৰু সমাজৰ উপযোগী কৰি উত্তৰোত্তৰ শাস্ত্ৰ আৰু ৰীতি-নীতি ৰচিবলৈ আৰম্ভ কৰিলে। ভাৰতত বৌদ্ধধৰ্ম্মৰ প্ৰাদুৰ্ভাৱ বিলোপ হোৱাৰ লগে লগে হিন্দু-সমাজৰ আত্মৰক্ষাৰ চেষ্টাত ৰক্ষণশীল পণ্ডিতসকলে কিছুমান অনুশাসন প্ৰৱৰ্ত্তন কৰিলে। কিন্তু পিচৰ যুগত মুচলমান শাসকগণ প্ৰৱৰ্ত্তিত জিজিয়া, তীৰ্থস্থান-কৰ আৰু আন হাতে সমাজৰ কঠোৰ শাসন আৰু জাতি-ভেদ আদিৰ কাৰণে নিম্ন শ্ৰেণীৰ হিন্দুগণে দলে দলে মুচলমান ধৰ্ম্ম গ্ৰহণ কৰিছিল। কিছুমান লোকে ৰাজকীয় উচ্চ বিষয় বাবৰ আকাঙ্ক্ষাতো হিন্দুধৰ্ম এৰি ইচ্‌লাম ধৰ্ম্ম লৈছিল। এনে সন্ধিক্ষণত বঙ্গদেশৰ নৱদ্বীপত কুলীন ব্ৰাহ্মণ নাম লৈ স্মাৰ্ত্ত ভট্টাচাৰ্য্য ৰঘুনন্দনদেৱে শাস্ত্ৰকাৰ স্বৰূপে বহি সমাজ ৰক্ষাৰ নামত সংহিতা আৰু অন্যান্য শাস্ত্ৰ সমূহৰপৰা অনেক বচন সংগ্ৰহ কৰি "আষ্টাবিংশতিতত্ত্ব" নামে এখন আধুনিক স্মৃতি প্ৰণয়ন কৰে। তাত তেওঁ বৰ্ণ আৰু আশ্ৰম

ব্যৱস্থা সম্পৰ্কে কিছুমান ৰীতি-নীতি সন্নিৱেশ কৰি হিন্দু সমাজক চাৰি বৰ্ণৰ ঠাইত মাত্ৰ দুই বৰ্ণত পৰিণত কৰিবলৈ এটি বাক্য লিপিৱদ্ধ কৰে— “যুগে জঘন্যে দ্বে জাতি ব্ৰাহ্মণ শূদ্ৰ এবহি” ; ভট্টাচাৰ্য্যদেৱৰ লেখনী প্ৰসূত এই বাক্য অনুসাৰে জঘন্য কলি যুগত ক্ষত্ৰিয় বৈশ্য উভয় বৰ্ণৰ নাম লোপ হল ; বিশেষকৈ বঙ্গ আৰু অসমৰ জন-সমাজক কেৱল ব্ৰাহ্মণ আৰু শূদ্ৰ এই দুই বৰ্ণত সামৰি পেলোৱাত ব্ৰাহ্মণ ব্যতিৰেকে বাকী তিনি বৰ্ণ একমাত্ৰ শূদ্ৰবৰ্ণতে বিলীন হল। এই গৰাকী শাস্ত্ৰকাৰৰ কাপৰ খোচতে হিন্দু-সমাজৰ বাহু আৰু উৰু ছেদ হৈ এই অঞ্চলত মাত্ৰ মূৰ আৰু ভৰিহে থাকিল। ক্ষত্ৰিয় আৰু বৈশ্যসকলে ৰাজ-আজ্ঞাত আৰু কালৰ বিপাকত এই শাস্ত্ৰ-বচনটিকে মানি লোৱা বুলি ধৰিব পাৰি যদিও, কায়স্থসকলে হাল ভাৰ বহন নকৰি আৰু আনৰ ঘৰত দাসত্ব নকৰি, কেৱল বিধি নিয়োজিত লিখা-পঢ়া চৰ্চ্চাৰে স্বধৰ্ম্ম আৰু নিজ কৃষ্টি ৰক্ষা কৰি চলি আহিছে। সাঁচিপতীয়া পুৰণি পুথিবিলাকৰ আখৰবোৰক কাই-থালী অক্ষৰ বোলাৰ কাৰণ এয়ে যে সেইবোৰ কায়থসকলে (কায়স্থগণে) লিখা পুথি। এই লিপিকাৰ শ্ৰেণীটোৰ অনেক আখৰৰ ঠগেই স্বকীয়া। অন্যান্য আচাৰ ভ্ৰষ্ট হলেও তেওঁলোকে চূড়া-কৰণ, অন্নপ্ৰাশন, উপবীত (উত্তৰী) গ্ৰহণ আদি কেইটামান ক্ষত্ৰিয়োচিত জাতকৰ্ম্ম পালনেৰে দ্বিজ স্বৰূপে মসীজীবি ক্ষত্ৰিয়ৰ ধৰ্ম্ম আৰু ৰীতি আজিও পৰিহাৰ নকৰি পূৰ্ব্ব প্ৰথা অৱলম্বন কৰি আছে। এনে আচাৰ নীতিত চলি থকাৰ কাৰণে এদল লোকে তৰ্কস্থলত নিৰুপায়ত পৰি কায়স্থগণক এটা নৱকল্পিত শব্দ “সৎ শূদ্ৰ” নামে অভিহিত কৰিব বিচাৰে। মহামহোপধ্যায় কামাখ্যানাথ তৰ্কবাগীশে কায়স্থগণৰ পূৰ্ব্বাপৰ পদমৰ্য্যাদা, আচাৰ ব্যৱহাৰ আৰু ৰীতি-নীতি প্ৰভৃতিকে তেওঁলোকৰ বৰ্ণ পৰিচায়ক বুলি উক্তি কৰি উপসংহাৰত লিখিছে “চাতুৰ্ব্বণ্য প্ৰথা অনুসাৰে যাহাৰা ব্ৰাহ্মণেৰ অব্যবহিত নিম্ন শ্ৰেণী-ভুক্ত তাহাৰা ক্ষত্ৰিয়। এই নিয়ম অনুসাৰে কায়স্থেৰা যে কোন বৰ্ণ তাহা কাহাকেও বলিয়া দিতে হয় না।” মহামহোপধ্যায় নীলমণি ন্যায়লঙ্কাৰেও কায়স্থগণক ক্ষত্ৰিয় বুলি অনেক ঠাইত উল্লেখ কৰিছে।

ইয়াৰপৰা নিৰ্ব্বিবাদে নিৰ্ণিত হয় যে ক্ষত্ৰিয় দুই শ্ৰেণীৰ ; অসিজীবি অৰ্থাৎ যোদ্ধা সকল আৰু মসীজীবি (লিপিকাৰ) অৰ্থাৎ কায়স্থগণ। এতেকে কায়স্থবিলাকে দ্বিজ স্বৰূপে ক্ষত্ৰিয় বৰ্ণোচিত ৰীতি-নীতি পালন কৰাত কোনো বাধা থাকিব নোৱাৰে। অশৌচ পালন সম্পৰ্কে শাস্ত্ৰত আছে :-

শুদ্ধ্যেদ্বিপ্ৰো দশাহেন দ্বাদশহেন ভূমিপঃ।
বৈশ্য পঞ্চদশাহেন শূদ্ৰো মাসেন শুদ্ধতি ॥ (মনু)

ভাৰতৰ আন ঠাইৰ ক্ষত্ৰিয়গণে যে এই নীতি পালন কৰে সেই সম্পৰ্কে লিখা তুখন চিঠিৰ নকল দিয়া হল ঃ— (১) দ্বাৰভাঙা মহাৰাজৰ প্ৰধান মেনেজাৰ শ্ৰীপ্ৰিয়নাথ মহোদয়ে মিথিলা অঞ্চলৰ ( উঃপ্ৰঃ ) অশৌচ ব্যৱস্থা সমন্ধে এখন চিঠিত লিখিছিল ঃ— "মই তুজন ৰাজপণ্ডিতৰ লগত পৰামৰ্শ কৰি আপোনাক জনাও যে মিথিলাৰ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতিৰ লোকে ক্ৰমে ১০, ১২, ১৫ আৰু ৩০ দিন অশৌচ পালন কৰে।" (২) কানপুৰৰ (উঃপ্ৰঃ) পণ্ডিত কালিকা শৰ্ম্মা বিশাৰদ ত্ৰিপাঠীয়ে এখন ব্যৱস্থাত লিখিছে "অশৌচ ব্যৱস্থাকা শুদ্ধিনিয়ম কান্যকুঞ্জ দেশমে নিম্ন ৰীতিসে মান্তা হেঁয় ঃ—

ব্ৰাহ্মণোঁমে ১০ দিনকে উপৰ, ক্ষত্ৰিয়োঁমে ১২ দিনকে উপৰ, বৈশ্যোঁমে ১৫ দিনকে উপৰ, শূদ্ৰোঁমে ৩০ দিনকে উপৰ।" এতেকে কায়স্থগণে ১২ দিনীয়া অশৌচ পালন কৰাটো যে সম্পূৰ্ণৰূপে শাস্ত্ৰ-সন্মত প্ৰথা তাত বিন্দুমাত্ৰও সন্দেহ নাই।

সেই কালৰ সংকীৰ্ণ মনোবৃত্তি আৰু কঠোৰ অনুশাসনৰ কাৰণে উদাৰতা আৰু সাম্যবাদৰ ভেটিত হিন্দুধৰ্ম্মৰ আংশিক সংস্কাৰৰ প্ৰচেষ্টা আৱশ্যক হৈ পৰিছিল। সেই অনুসৰি খৃষ্টীয় চতুৰ্দ্দশ শতাব্দীত আচাৰ্য্য ৰামানন্দই প্ৰথমে উত্তৰ ভাৰতত ভাগৱতী বৈষ্ণৱধৰ্ম্মৰ সোঁত বোৱাই দিছিল; আৰু পিচৰ শতিকাত শ্ৰীমন্ত শঙ্কৰদেৱ, চৈতন্যদেৱ, বল্লভাচাৰ্য্য, নামদেৱ, কবীৰ প্ৰভৃতি ধৰ্ম্মপ্ৰচাৰকসকলে প্ৰায় সমসাময়িক স্বৰূপে বিভিন্ন স্থানত নিজ নিজ ভাষাত উদাৰ মতবাদ প্ৰৱৰ্ত্তন কৰি উচ্চ-নীচৰ মাজত মিলন সেতু ৰচনাৰ চেষ্টা কৰিছিল।

## দ্বিতীয় পৰিচ্ছেদ

কায়স্থ কুলীয়া এই কঢ়াল বৰুৱাৰ বংশই ব্যাপক বিস্তৃতি লাভ কৰাৰ কাৰণে নানা অসুবিধাত পৰি গোটেই বংশটোৰ লোকসকলৰ বিবৃতি লিখাৰ পৰা বিৰত থাকিবলগীয়া হল। প্ৰকৃততে আদিৰেপৰা সামৰিক বিভাগ, ৰজাঘৰীয়া বিষয়বাব, ৰাজনীতি ক্ষেত্ৰ, সাহিত্যানুশীলন, দেশসেৱাৰ ভূমিকা আদিত অংশ গ্ৰহণ কৰি অহা প্ৰথম শাৰীৰ বংশধৰগণৰ ভিতৰত সুখ্যাতি-সম্পন্ন লোক আৰু সুদক্ষ কৰ্ম্মচাৰী ভালেমান আছে; এতেকে সেইসকলৰ একোখনিকৈ পৃথক পৃথক জীৱনী প্ৰকাশ হোৱাটোহে বাঞ্চনীয়। এই ইতিবৃত্ত-খনিত জন্মিজয় নবাবৰ বংশধৰগণৰ ভিতৰত কোনো কোনো কৃতীপুৰুষৰ সম্বন্ধে ইতিপূৰ্ব্বে লিপিবদ্ধ হোৱা বিবৃতি আৰু বংশ পৰাম্পৰ চলি অহা জনশ্ৰুতিৰ পৰাও দুই এটা সংক্ষেপ বৃত্তান্ত সূচনা স্বৰূপে সন্নিবেশ কৰা হৈছে। সৰুফালৰ অৰ্থাৎ নবাবৰ ভায়েক বিজয়া ডেকাৰ বংশাৱলী আৰু সতিসন্ততি-গণৰ বৃত্তান্ত অন্তৰ্ভুক্ত কৰা নহল।

অসমলৈ অহা এইবংশৰ আদি পুৰুষ জন্মিজয় নবাব অসম আক্ৰমণ কৰিবলৈ বঙ্গ দেশৰ ফালৰপৰা অহা ফৌজৰ লগত প্ৰথমে আহি, কোনো বিশেষ কাৰণত সেই পক্ষ ত্যাগ কৰি অসমবাসীসকলৰ ফালে আকৃষ্ট হৈ পৰিছিল বুলি আৰম্ভণিতে উল্লেখ কৰা হৈছে। সেইকালত আহোম স্বৰ্গদেৱ চুখাম্‌ফাই যে ৰাজত্ব কৰিছিল সেইকথাও উল্লেখ কৰা আছে। চুখামফা খোৰাৰজা ১৫৫২ খৃষ্টাব্দৰ পৰা ১৬০৩ খৃষ্টাব্দলৈ সিংহাসনত উপৱিষ্ট আছিল। সেইকালত যদিও মহাপ্ৰতাপী মোগল সম্ৰাট আকবৰে বিশাল সাম্ৰাজ্য স্থাপন কৰিছিল, বঙ্গ আৰু বিহাৰত কিন্তু চুলেমান কোৰ্‌ৰাণি নামে এজন আফগান ওমৰাহে ৰাজত্ব কৰিছিল। এইজন গৌৰ নবাবৰ হাতত অসমৰ সু-প্ৰসিদ্ধ সেনাপতি বীৰ চিলাৰায় বন্দী হৈছিল। এওঁৰ মুখ্য সেনাপতি প্ৰখ্যাত কালাপাহাৰে হিন্দুধৰ্ম্ম বিদ্বেষী হৈ ১৫৫৩ খৃষ্টাব্দত অসম আক্ৰমণ কৰে আৰু তেওঁ কামৰূপলৈ আহি হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, নীলাচলৰ কামাখ্যা মন্দিৰ আৰু গুৱাহাটীৰ শুক্লেশ্বৰ, বানেশ্বৰ জনাৰ্দ্দন প্ৰভৃতি দেৱস্থানৰ কিছুমান মূৰ্ত্তি ভাঙি বিকৃতি কৰি উলটি যায়। জন্মিজয় নবাব গৌৰাধিপতিৰ নিৰ্দ্দেশত এই সৈন্যদলতে আহি হিন্দুধৰ্ম্মৰ

এনে গ্লানিত অত্যন্ত অতিষ্ঠ হৈ উঠে, আৰু সেই কাৰণেই তেওঁ মুচলমানৰ পক্ষ পৰিত্যাগ কৰিছিল বুলি কথিত আছে। তেওঁ যে কেৱল শত্রুপক্ষ ত্যাগ কৰিছিল এনে নহয়, লগতে তেওঁ চলে-বলে শত্রুৰ হাতত বন্দী হোৱা ভালেমান অসমীয়া লোকক মুক্ত কৰিও আনিছিল। এই বাতৰি শুনি অতিশয় সন্তুষ্ট হৈ স্বৰ্গদেৱ চুখাম্ফাই তেওঁলৈ কটকী যোগে এখন পত্ৰ লিখি তেওঁক অসমৰ ফলীয়া কৰি লৈছিল, আৰু কালক্ৰমত তেওঁ ৰজাৰ এজন অতি বিশ্বাসভাজন লোক হৈ উঠিছিল।

ইং ১৬১৪ চনত কোচৰজা বলিতনাৰায়ণৰ সাহায্যাৰ্থে মুচলমানৰ লগত আহোমসকলৰ এখন তুমুল যুদ্ধ হয়। এই ৰণত মুচলমানগণ পৰাস্ত হোৱাত বলিতনাৰায়ণক আহোমৰ কৰতলীয়া ৰজা পতা হৈছিল। সমৰ ক্ষেত্ৰত জন্মিজয় নবাবে মহাপ্ৰতাপ আৰু সাহসৰ পৰিচয় দিছিল। ৰণ কৌশল আৰু তীক্ষ্ণ বুদ্ধিৰ প্ৰভাৱত নবাব আহোম ৰজাৰ অতি প্ৰিয়পাত্ৰ হৈ উঠে আৰু ৰাজ অনুগ্ৰহত ভোগবাৰীত জমি-ভূমি লাভ কৰিছিল। এই দৰে তেওঁ নিজ গুণ আৰু শক্তিৰ বলত প্ৰতিপত্তি বৃদ্ধি কৰি কিছুকাল বসতি কৰাৰ পিচত সেই ঠাইতে তেওঁ মৃত্যু মুখত পৰে। তেওঁৰ লগতে অহা ভায়েক বিজয়া ডেকায়ো অকুণ্ঠিত ভাৱে সৎসাহ দেখুৱাই খ্যাতিমন্ত হৈ পৰে আৰু স্বৰ্গদেৱে তেওঁক উজনিলৈ নিয়াই বৰবৰুৱাৰ সহকাৰী পদত নিযুক্ত কৰে।

১৬১৪ চনৰ এই যুদ্ধখনত জন্মিজয় নবাবৰ পুত্ৰ জগন্নাথে বিষম বিক্ৰমেৰে শত্ৰুসৈন্য সংহাৰ কৰিছিল। তেওঁৰ অবিচলিত উৎসাহ, উগ্ৰ সাহস আৰু অসাধাৰণ পৰাক্ৰমৰ প্ৰমাণ পাই মহাৰাজ প্ৰতাপ সিংহই প্ৰথমে তেওঁক কাণ্ডাৰ বা কণ্ডাল (কৰ্হাল) বৰুৱা উপাধিৰে বিমন্দিত কৰিলে আৰু এগৰাকী ফুকনৰ হাতে পুৰস্কাৰ প্ৰদানি সেইকালৰ দৰঙী ৰাজ্য আৰু আহোম ৰাজ্যৰ উত্তৰ পাৰৰ সীমা বৌটা নদীৰ পাৰত এটা কোঁঠ নিৰ্ম্মাণ কৰাই সীমাৰক্ষী স্বৰূপে তাৰ হৰ্ত্তা-কৰ্ত্তা পাতিলে।

ইং ১৬১৭ চনত স্বৰ্গদেৱ প্ৰতাপসিংহই ডিমৰুৱা ৰজা ধৰ্ম্মনাৰায়ণৰ সৈতে সহযোগী হৈ মুচলমানগণক অসমৰপৰা একেবাৰে খেদি পঠোৱাৰ উদ্দেশ্যে আগীয়াঠুটিত আব্‌ভুচ্ চালাম পৰিচালিত এটা বিৰাট বাহিনীৰ লগত যুদ্ধ কৰে। এই যুদ্ধত মুচলমানগণ পৰাস্ত হোৱা খবৰ পাই ঢাকাৰ নবাবে ১৬১৯ চনত পুনঃ ভালেমান সৈন্য পঠালে আৰু বহুদিন ব্যাপি নানা ঠাইত থৈয়া-নথৈয়াকৈ যুদ্ধ চলিছিল। শেষত উভয় পক্ষ হাৰাশাস্তি হৈ সন্ধি কৰিবলৈ বাধ্য হয় আৰু কিছুকালৰ নিমিত্তে যুদ্ধৰ অৱসান ঘটে। কিন্তু যুদ্ধ-বন্দীৰ সালসলনি লৈ পুনঃ বিবাদৰ সূত্ৰপাত হয়। এইবাৰ

আহোম সৈন্যই মুচলমানবিলাকক ক্রমাগতে পৰাস্ত কৰি সমুদায় কামৰূপ আৰু গোৱালপাৰাৰো কিয়দংশ দখল কৰে। এই সমৰ-ক্ষেত্ৰবোৰত জগন্নাথ বৰুৱাৰ ৰণ-কৌশল আৰু সাহ বিক্ৰমত মহাৰাজ প্ৰতাপসিংহ বৰ সন্তুষ্ট হৈ অসমৰ তৎকালিন সীমা মানাহ নদীৰ পাৰত এটা নতুন কোঁঠ সজাই তাতে অস্ত্ৰপাতিৰে সুসজ্জিত কৰি তেওঁক সৰ্ব্বেসৰ্ব্বা পাতি থয়। এই কালত সমাজ আৰু গাওঁ সংগঠনৰ অৰ্থে মোমাইতামুলী বৰবৰুৱাই অশেষ পৰিশ্ৰম কৰি আহোম ৰাজ্যৰ খেল-চোঙবোৰ শৃঙ্খলাৱদ্ধ কৰি ঐক্যতা স্থাপন কৰে। তেওঁ জগন্নাথ বৰুৱাৰ প্ৰতিপত্তি আৰু আচাৰ নীতিৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি তেওঁক উচ্চমৰ্য্যাদা প্ৰদান কৰে আৰু সমাজৰ এজন মুখ্যলোক পাতে।

কিছুদিন পিচতে আকৌ বঙ্গদেশৰ নবাৰ সেখ কৰিমে চৈয়দ হাকিম আৰু আবু বকৰ পৰিচালিত এটা বৃহৎ বাহিনী অসম আক্ৰমণ কৰিবলৈ পঠায়। ৰাতিৰ ঘোৰ অন্ধকাৰত অকস্মাতে জগন্নাথ বৰুৱাৰ কোঁঠ অৱৰুদ্ধ হোৱাত প্ৰথম অৱস্থাতে তেওঁ মৃত্যু মুখত পৰে আৰু মুচলমানগণে জয় লাভ কৰি ক্ৰমে আগুৱাই যোৱাত কলিয়াবৰত এখন অতি তয়াময়া যুদ্ধ হয়। এই যুদ্ধত মুচলমানৰ পৰাজয় ঘটে আৰু ভীষণ ক্ষতি হয়। জগন্নাথ বৰুৱাৰ জ্যেষ্ঠপুত্ৰ সঞ্জয়ে নিজ বীৰত্ব প্ৰতিষ্ঠা কৰি পিতৃহন্তাৰ প্ৰতিশোধ লয়। মহাৰাজ প্ৰতাপসিংহই ৰাজ্যখন সুৰক্ষিত কৰিবৰ অৰ্থে ঠায়ে ঠায়ে অনেক কোঁঠ নিৰ্ম্মাণ কৰায়। তেওঁ গুৱাহাটীত বৰফুকন খিতাপেৰে এজন শাসনকৰ্ত্তা ৰখাৰ অৰ্থে এই পদৰ প্ৰথম সৃষ্টি কৰে; আৰু সঞ্জয় বৰুৱাৰ সাহ-বিক্ৰমৰ কথা শুনি তেওঁক এই বৰফুকনৰ সহায়কাৰী স্বৰূপে নিযুক্ত কৰে। পীড়াগ্ৰস্তা ৰাজ-মহিষীক নিৰাময় কৰি বুদ্ধিস্বৰ্গনাৰায়ণ, প্ৰতাপসিংহৰ প্ৰিয়পাত্ৰ হৈ উঠা আন এজন কনৌজীয়া কায়স্থ বংশৰ প্ৰখ্যাত লোক বেজদলৈ নৰহৰিসিংহই এই কলিয়াবৰৰ ৰণত মহাপৰাক্ৰম দৰ্শায়। স্বৰ্গদেৱে অতি সন্তোষিত হৈ তেওঁক ৰণৰ অস্ত্ৰাগাৰৰ অধ্যক্ষ পাতি ভণ্ডাৰীবৰুৱা উপাধি প্ৰদান কৰে, আৰু জগন্নাথ বৰুৱাৰ দ্বিতীয় পুত্ৰ ধনঞ্জয় বৰুৱাক তেওঁৰ সহকাৰী পদত নিযুক্ত কৰে।

কলিয়াবৰৰ ৰণত পৰাজয়ৰ বাৰ্ত্তা পাই মোগল সম্ৰাট শাহজাহানে ১৬৩৬ চনত আব্‌দুচ চালামৰ অধীনত অলেখ সৈন্য-সামান্ত পঠাই পুনঃ অসম আক্ৰমণ কৰায়; এইবাৰ আগীয়াঠুটিত যি যুদ্ধ হয় তাতো মুচলমান পৰাস্ত হোৱাত, উত্তৰপাৰে বৰনদী আৰু দক্ষিণপাৰে অসুৰৰ আলিয়ে সীমা নিৰ্দ্ধাৰিত হয় আৰু সঞ্জয় বৰুৱাৰ পুত্ৰ পুৰণ বৰুৱাক এই সীমাৰ এটা কোঁঠত নিযুক্ত কৰা হয়; কিন্তু মাত্ৰ দুবছৰ পিচতে ১৬৩৮ চনত

মুচলমানসকলে আকৌ অসম আক্ৰমণ কৰে আৰু এইবাৰ শ্ৰীঘাটত হোৱা তমোময় যুদ্ধত আহোমৰ পৰাজয় ঘটে। এই পৰাজয়ৰ লগতে কোচৰাজ্য সম্পূৰ্ণে বিলোপ হয়। সন্ধিসূত্ৰ অনুযায়ী গুৱাহাটী মোগলৰ অধীনলৈ যোৱাত মিৰ্জ্জা নাথুল্লাক (লুৎফুল্লা চিৰাজীক) ইয়াৰ ফৌজাদাৰ পতা হয়। এই গোটেই কেইখন ৰণতেই জগন্নাথ বৰুৱাৰ পুত্ৰ-পৌত্ৰগণে অপৰিসীম ধৈৰ্য্য আৰু উদ্যমেৰে যুদ্ধ কৰিছিল বুলি জনা যায়।

প্ৰতাপসিংহ বুঢ়া ৰজাৰ মৃত্যুৰ পিচত দুজন ৰজা ভঙা-পতা হয়। তাৰ পিচত ১৬৪৮ চনত মহাৰাজ জয়ধ্বজে (চুতাম্লাই) সিংহাসন আৰোহণ কৰি কামৰূপ আৰু গোৱালপাৰাৰ মোগল শাসনাধীনত থকা ঠাইবোৰ উদ্ধাৰ কৰাৰ উদ্দেশ্যে এটা বিৰাট অভিযান চলাবলৈ আয়োজন কৰে। আহোমৰ আক্ৰমণ আসন্ন বুলি ভাবি মিৰ্জ্জা নাথুল্লা বিনাযুদ্ধে গুৱাহাটী এৰি পলাই যায়। তেতিয়া উত্তৰপাৰে মানাহ নদী (যোগীঘোপা) আৰু দক্ষিণপাৰে পঞ্চৰত্ন ঘাটলৈ আহোম ৰাজ্যৰ সীমা বিস্তাৰিত হোৱাত সীমান্তবৰ্ত্তী এটা কোঁঠত পুৰণ বৰুৱাক পুনঃ সীমাৰক্ষী স্বৰূপে নিযুক্ত কৰা হৈছিল। মোগল ফৌজাদাৰ পলাই যোৱাত তেওঁ এৰি থৈ যোৱা সমুদায় সা-সম্পত্তি টংচু সন্দিকৈয়ে আত্মসাৎ কৰে। তেতিয়া স্বৰ্গদেৱ চুতাম্লাই "তই গৈ বিচাৰ গৈ, এই বুলি টুপী, জাপি, জাপকঠ, মচুলা দি মনথিৰক পৰ্ব্বতীয়া ফুকন পাতি গুৱাহাটীলৈ পঠালে।" বেজদলৈ ভণ্ডাৰীবৰুৱা বংশৰ অনাআহোম মনথিৰক ইমান ক্ষমতা সহ উচ্চপদত অধিষ্ঠিত কৰাত আহোম বিষয়াসকল অত্যন্ত অসন্তুষ্ট হৈছিল আৰু ১৬৬১-৬২ চনৰ মীৰজুম্লাৰ আক্ৰমণত যুঁজ নকৰি বাট-পথ এৰি দিছিল ; আন কি, কিছুমানে গোপনে সহায়ো কৰিছিল। এই সুযোগ পাই মীৰজুম্লাই সহজে গড়গাওঁ অধিকাৰ কৰিছিল। "বঙ্গালৰ গড়গাওঁ দখলৰ" বিৱৰণত আছে "পাচে ৮দেৱে বেজদলৈৰ পুতেক মন্ত্ৰীৰ ভণ্ডাৰীবৰুৱাক সমস্তৰে অধিকাৰ কৰি দিলে। সিও আহি বকতাত বহি আমাৰ মানুহসকলেৰে দিলিহৰ উত্তৰকাষৰে থাকি গড়গাওঁত কতোদিন দগা দি বঙ্গালক কাটিমাৰি আছিল।" এই সময়ত জগন্নাথ বৰুৱাৰ বংশধৰ সুচতুৰ নিৰ্ম্মল বৰুৱা মনথিৰ ফুকনৰ সোঁহাত স্বৰূপে থকা বুলি জনা যায়। যিহেতু "ৰজাই নামৰূপলৈ পলাই যোৱাৰ পিচত বেজদলৈকে সমস্তৰে অধিকাৰ পাতি যায়," সেই কাৰণে যেতিয়া মাতৃভূমিৰ স্বাধীনতা ভীষণ সঙ্কটাপন্ন হৈ পৰিছিল আৰু মোমাইতামুলী বৰবৰুৱাৰ পুতেক বাদুলী ফুকন পৰ্য্যন্ত বঙালত গৈ বৰিছিল, তেতিয়া সন্ধিৰ প্ৰস্তাৱ পঠাবলৈ বেজদলৈ মনথিৰ বাধ্য হৈছিল। সেই সময়ত কাণ্ডাৰ বৰুৱা বংশৰ নিৰ্ম্মল বৰুৱাৰ পুত্ৰ হৰিগতি এজন বিচক্ষণ বুদ্ধি আৰু প্ৰত্যুৎপন্নমতি সম্পন্ন লোক

হৈ উঠিছিল। মনথিৰ ফুকনে তেওঁকো নন্দ আৰু হাতিৰ লগত কটকী স্বৰূপে নবাবৰ ওচৰলৈ সন্ধিৰ প্ৰস্তাৱ ডাঙি ধৰিবলৈ পঠাইছিল।

স্বৰ্গদেৱ প্ৰতাপসিংহৰ ৰাজত্ব কালত কেইবা গৰাকী সন্ত-মহন্তক নিৰ্য্যাতন কৰা হৈছিল আৰু কুৰুৱাবাহী সত্ৰাধিকাৰ শ্ৰীশ্ৰীমিশ্ৰদেৱক ধৰাই নি বিচাৰৰ অৰ্থে বন্দী কৰি থোৱা অৱস্থাতে ইং ১৬৩২ চনত স্বৰ্গগামী হৈছিল। এই বুঢ়াৰজাৰ মৃত্যুৰ পিচতে দুজন ৰজা সিংহাসনচ্যুত হয়। এনে সময়তে কোচবেহাৰ আৰু মুচলমানেও আহোম ৰাজ্য আক্ৰমণৰ অৰ্থে উদ্যত হয়। কথাতে কয় "কাকো পৰে তালো সৰে।" বৈষ্ণৱ নিৰ্য্যাতনৰ পৰাই এনে অপাৰ-অমঙ্গলবোৰে আৱৰি ধৰা বুলি দেশজুৰি এটা জনৰৱ উঠিল। ধৰ্ম্মগুৰু বধেই এই বিলাই-বিপত্তিৰ কাৰণ বুলি পৰৱৰ্ত্তী ৰজা চুতাম্লাৰ অন্তৰত বিশ্বাস জন্মাত তেওঁ ভক্তি সহকাৰে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি জয়ধ্বজসিংহ নাম ললে। সেই উপলক্ষে স্বৰ্গদেৱে গালপুৰ ঘাটত ১৫৭৫ শকত (ইং ১৬৫৩ চনত) বিপুল আয়োজনেৰে এটা মহাযজ্ঞ পাতি কুৰুৱাবাহীৰ অস্থায়ী সত্ৰাধিকাৰ শ্ৰীশ্ৰীনিৰঞ্জনদেৱক অনাই হিন্দুধৰ্ম্মত দীক্ষিত হয়। এই সময়ত সেই সত্ৰত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিৰ্ম্মাণ কৰোৱা মদনগোপাল মূৰ্ত্তিৰ লগতে শ্ৰীমন্ত বংশীগোপালদেৱে জগন্নাথ ক্ষেত্ৰৰপৰা অনোৱা দৌল-গোবিন্দ মূৰ্ত্তিও আছিল। মহাৰাজ জয়ধ্বজে সেই দৌল-গোবিন্দ মূৰ্ত্তি অনাই শ্ৰীশ্ৰীনিৰঞ্জনদেৱক প্ৰদান কৰে আৰু মাজুলীত এডোখৰ অনুকুল স্থানৰ হাবি-বন বিশেষকৈ আউনী পানৰ আটী কটাই বেজদলৈ মাধৱচৰণ ভণ্ডাৰীবৰুৱাৰ দ্বাৰা আউনীআটীয় সত্ৰ পতাই দিয়ে। উজনি অসমত সনাতন বৈষ্ণৱধৰ্ম্ম প্ৰচাৰৰ অৰ্থে পতা প্ৰথম আহোম ৰাজগুৰুৰ প্ৰখ্যাত আউনীআটীয় সত্ৰ স্থাপনৰ এয়ে আতিগুৰি।

এই আউনীআটীয় সত্ৰ পতাৰ বহুকাল আগতেই শ্ৰীমন্ত বংশীগোপাল-দেৱে কুৰুৱাবাহী সত্ৰ স্থাপন কৰিছিল। ধনে মানে প্ৰথম শাৰীত ঠাই পোৱা চাৰিসত্ৰৰ ভিতৰত শ্ৰীশ্ৰীবনমালীদেৱক ধৰ্ম্মাচাৰ্য্য পাতি দক্ষিণপাত সত্ৰ আৰু শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ণদেৱক ধৰ্ম্মাচাৰ্য্য পাতি গড়মূৰ সত্ৰও মহাৰাজ জয়ধ্বজেই স্থাপন কৰাই দিছিল। এই সত্ৰ কেইখন পতাত ৰজাঘৰে গুৰুঘৰে সমন্বয় ৰাখি কাৰ্য্যভাৰ গ্ৰহণ কৰা বিশিষ্ট লোক আছিল বেজদলৈ ঘৰৰ মাধৱচৰণ ভণ্ডাৰীবৰুৱা। সিংহ বিক্ৰমী মনথিৰ পৰ্ব্বতীয়া ফুকন আছিল এওঁৰেই জ্যেষ্ঠ পুত্ৰ। এই ভৰদ্বাজ গোত্ৰীয় বেজদলৈ ভণ্ডাৰীবৰুৱা ঘৰৰ বংশধৰগণ মান ভগনত আহি উত্তৰ গুৱাহাটী শিলসাকোত বাসস্থান লয়হি। এই বংশৰ এখন বুৰঞ্জীমূলক ইতিবৃত্ত বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্ম্মাৰ দ্বাৰা প্ৰণিত হৈছে। স্বৰ্গদেৱ জয়ধ্বজে হিন্দুধৰ্ম্ম গ্ৰহণ কৰাৰ পিচত এই

মাধৱচৰণ ভণ্ডাৰীবৰুৱাই ৰঙা ৰঙেৰে ৰঞ্জিত এখনি চিত্ৰ-বিচিত্ৰ শ্ৰীভক্তি ৰত্নাৱলী ৰজাঘৰত সোধাইছিল আৰু ৰজাই ইয়াৰ একো মোল নোপোৱা-কৈয়ে নাম থৈছিল "বৰ ৰঙা পুথি"। কিছুকাল পিচত এই নামে অভিহিত পুথিখনি প্ৰকাশ্য ৰাজসভাত পঢ়ি ব্যাখ্যা কৰিবলৈ ৰাজ-আজ্ঞা ঘোষণা হল। সেই কালৰ শাস্ত্ৰবিদ কোনো লোকেই সাহ নকৰাত, মাধৱচৰণ বৰুৱাৰ গোপন অনুৰোধক্ৰমে শ্ৰীশ্ৰীনিৰঞ্জনদেৱে সেই পুথি ৰাজসভাত পঢ়ি ব্যাখ্যা কৰিলে। ৰজা জয়ধ্বজ অতিশয় চমকৃত আৰু সন্তোষিত হৈ প্ৰভু নিৰঞ্জনদেৱক সকলো বাপুৰ ওপৰত বৰবাপু পাতিলে; আৰু আউনীআটীয় সত্ৰক প্ৰথম নম্বৰী সত্ৰ বুলি ঘোষণা কৰি বিস্তৰ জমি-ভুমি দেৱোত্তৰ স্বৰূপে তামৰ ফলিত লিখি দান কৰিলে। এই বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অনেক ৰজাঘৰীয়া বিষয়াৰ লগতে কণ্ঢ়াল বৰুৱা বংশৰ লোকসকলেও পুত্ৰদাৰা সমন্বিতে আউনীআটীয় সত্ৰৰ প্ৰথম অধিকাৰ ৰাজগুৰু শ্ৰীশ্ৰীনিৰঞ্জনদেৱৰ শিষ্যত্ব গ্ৰহণ কৰিছিলহি।

জয়ধ্বজসিংহৰ মৃত্যুৰ পিচত চক্ৰধ্বজসিংহ ৰজা হৈ মোগলক সন্ধিসূত্ৰ অনুযায়ী কৰ-পচা নিদিয়াত ঔৰঙ্গজেবে ১৬৬৮ চনত বিপুল ৰণ সজ্জাৰে ৰামসিংহক অসম আক্ৰমণ কৰিবলৈ পঠালে। এই মহাযুদ্ধৰ ৰোমাঞ্চকৰ মোমাইকাটা গড়ৰ কাহিনী আৰু বীৰ লাচিতৰ শ্ৰীঘাটৰ ৰণ অসম বুৰঞ্জীৰ এটা অতি চমকপ্ৰদ ঘটনা। মুচলমানে লাৰে লাৰে পানী খাই পলোৱাত মোগল সেনাপতিয়ে অসমীয়াৰ অদ্ভুত বীৰপণা আৰু সমৰ কৌশলৰ বিষয়ে ভুৰি ভুৰি প্ৰশংসা কৰি থৈ গৈছে। এনে ভীষণ পৰাজয়ত অত্যন্ত লাজ পাই ১৬৭৯ চনত আজমতৰাৰ নেতৃত্বত মোগল সম্ৰাট ঔৰঙ্গজেবে আকৌ এটা অভিযান পঠায় আৰু ৰঙামাটিত এখন ভয়ঙ্কৰ যুদ্ধ হয়। এই যুদ্ধতো মোগল সৈন্য পৰাস্ত হোৱাত ১৬৮৩ চনত মঞ্চলখাঁৰ অধীনত পুনৰায় এটা বিৰাট বাহিনী পঠাইছিল। স্বৰ্গদেৱ গদাধৰসিংহৰ ৰাজত্বত এই ৰণ ইটাখুলিত হয় আৰু মুচলমানগণ ভীষণভাৱে পৰাজিত হোৱাত পুনঃ মানাহ নদীয়েই আহোম ৰাজ্যৰ সীমা নিৰ্দ্ধাৰিত হয়। মুচলমানৰ লগত পুনঃ পুনঃ ঘটা যুদ্ধসমূহত আহোম ৰাজ্যৰ দ্বাৰৰক্ষী কাণ্ডাৰ বৰুৱা বংশৰ পৰাম্পৰ বংশধৰসকলৰ ভিতৰত কেইবাজনেও নিজ নিজ বীৰত্বৰ পৰিচয় দি আহোম স্বৰ্গদেৱসকলৰ সন্তোষ বিধান কৰিছিল। কেই গৰাকীমান ধৰ্ম্মপ্ৰাণ লোকে গুৰুঘৰতো সন্মান সমাদৰ লাভ কৰাত এই বংশৰ প্ৰতিপত্তি আশাতীতভাৱে বৃদ্ধি পাইছিল।

---

# তৃতীয় পৰিচ্ছেদ

কৰ্হাল বৰুৱা বংশৰ ত্ৰয়োদশ পৰ্য্যায়ৰ কৃষ্ণগতি বৰুৱা অতি ভক্তি-পৰায়ণ লোক আছিল আৰু সঘনে আউনীআটীয় সত্ৰলৈ অহাযোৱা কৰি শ্ৰীশ্ৰীপ্ৰাণহৰিদেৱ প্ৰভুৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল। তেওঁ বৰমোহন, বিভীষণ আৰু মনুৰাম তিনিওজন পুত্ৰকে ধৰ্ম্মনিষ্ঠ কৰি তুলিছিল। তেওঁলোকৰ ভিতৰত বিভীষণেই নামে-কামে মিলা লোক আছিল আৰু ধৰ্ম্মভাৱত বৰ অনুৰক্ত হৈ উঠিছিল। এই বিভীষণৰ পুত্ৰ পঞ্চদশ পুৰুষৰ কুসুম আৰু মাধৱ বৰুৱাই ৰজাঘৰ গুৰুঘৰ উভয়তে বৰ সুখ্যাতি অৰ্জ্জন কৰিছিল বুলি কথিত আছে। মাধৱ বৰুৱাৰ পাঁচজন পুত্ৰৰ ভিতৰত ভকতৰাম বৰুৱাও সকৰে পৰা নামে গুণে মিলি অতি নিষ্ঠাৱান আৰু ভক্তিপৰায়ণ আছিল বুলি জনা যায়। এই মাধৱৰাম বৰুৱাৰ একমাত্ৰ কন্যা বাশধনীক বিভুৰাম মজিন্দাৰ বৰুৱালৈ বিয়া দিয়ে আৰু তেওঁৰ গৰ্ভত যজ্ঞৰাম আৰু ভদ্ৰসেন নামে দুটি পুত্ৰৰ জন্ম হয়। যজ্ঞৰামৰ চাৰিপুত্ৰ, বাণেশ্বৰ, হৰকান্ত ৰাধাকান্ত আৰু ৰমাকান্ত। হৰকান্ত বৰুৱাৰ প্ৰথম পুত্ৰ দেৱকান্ত চৌধাৰীৰ বংশপৰিয়ালগণ এতিয়া উত্তৰ গুৱাহাটী শিলসাকোঁত বাস কৰি আছে আৰু দ্বিতীয় হেমকান্ত বৰুৱাৰ পুত্ৰ মহীকান্ত বৰুৱাৰ সন্ততিগণ নগাওঁত বাস কৰে। হৰকান্ত বৰুৱাৰ একমাত্ৰ কন্যা সেউতীক বেজদলৈ ভাণ্ডাৰী বৰুৱাৰ ঘৰৰ মনুৰাম কাকতীৰ দ্বিতীয় পুত্ৰ বেথাৰাম বৰুৱাই বিয়া কৰায়; তেওঁলোকৰ পুত্ৰ ললিতৰাম, নিধিৰাম আৰু সঙ্গীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা। ৰাধাকান্ত মুন্‌চিফৰ তিনি পুত্ৰৰ ভিতৰত দুৰ্গাকান্ত চৌধাৰী আৰু সূৰ্য্যকান্ত বৰুৱাৰ বংশধৰগণে উত্তৰ গুৱাহাটী শিলসাকোঁতে পৈতৃক ভেটিত আৰু দিহিংসত্ৰৰ জীয়াৰীৰ ফালৰ তৃতীয় পুত্ৰ চন্দ্ৰকান্ত বৰুৱাই চৰ্কাৰী চাকৰিত নগাঁৱলৈ গৈ তাতে বাসস্থান গ্ৰহণ কৰে; তেওঁৰ পুত্ৰ বিমলাকান্ত, শশীকান্ত, জয়কান্ত, কাশীকান্ত আৰু গৌৰীকান্ত বৰুৱাৰ পুত্ৰ-পৌত্ৰগণে বিভিন্ন স্থানত বাস কৰি আছে। ৰমাকান্তৰ পুত্ৰ বিষ্ণুকান্ত, মধুকান্ত, আৰু ৰতিকান্ত। মধুকান্তৰ পুত্ৰ সাৰদা-কান্ত আৰু অন্নদাকান্ত শ্বিলঙত বাস কৰে। বিভুৰাম বৰুৱাৰ দ্বিতীয় পুত্ৰ ভদ্ৰসেনৰ উমাকান্ত আৰু লক্ষ্মীকান্ত নামে দুজন পুত্ৰ আছিল।

উমাকান্তৰ পুত্ৰ পদ্মকান্ত আৰু নৰকান্ত ; লক্ষ্মীকান্তৰ পুত্ৰ তিনিজন কৃষ্ণকান্ত, গোপীকান্ত আৰু ভৰকান্ত।

কদ্‌ঢ়াল বৰুৱা বংশৰ সপ্তদশ পুৰুষ কেৰকণৰ তিনিজন পুত্ৰ আৰু দুজনী কন্যা জন্মে। প্ৰথমা কন্যাক স্বনামধন্য লম্বোদৰ বৰালৈ আৰু দ্বিতীয়া কন্যা বন্দুলীক কুজীদাঁহৰ (হাতীচোঙৰ) শশধৰ বৰাৰ পুত্ৰ মহিম বৰালৈ বিয়া দিয়া হৈছিল। কঢ়াল বৰুৱা ঘৰৰ এই সপ্তদশ পৰ্য্যায়ৰে জগন্নাথ বৰুৱাৰ কন্যাক কুজীদাঁহৰ ঘনশ্যাম বৰাই বিয়া কৰায় ; তেওঁ-লোকৰ প্ৰথমা কন্যাক ধাতুৰাম বৰা মৌজাদাৰ আৰু দ্বিতীয়া কন্যাক জাগীৰ মাধৱৰাম বৰালৈ বিয়া দিয়া হৈছিল। জন্মিজয় নবাবৰ বংশৰ সপ্তদশ পুৰুষৰ চন্দ্ৰসেন বৰুৱাৰ তিনিজন পুত্ৰ আৰু এজনী কন্যাৰ ভিতৰত কুণ্ডাই বৰুৱাই জ্যেষ্ঠ আছিল। কুণ্ডাই বৰুৱা বহুবছৰলৈ নিঃসন্তান হৈ থকাৰ কাৰণে আউনীআটীয় সত্ৰলৈ ঘনাই অহাযোৱা কৰি গোবিন্দ সেৱাত বিশেষভাৱে মনোনিবেশ কৰিছিল আৰু পুত্ৰ লাভৰ অভিলাসে আন্তৰিক ভক্তি সহকাৰে সত্ৰাধিকাৰ শ্ৰীশ্ৰীকুশদেৱ ঈশ্বৰ পুৰুষৰ আশীৰ্ব্বাদ প্ৰাৰ্থী হৈছিল। এই গৰাকী সত্ৰাধিকাৰ প্ৰভুৰ আশীৰ্ব্বাদতে বেজদলৈ ঘৰৰ মনুৰাম কাকতীয়ে আঠোটি পুত্ৰ লাভ কৰিছিল। কুণ্ডাই বৰুৱাৰ পত্নীয়েও এইদৰে গৰ্ভধাৰণ কৰা অনুমান হোৱাত, গৰ্ভস্থ সন্তান পুত্ৰ হলে, তেওঁ সেই প্ৰথম পুত্ৰক গুৰু-ভক্তিৰ নিদৰ্শন স্বৰূপে আউনীআটীয় গোবিন্দ-ধামত সমৰ্পণ কৰিবলৈ মানস কৰিছিল। দৰাচলতে এটি পুত্ৰৰ জন্ম হল আৰু পুৰ্ব্বৰ সংকল্প অনুযায়ী সেই পুত্ৰ শ্ৰীধৰবৰুৱাক কোমল বয়সতে সত্ৰ ধৰ্ম্মাধিকাৰ শ্ৰীশ্ৰীকুশদেৱ গোস্বামীৰ চৰণত তেওঁ সমৰ্পণ কৰিছিল ; কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁৰ আৰু আন সন্তান নজন্মিল।

শ্ৰীধৰবৰুৱাই শৈশৱ কালৰেপৰা অতি তীক্ষ্ণ বুদ্ধিৰ পৰিচয় দি প্ৰভু ঈশ্বৰৰ অত্যন্ত প্ৰিয়পাত্ৰ হৈ উঠিছিল। তেওঁ সত্ৰতে বৈষ্ণৱ স্বৰূপে আজীৱন কটাবলৈ স্থিৰ কৰি নানা প্ৰকাৰ সত্ৰীয়া বিদ্যা চৰ্চ্চা কৰিব ধৰিলে। কথাতে কয় "যি মূলা বাঢ়িব তাৰ দুপাততে চিন ;" তেওঁৰ অন্তৰৰ সাংস্কৃতিক অনুভূতিসমূহৰ প্ৰাৱল্যই তেওঁক কৰ্ত্তব্য পথৰ সন্ধান দিছিল আৰু অলপ কালৰ ভিতৰতে তেওঁ একাধাৰে অভিনেতা, গায়ক, বাদক, ৰচক, নায়ক, শিল্পী আৰু প্ৰকৃততে সাধক স্বৰূপে এজন মুখ্যতম আদৰ্শ পুৰুষ হৈ উঠিছিল। তেওঁৰ ঐকান্তিক আগ্ৰহ আৰু উৎসাহতে পৰৱৰ্ত্তী সত্ৰাধিকাৰ পুজ্যপাদ শ্ৰীশ্ৰীদত্তদেৱ ঈশ্বৰ পুৰুষে "ধৰ্ম্ম প্ৰকাশ যন্ত্ৰ" নাম দি ১৮৭০ চনত সত্ৰত এটা ছপাখানা স্থাপন কৰিছিল ; আৰু এই ছপাশালৰ সমস্ত কাৰ্য্য তেওঁৰ তত্বাৱধানতে পৰিচালিত হৈছিল। ১৮৭১ চনৰ পৰা

বৰুৱাদেৱৰ অহোপুৰুষাৰ্থতে "আসাম বিলাসিনী" নামে এখন সপ্তাহিক বাতৰি কাকত বাৰ বছৰৰো অধিক কাল এই সত্ৰৰপৰা প্ৰকাশ কৰা হৈছিল। ইয়াৰ প্ৰবন্ধ-পাতি লিখা আৰু সংগ্ৰহ কৰা দায়িত্ব ঘাইকৈ তেওঁৰ ওপৰতে ন্যস্ত আছিল। অসমত প্ৰকাশ হোৱা বাতৰি কাকতৰ ভিতৰত এইখন দ্বিতীয় আছিল। প্ৰথম খনৰ নাম আছিল "অৰুনোদয়" আৰু তাক ১৮৪৬ চনৰ পৰা প্ৰকাশ কৰিছিল খৃষ্টান ধৰ্ম্মপ্ৰচাৰক কেইজনমান মিচনাৰী চাহাবে। সেইখন বন্ধ হোৱাৰ পিচত বৰুৱাদেৱে শ্ৰীশ্ৰীদত্তদেৱ ঈশ্বৰ পুৰুষৰ পৃষ্ঠ-পোষকতাত আসাম বিলাসিনী প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। সেই কালত বাতৰি কাকতৰ মোল বুজা লোক তেনেই কম আছিল। ইংৰাজ ৰাজত্বকালৰ ১৮৩৭ চনৰ পৰা ১৮৭৩ চনলৈ অসমত বঙালী ভাষা প্ৰচলন কৰাত অসমীয়া ভাষাৰ অস্তিত্ব লোপ হোৱাৰ উপক্ৰম হৈছিল। সেই কাৰণে এই সন্ধিক্ষণত অসমীয়া ভাষাৰ স্বকীয়া বৈশিষ্ট্য ৰক্ষা কৰাৰ অত্যন্ত প্ৰয়োজন হৈ উঠিছিল। এনে অৱস্থাত অসমবাসীৰ কণ্ঠস্বৰ নিৰৱচ্ছিন্নভাৱে ডাঙি ধৰি অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা আৰু শক্তি সমাবেশত এই কাকতখনে এযুগৰো অধিক কাল বিৰাট অৱদান যোগাইছিল।

শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী আৰু মহামহোপধ্যায় ধীৰেশ্বৰাচাৰ্য্যৰ মিলনৰ লগতে আসাম বিলাসিনী সম্বন্ধে শ্ৰীকামাখ্যাচৰণ ভট্টাচাৰ্য্যৰ সম্পাদিত এখন পুথিত উল্লেখ কৰিছে "আজি আসাম বিলাসিনী নাই। নাই আমাৰ অসমৰ সংস্কৃত সাহিত্যাকাশৰ সমুজ্জ্বল নক্ষত্ৰযুগল ; কিন্তু আছে তেওঁলোকৰ যুগমীয়া কীৰ্ত্তি।" শ্ৰীধৰবৰুৱাই দেশাত্মবোধৰ তাৰণাত আৰু শ্ৰীশ্ৰীদত্তদেৱ ঈশ্বৰপুৰুষৰ উৎসাহ উদ্দিপনাত "আসাম তৰা" নামে আকৌ এখন বাতৰি কাকত সত্ৰৰ পৰাই কিছুকাললৈ অশেষ যত্নেৰে চলাই অসমীয়া ভাষাৰ প্ৰাণ প্ৰতিষ্ঠা কৰি ৰখাত তৎপৰ হৈছিল।

যিহেতু শ্ৰীধৰবৰুৱা সত্ৰীয়া নাম প্ৰসঙৰে পৰা আৰম্ভ কৰি ধৰ্ম্ম, কলাকৃষ্টি, সাহিত্য, সংবাদ সেৱা প্ৰভৃতি সকলো ক্ষেত্ৰতে অত্যন্ত পাৰ্গত আছিল, সেই কাৰণে সত্ৰাধিকাৰ প্ৰভুৱে তেওঁক 'ওজা' উপাধি প্ৰদান কৰিছিল (ওজা মানে সকলো বিদ্যাতে ওস্তাদ অৰ্থাৎ পাকৈত)। প্ৰকৃততে সেই কালত আউনীআটীয় সত্ৰস্থিত প্ৰায় সাত শ বৈষ্ণৱৰ ভিতৰত একেজন লোকেই হাতে, মুখে, নাচে সৰ্ব্বপ্ৰকাৰ সামঞ্জস্য ৰাখি ওস্তাদি কৰোতা তেওঁৰ সমকক্ষ প্ৰবীণ আৰু কাৰ্য্যক্ষম লোক কোনো নাছিল। তেওঁৰ স্বভাৱসিদ্ধ গুণাৱলী আৰু কৰ্ম্মকুশলতায়ে তেওঁৰ মূল্য নিৰূপণ কৰিছিল ; সেই কাৰণে মাজুলীৰ অন্যান্য সত্ৰতো তেওঁৰ পাৰদৰ্শীতাৰ সুখ্যাতি ফাটি-ফুটি গৈছিল। তেওঁ সংস্কৃত ভাষাত ৰচনা কৰা "হৰি সংকীৰ্ত্তনম্" নামে

এখন পুথি সত্ৰৰ ধৰ্ম্ম প্ৰকাশ যন্ত্ৰতে ছপা কৰি উলিয়াইছিল। তেওঁ লিখা আৰু ভালেমান পদ, পুথি, গীত, নাট আদি সত্ৰ ভঁৰালত অদ্যাপিও গচ্ছিত আছে আৰু তেওঁৰ সুনাম সুখ্যাতি আজিও মাজুলীৰ প্ৰায় সকলো সত্ৰৰ ভকত বৈষ্ণৱৰ মুখে মুখে শুনা যায়।


পূজ্যপাদ শ্ৰীশ্ৰীযুক্ত বিষ্ণুচন্দ্ৰদেৱ আউনীআটীয় ডেকাগোস্বামী প্ৰভুৰ পৰা পোৱা হৈছে—"সত্ৰীয়া বিষয়ববীয়া স্বৰূপে প্ৰথমে শ্ৰীধৰ বৰুৱাই ওজা বাব লৈ বৈকুণ্ঠগামী শ্ৰীশ্ৰীদত্তদেৱ ঈশ্বৰপুৰুষৰ পৃষ্ঠ-পোষকতাত ওজা খেলখনৰ উন্নতি সাধন কৰি মৃতপ্ৰায় অৱস্থাৰ পৰা কেৱল সঞ্জীবিত নহয়, তাক সৰ্ব্বাঙ্গিন কৰি তোলে। পিচত তেওঁ ক্ৰমান্বয়ে অন্যান্য নানা বিষয়ৰ চৰ্চ্চা আৰম্ভ কৰি সৰ্ব্বগুণাকৰ হৈ উঠে। সংস্কৃত ভাষাত লিখা হৰি সংকীৰ্ত্তনম্‌খনৰ উপৰিও তেওঁ সকলো প্ৰকাৰৰ সুৰ সমাবেশ আৰু সঙ্গত কৰি "ঋতুবিহাৰ" নামে পদ্য ছন্দত লিখা পুথি এখনো ধৰ্ম্মপ্ৰকাশ যন্ত্ৰত ছপা কৰি উলিয়াইছিল। আৰু এটি কথা বিশেষ ভাৱে উল্লেখযোগ্য যে তেওঁ বঙ্গভাষাৰ গ্ৰাসৰ পৰা মুক্ত ৰখাৰ মানসে প্ৰথমে অসমীয়া গীত মাত নাটক আদি ৰচনা কৰাত পাৰ্য্য শক্তি প্ৰয়োগ কৰি সেই ক্ষেত্ৰত তেওঁ সত্ৰৰ সবহুৱা ওজা আৰু গায়নবায়নৰ খেলসমূহক যথেষ্ট অৱদান দি গৈছে; তাৰ ভিতৰত "গোপাল বৈৰাগ্য" নামৰ গীতপালা এনে প্ৰাঞ্জল আৰু নিখুঁত ভাষাত ৰচনা কৰিছিল যে তাক বঙ্গভাষাই আবৃত কৰি ৰখা কালছোৱাত লিপিবদ্ধ হোৱা বুলি ভাবিবই নোৱাৰি। তেওঁৰ দ্বাৰা ৰচিত অধিক সংখ্যক গীতৰ সুৰ মৌলিক আৰু অন্যান্য সুৰতকৈ পৃথক; তেওঁ নিজ চৰ্চ্চা আৰু চিন্তাৰে এনেভাৱে সেইবোৰৰ তালমান সুৰ বান্ধিছিল যে শুনিলে বৰগীতৰ সমশ্ৰেণীৰ যেন অনুমান হয়।" মুঠতে এই কলাগুৰু গৰাকী একাধাৰে অভিনেতা, সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ, সুৰস্ৰষ্টা, কণ্ঠশিল্পী, নৃত্যশিল্পী, বাদ্যশিল্পী আৰু চিত্ৰশিল্পী আছিল।

ইং ১৮২১ চনৰ পৰা ১৮২৫ চনলৈ মানৰ অমানুষিক অত্যাচাৰৰ কালত কঢ়াল বৰুৱা বংশৰ সপ্তদশ পুৰুষৰ বংশধৰ লুহাই বৰুৱাই ঘৰবাৰী ত্যাগ কৰি হাবি-বননিৰ মাজত বহুদিন অনাই-বনাই ফুৰিছিল। সেই সময়ত তেওঁৰ পৰিণীতা পত্নীৰ এটি পুত্ৰ সন্তান জন্মে। হাবিৰ মাজত জন্ম লাভ কৰা হেতুকে তেওঁ পুতেকৰ নাম থৈছিল হাবিৰাম। এই হাবিৰাম বৰুৱাই ইংৰাজৰ আমোলত গুৱাহাটীত চিৰষ্টাদাৰৰ কাম কৰিছিল। তেওঁৰ প্ৰথমা ভাৰ্য্যাৰ গৰ্ভত তিনিজন পুত্ৰ আৰু তিনিজনী কন্যা জন্মিছিল। তেওঁৰ দ্বিতীয়া ভাৰ্য্যা আছিল বেজদলৈ ভণ্ডাৰী বৰুৱাৰ ঘৰৰ বেথাৰাম বৰুৱাৰ কন্যা চন্দ্ৰবালা। চন্দ্ৰবালাৰ পুত্ৰ সন্তান নাছিল;

এওঁ সঙ্গীতাচাৰ্য্য লক্ষীৰাম বৰুৱাৰ বায়েক আছিল।

হাবিৰাম বৰুৱাৰ জ্যেষ্ঠপুত্ৰ দেৱনাথ বৰুৱাক ঘৰতে পণ্ডিত ৰাখি সংস্কৃত বিদ্যাত পাৰ্গত কৰি তোলে আৰু তেওঁ এজন অসাধাৰণ বুদ্ধিসম্পন্ন লোক হৈ উঠে। জ্যোতিষ শাস্ত্ৰত তেওঁৰ বিশেষভাৱে বুৎপত্তি জন্মিছিল আৰু শৈশৱ কালৰে পৰা বৰ ধৰ্ম্মপিপাসু হৈ উঠিছিল। তেওঁ নগাঁও টাউনৰ পৰা সাত মাইল দূৰত তপতজুৰী নামে এখন চাহ বাগিছা খুলি, গোমোঠা গাঁৱৰ পৰা সেই বাগানলৈ চাৰি মাইলৰো অধিক এটা ৰাস্তা নিজ খৰচত নিয়াৰিকৈ বন্ধাই লৈছিল। সেই কালত পুৰণিগুদাম আৰু ব্ৰহ্মপুৰ অঞ্চলত হাবিৰাম বৰুৱা বৰ চাহাব আৰু দেৱনাথ বৰুৱা ছোট চাহাব নামে প্ৰখ্যাত হৈ উঠিছিল। তপতজুৰীৰ ওচৰতে তেওঁ বামুণী নামে আৰু এখন বাগিছা খুলিছিল আৰু বৰহমপুৰতো ৫১ একৰৰ (প্ৰায় ১৫৫ বিঘাৰ) এটা সৰু গ্ৰাণ্ট লৈছিল। এই গ্ৰাণ্টটো তেওঁৰ সখা পুৰণিগুদামৰ ৰহমত বাবুক প্ৰীতি-উপহাৰ স্বৰূপে দান কৰিছিল। অসমত এই অঞ্চলৰ তেৰেঁই প্ৰথম অসমীয়া চাহ খেতিয়ক। তেওঁ এসময়ত এনে আঢ্যৱন্ত হৈ উঠিছিল যে তেওঁৰ পতুলি মুখত কিছুকাললৈ নিতৌ এশ হাতী বান্ধিছিল আৰু তাৰ ভিতৰত এজনী বগা হাতীও আছিল। ইংৰাজৰ আমোলত তেওঁ বহুকাল অনাৰেৰী মেজিষ্ট্ৰেটৰ পদতো অধিষ্ঠিত আছিল। তেওঁ ইমান স্বাধীনচিতীয়া আছিল যে এবাৰ এজন শাসক জাতীয় বাগিছাৰ মেনেজাৰ চাহাব তেওঁৰ বঙলাৰ আগেৰে ঘোৰা-বাগীত উঠি যোৱাত ধৰাই নি জব্দ কৰি ৰাখিছিল; পিচত জিলাৰ উপায়ুক্ত চাহাবৰ অনুৰোধতহে অব্যাহতি পাইছিল।

দেৱনাথ বৰুৱা এজন প্ৰখ্যাত চিকাৰী আছিল আৰু ঘোৰা দৌৰোৱাত তেওঁ অত্যন্ত পাকৈত আছিল। যদিও তেওঁ একালত এশৰো অধিক হাতীৰ মালিক আছিল, তথাপি তেওঁ হাতীত উঠিব ভাল নাপাইছিল; কিন্তু সদায় গধূলি সময়ত হাতী মেলাই সিহঁতৰ ৰংধেমালি চাই পদব্ৰজে ফুৰিহে আমোদ পাইছিল। তেওঁ বৰ দানী আৰু সত্যনিষ্ঠ পুৰুষ আছিল আৰু আজিকোপতি নগাঁও জিলাত তেওঁৰ গুণ-গৰিমা গোৱা অনেক লোক পোৱা যায়। তেওঁৰ খুমলীয়া ভায়েক মাণিকচন্দ্ৰ বৰুৱাৰ কাৰবাৰত বিস্তৰ ক্ষতি হোৱাত, তপতজুৰী বাগিছাখন আধামূলীয়াকৈ কিং হেমিণ্টন কোম্পানীক বিক্ৰি কৰিবলগীয়া হয়। পিচত আকৌ মাৰোৱাৰীৰ দেনাত পৰি বামুণী বাগিছাখনো কম মূল্যতে বিক্ৰি কৰে। সেই বাগিছাখন বৰ্ত্তমান নগাঁৱৰ কুতুবুদ্দিন চাহাবৰ বংশধৰগণৰ হাতত আছে। এই দৰে সৰ্ব্বশ্বান্ত হৈও তেওঁ ধৈৰ্য্য আৰু শান্তিৰ প্ৰতিমূৰ্ত্তি স্বৰূপে নিস্কম্প প্ৰদীপৰ দৰে জীৱনৰ



শ্ৰীপূৰ্ণ চন্দ্ৰ বৰুৱা,
অতিৰিক্ত ন্যায়াধীশ, উচ্চ ন্যায়ালয়, কলিকতা
( Additional Judge, Calcutta High Court )

বাকীছোৱা কাল কটাইছিল।

হাবিৰাম বৰুৱাৰ দ্বিতীয় পুত্ৰ ফটিকচন্দ্ৰ বৰুৱা, ই, এ, চি এজন অতি সুখ্যাতিসম্পন্ন, জ্ঞান পিপাসু আৰু কৰ্ম্মপটু লোক আছিল। তেওঁ প্ৰকৃততে ফটিক বৰণৰ অতি সুশ্ৰী লোক আছিল কাৰণে তেওঁ ফটিক চাহাব নামে জনাজাত আছিল। তেওঁ অসমৰ দেৱোত্তৰ, ধৰ্ম্মোত্তৰ, আৰু ব্ৰহ্মোত্তৰ জমিবোৰ প্ৰথমবাৰৰ কাৰণে জৰীপ কৰি সুনাম অৰ্জ্জন কৰে আৰু অদ্যাবধি অসমৰ ইমূৰৰপৰা সিমূৰলৈ ফটিক চাহাবৰ পিয়লৰ নাম প্ৰাচীন লোকসকলৰ মুখে মুখে শুনা যায়; কিন্তু এই গৰাকী সুদক্ষ কৰ্ম্মচাৰী আৰু সৰবৰহী লোক অপৰিপক্ক বয়সতে ১৮৮৬ চনৰ ২০ জুনত বৰপেটাত পৰলোক প্ৰাপ্ত হয়। তেওঁ কৰ্ত্তব্য জ্ঞানৰ প্ৰতিভাৰে সুউচ্চ বিষয়বাব পাইছিল যদিও তেওঁৰ প্ৰধান গুণ আছিল কমনীয়তা। যিসকল প্ৰকৃততে মহৎ সিসকলৰ অন্তৰত ভিনপৰ নাথাকে। তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰখাৰ অৰ্থে গুৱাহাটী মহানগৰত এটা ঘাই ৰাষ্টা তেওঁৰ নামত নামাকৰণ কৰা হৈছে। তেওঁৰ পদুম, ভোলানাথ, তৰুণচন্দ্ৰ, ভাৰত আৰু চাৰুচন্দ্ৰ নামে পাঁচজন পুত্ৰ আছিল। পদুম বৰুৱাৰ পুত্ৰ অৰুণচন্দ্ৰ বৰুৱাই গুৱাহাটীৰ শিলপুখুৰীত বাস কৰিছিল, তেওঁৰ পৰিণীতা পত্নীৰ নাম পদ্মলতা বৰুৱা। মাজুজন তৰুণচন্দ্ৰ বৰুৱাই মজিন্দাৰ বৰুৱা বংশৰ উত্তৰ গুৱাহাটী নিবাসী কৃষ্ণকান্ত বৰুৱাৰ জেষ্ঠ্য কন্যাক বিবাহ কৰায়। তেওঁ খৰঙী বৰুৱা বংশৰ অসমীয়া সাউদ বি. বৰুৱাৰ (ভোলানাথ বৰুৱাৰ) লগত সহযোগী হৈ এক প্ৰকাৰ পুত্ৰ স্বৰূপে বহুকাল কলিকতা মহানগৰীত বাস কৰি অতি আঢ্যৱন্ত হৈ উঠিছিল। তেওঁৰ সহধৰ্ম্মিনীৰ গৰ্ভত এটি পুত্ৰ আৰু দুজনী কন্যা জন্ম গ্ৰহণ কৰে। কন্যা দুয়োগৰাকীকে বিবাহ দিয়া হৈ গৈছে আৰু পুত্ৰ শ্ৰীপুৰ্ণচন্দ্ৰ বৰুৱাই তামুলীদলৈ ঘৰৰ শ্বিলং নিবাসী স্বৰ্গীয় ভৈৰৱচন্দ্ৰ বৰুৱাৰ কন্যা বন্দনাক বিবাহ কৰাইছে। তেওঁ আইন ব্যৱসায়ী ৰূপে কলিকতা মহানগৰীতে জীৱিকা নিৰ্ব্বাহ কৰি আছে। তৰুণচন্দ্ৰ বৰুৱাৰ পুত্ৰ পৰিবাৰে তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবলৈ উত্তৰ গুৱাহাটী শিলসাকোঁত "তৰুণচন্দ্ৰ বৰুৱা শিশুবিদ্যালয়" নামে স্কুল এখনৰ ঘৰ-দুৱাৰ নিৰ্ম্মাণ কৰাই দিছে। উল্লিখিত শ্ৰীপুৰ্ণচন্দ্ৰ বৰুৱা স্বৰ্গীয় তৰুণচন্দ্ৰ বৰুৱাৰ একমাত্ৰ পুত্ৰ আৰু ফটিকচন্দ্ৰ বৰুৱাৰ (ফটিক চাহাবৰ) নাতিয়েক। এড্‌ভোকেট স্বৰূপে তেওঁৰ ব্যৱসায়ত দক্ষতা আৰু সুনাম আজি তেওঁ অলপতে কলিকতা হাইকোৰ্টত অতিৰিক্ত ন্যায়াধীশ হিচাবে নিযুক্তি পাইছে। কলিকতা হাইকোৰ্টত অধিষ্ঠিত হোৱা এওঁৱেঁই একমাত্ৰ অসমীয়া ন্যায়াধীশ।

# চতুৰ্থ পৰিচ্ছেদ

হাবিৰাম বৰুৱাৰ তৃতীয় পুত্ৰ অনাৰেবল মাণিকচন্দ্ৰ বৰুৱা অসমৰ এজন অতি সুপ্ৰসিদ্ধ আৰু সৰ্ব্বজনপ্ৰিয় লোক আছিল। ১৮২৬ চনত ইয়ান্দাবু সন্ধি সুত্ৰে অসমদেশ ইংৰাজৰ শাসনাধীনলৈ যোৱাত ইয়াক প্ৰথম অৱস্থাত বঙ্গদেশৰ লগত চামিল কৰি ৰাখিছিল। আমাৰ ৰাজ্যখনৰ বিভিন্ন স্থানত লিখা আৰু কোৱা ভাষাৰ প্ৰভেদ থকাৰ সুযোগ লৈয়ে ইংৰাজগণৰ লগত অহা বঙালীসকলে অসমীয়া ভাষাটো বঙালী ভাষাৰে অপভ্ৰংশ বুলি বুজাই ইয়াৰ স্কুল অফিচ আদিত বঙালী ভাষা চলাইছিল। সেই কাৰণে ১৮৭৩ চনলৈ ভাষা সমস্যা লৈ অসমীয়া লোকৰ মাজত এটা ভীষণ অৱস্থাৰ সৃষ্টি হৈছিল। সেই বিষম বাতাৱৰণৰ সমস্যা সুসমাধান কৰি তুলিছিল দেশমাতৃকাৰ সুপুত্ৰ আনন্দৰাম ঢেঁকীয়াল ফুকনৰ নেতৃত্বত দেশাত্মাবোধৰ প্ৰেৰণাত অনুপ্ৰাণিত হোৱা কেইজনমান গণ্য-মান্য লোকে। তেওঁলোকে Assam Literary Society নামে এখন সমিতি গঠন কৰিছিল আৰু সেই সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে গঙ্গাগোবিন্দ ফুকন আৰু কৃপানাথ শৰ্ম্মাফুকন। আমাৰ মাণিকচন্দ্ৰ বৰুৱাও অসমী আইৰ সেই মুষ্টিমেয় সুসন্তানসকলৰ এজন আছিল। এ, এম্ ফিলিপ্‌চ্ প্ৰভৃতি কেইজনমান অসমীয়া ভাষাৰ স্বকীয়া বৈশিষ্টৰ সমৰ্থনকাৰী ইংৰাজৰ সহযোগত ১৮৭২ চনত ফুকন ডাঙৰীয়াই অসমীয়া ভাষা যে বঙালী ভাষাৰ পৰা সম্পুৰ্ণ পৃথক তাক অকাট্য যুক্তিৰে নিখুতভাৱে প্ৰতিপন্ন কৰিছিল। এই আন্দোলন শাসক আৰু শাসিত উভয় পক্ষৰ মাজত শান্তিপূৰ্ণ সহযোগীতামূলক হিচাবে চলোৱা হৈছিল আৰু সেই কালৰ গৱৰ্ণৰ চাৰ জৰ্জ্জ কেম্বেল চাহাবে বঙালীসকলৰ সকলো যুক্তি দলিয়াই পেলাই ১৮৭৩ চনৰ পৰা অসমৰ স্কুলসমূহত অসমীয়া শিক্ষা দিয়াৰ আদেশ দিছিল। আমাৰ অসমীয়া ভাষা যে কেৱল স্বকীয়া এনে নহয়, বৰং ই অতি প্ৰাচীন আৰু চহকী বুলি চাৰ আশুতোষ মুখাৰ্জী, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, আচাৰ্য্য চাৰ প্ৰফুল্লচন্দ্ৰ ৰায় প্ৰমুখ্যে বঙ্গদেশৰ সুপ্ৰসিদ্ধ লোক আৰু ভাষাবিদসকলে পিচৰ যুগত একাধিকবাৰ মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে।



অনাৰেবল্ মাণিক চন্দ্ৰ বৰুৱা

ভাষা সমস্যা সমাধানত আমাৰ নেতৃবৃন্দই এনে আলোড়ণ সৃষ্টি কৰিছিল যে সেই সময়ৰ সম্রাট প্ৰতিনিধি লৰ্ড নৰ্থব্ৰুকে ১৮৭৪ চনত অসমক বঙ্গৰপৰা আঁতৰাই আনি এখন স্বকীয়া প্ৰদেশত পৰিণত কৰিবলগীয়া হৈছিল। তেতিয়া তেওঁ এই নতুন প্ৰদেশখন চাবলৈকো আহিছিল। তেওঁৰ সম্বৰ্দ্ধনাৰ অৰ্থে মাণিকচন্দ্ৰ বৰুৱাই অন্যান্য স্বনামধন্য লোকসকলৰ সহযোগত গুৱাহাটী নগৰত যিটো তোৰণ নিৰ্ম্মাণ কৰাইছিল সেই "নৰ্থব্ৰুক গেট" (শুক্লেশ্বৰ গেট) আজিও এই মহানগৰৰ এটা শোভা বৰ্দ্ধনকাৰী স্মৃতিচিহ্ন স্বৰূপে দণ্ডায়মান হৈ আছে।

ৰায় বাহাদুৰ জগন্নাথ বৰুৱাৰ জীৱনী শীৰ্ষক প্ৰবন্ধৰ আৰম্ভণিতে উল্লেখ কৰিছে "১৭৭৩ শকত অসম আকাশত দুটি যুটীয়া তৰা উদয় হয়; এটি ৰায় জগন্নাথ বৰুৱা বাহাদুৰ আৰু ইটি অনাৰেবল শ্ৰীযুত মাণিকচন্দ্ৰ বৰুৱা। একে বছৰতে দুয়োৰো জন্ম ; আৰু সৰুৰেপৰা দুয়ো একেলগে ডাঙৰ হৈ, একে থোপাতে দুটি ফুল কলি ফুলি থকাৰদৰে আছিল।" আন এঠাইত আছে —"আমাৰ বি, এ, জগন্নাথে তেওঁৰ বন্ধু মাণিকচন্দ্ৰ বৰুৱাৰে সৈতে গোট খাই ১৮৭২ চনত অসম দেশৰ হৈ সাৰুৱা অভিনন্দন পত্ৰ এখন সুন্দৰ ইংৰাজীত লিখি নৰ্থব্ৰুক চাহাবক দিছিল। এওঁবিলাকৰ লগতে এই কাৰ্য্যত ৰাধিকাৰাম ঢেঁকীয়াল ফুকনো আছিল। নৰ্থব্ৰুক চাহাবে বৰ সন্তুষ্ট হৈ এই অভিনন্দন পত্ৰ গ্ৰহণ কৰিলে।......লৰ্ড নৰ্থব্ৰুকে নিজে অসমলৈ আহি আমাৰ অৱস্থা চাই সেই অভিনন্দন পত্ৰত লিখা সকলো আপত্তিৰ সুব্যৱস্থা কৰিলে।" অসমীয়া সাহিত্য সংগ্ৰহৰ টোকা এটাতো আছে "আসাম আকাশত দুটি তৰাই পোহৰ দিছিল ; তেওঁলোকৰ এজন ৺মাণিকচন্দ্ৰ বৰুৱা আৰু আনজন ৺জগন্নাথ বৰুৱা। এজনৰ নাম কলেই ইজনৰ নাম আপোনাআপুনি মনলৈ আহে।" প্ৰকৃততে এই দুই গৰাকী মহাত্মাৰ যত্নতে অসমীয়া ৰাইজৰ অন্তৰত পুহি ৰখা সপোন দিঠকত পৰিণত হল।

পৰাধীন অৱস্থাত শিক্ষা আৰু শিল্পৰ ক্ষেত্ৰত আমাৰ মানুহক নিশকতীয়া কৰি ৰখাৰ আৱশ্যকতা বিদেশী শাসকবৰ্গই ভালকৈ উপলব্ধি কৰিছিল ; সেই কাৰণে শৌৰ্য্যে বীৰ্য্যে একালত প্ৰখ্যাত এই অসমৰ খিলঞ্জীয়া শিক্ষা, সংস্কৃতি আৰু ঐক্যতাৰ মূৰত কুঠাৰাঘাত কৰি ইংৰাজে ইয়াত কিছুমান নতুন ব্যৱস্থা কৰিছিল, যিবিলাকৰ ফলত প্ৰজাবৰ্গ দ্ৰুত গতিত উন্নত হৈ উঠিব নোৱাৰিছিল। সেই কালত ৰাজনৈতিক পৰিস্থিতিৰ লগতে ভৌগোলিক ব্যৱধানসমূহো উন্নতি পথৰ অন্তৰায় আছিল। ১৮৭০-৭২ চনৰ পৰাই অসমৰ জাতীয় আন্দোলনৰ বীজ সিচাঁ হয় আৰু কিছুকাল পিচত এই

ম্রিয়মান অসমীয়া ৰাইজক সঙ্ঘবদ্ধ কৰি তুলিবলৈ "অসম এচচিয়েচন" নামে এটি বিৰাট অনুষ্ঠান সংগঠিত হৈছিল ; জাতিটোক অচেতন অৱস্থাৰ পৰা পুনঃ সঞ্জীৱিত কৰি তুলিবলৈ যিভাৱে সংগঠনমূলক কাৰ্য্যবোৰ তীব্ৰতৰ কৰিবলগীয়া হৈছিল তাক গঢ় দিওঁতা আৰু শক্তিশালী কৰোতা ব্যক্তিসকলৰ ভিতৰত মাণিকচন্দ্ৰ বৰুৱা এজন মুখ্যলোক আছিল। ইয়াৰ সম্প্ৰসাৰণৰ যোগেৰে দেশত জাতীয় ঐক্যবোধৰ আৰু অগ্ৰগতিৰ বীজ পুনঃ ৰুপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰা হৈছিল।

শিক্ষাৰ সুব্যৱস্থাৰ ওপৰতে দেশৰ ভবিষ্যত উন্নতি বিশেষকৈ নিৰ্ভৰ কৰে ; সেই কাৰণে মাণিকচন্দ্ৰ বৰুৱাই শিক্ষানুষ্ঠান গঢ়াত অধিক মনোনিবেশ কৰিছিল। নিজৰ আৰ্থিক অৱস্থা সচ্চল নোহোৱা স্বত্বেও শিক্ষা বিস্তাৰ আদি অন্যান্য ভালেমান জনহিতকৰ কাৰ্য্যত তেওঁ গা ঢালি দিছিল। গুৱাহাটী পৌৰসভাৰ চেয়াৰমেন আৰু লোকেলবৰ্ডৰ ভাইচ্ চেয়াৰমেন স্বৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰি চহৰ আৰু গাঁৱৰ নানা স্থানত অনেক বিদ্যালয় স্থাপন কৰাৰ লগতে ৰাষ্টা, ঘাট, পুখুৰী আৰু চিকিৎসালয় প্ৰভৃতি নিৰ্ম্মাণ কাৰ্য্যতো তৎপৰ হৈছিল। এই বৰুৱাদেৱ প্ৰমুখ্যে তেওঁৰ সহকৰ্ম্মী কেইজনমান বিশিষ্ট লোকৰ অহোপুৰুষাৰ্থত ১৯০১ চনত উচ্চ শিক্ষাৰ অৰ্থে অসমত সেই কালৰ চিফ্ কমিচনাৰ চাৰ হেনৰী কটন চাহাবৰ পৃষ্ঠপোষকতাত "কটন কলেজ" স্থাপিত হয়। এইখনেই অসমত প্ৰতিষ্ঠিত প্ৰথম কলেজ। ইয়াৰ ৬০ বছৰ পূৰ্ণ হোৱাত হীৰক জয়ন্তী উৎসৱ উপলক্ষে আচাম ট্ৰিবিউনত যি প্ৰবন্ধ লিপিবদ্ধ হৈছিল তাত তেওঁৰ সম্পৰ্কে উল্লেখ কৰিছে "The late Sri Manik Chandra Barooah, one of the pioneers in the cause of education in Assam and a sponsor of Cotton College.." গুৱাহাটী আৰ্ল ল কলেজ সংস্থাপন কৰাৰ গুৰিতেও বৰুৱাদেৱৰ যত্ন আশাশুধীয়া আছিল। আগতে কলিকতালৈ নগলে বিশেষ ধৰণৰ উচ্চ শিক্ষা লাভ কৰা ব্যৱস্থা কটন কলেজত হৈ উঠা নাছিল। সেই কাৰণে কলিকতালৈ যাতায়তৰ সুবিধাৰ্থে "ইষ্টাৰ্ণ বেঙ্গল এণ্ড আচাম" নামে এটা ৰেলআলি নিৰ্ম্মাণ কৰাই গুৱাহাটী তথা অসমৰ লগত সংযোগ কৰাত মাণিকচন্দ্ৰ বৰুৱা উঠিপৰি লাগিছিল আৰু পাৰ্ব্বতীপুৰৰ পৰা (এতিয়া পুব পাকিস্থানত) গুৱাহাটীলৈ সেই পথ সুগম কৰাত কৃতকাৰ্য্যও হৈছিল। আগতে ১৯০৮-৯ চনলৈ জাহাজেৰেহে কলিকতালৈ যাব লাগিছিল আৰু তেতিয়া ব্যয় বাহুল্যৰ কাৰণে ধনৰ অপব্যয়ৰ লগতে সময়ৰো অত্যাধিক অপচয় ঘটিছিল।

সম্ৰাট প্ৰতিনিধি লৰ্ড কাৰ্জ্জন অসমলৈ আহোঁতেও তেওঁৰ অভ্যৰ্থনাৰ

অৰ্থে কৰা আয়োজনৰ সৰ্ব্বপ্ৰকাৰ তত্বাৱধান কৰিছিল মাণিকচন্দ্ৰ বৰুৱায়ে ; আৰু সেই উপলক্ষে তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবলৈ গুৱাহাটীত তেওঁক সম্বৰ্দ্ধনা জনোৱাৰ অৰ্থে নিৰ্ম্মাণ কৰা ঘৰটোৰ নাম কাৰ্জ্জেন হল দি তাত এটা পাঠাগাৰ স্থাপন কৰা হৈছিল। তেওঁৰ এটা বাষ্টৌ (Bust) অৰ্থাৎ ওপৰছোৱাৰ প্ৰতিমূৰ্ত্তিও তৈয়াৰ কৰাই তাত ৰখা হৈছিল। এই ঘৰটো বৰ্ত্তমান কটন কলেজ লাইব্ৰেৰীত পৰিণত কৰা হৈছে আৰু সেই নামে স্থানান্তৰত নতুন ঘৰ এটা সজা হৈছিল যদিও তাৰ নাম পিচত পৰিবৰ্ত্তন কৰি নবীন বৰদলৈ হল আৰু লাইব্ৰেৰী দিয়া হৈছে। চাৰ আৰ্চডেল আৰ্ল চিফ কমিচনাৰৰ দিনত ১৯১২ চনৰ পৰা অসমত ব্যৱস্থাপক সভালৈ এঘাৰজন সদস্য নিৰ্ব্বাচিত হৈছিল আৰু অনাৰেবল মাণিকচন্দ্ৰ বৰুৱাই সেই লেজিচ্‌লেটিভ্ কাউন্সিলৰ এটি সদস্য পদত অধিষ্ঠিত হৈ দেশসেৱা কৰিছিল । বি-এ জগন্নাথ বৰুৱা প্ৰভৃতি একালৰ মুষ্টিমেয় সুপ্ৰসিদ্ধ লোক আৰু দেশ-সেৱকসকলৰ ভিতৰত মাণিকচন্দ্ৰ বৰুৱা এগৰাকী অসম মাতৃৰ মুখ্য কৰ্ণধাৰ আছিল। তেওঁ আৰু অন্নদা ফুকনে "ফুকন বৰুৱা ব্ৰাদাৰ্চ" নামে পতা এটা অনুষ্ঠানৰ পৰা ১৮৮২ খৃষ্টাব্দত "আসাম নিউচ" নামৰ এখন ইংৰাজী অসমীয়া সপ্তাহিক কাকত উলিয়াইছিল। ইয়াৰ দ্বাৰা অসমীয়া ভাষাৰ আখৰ জোটনি আৰু ৰচনা নীতিৰ ভালেখিনি উৎকৰ্ষ সাধিত হৈছিল। তেওঁ চমৎকাৰ ইংৰাজী লিখিব আৰু কব পাৰিছিল। তেওঁৰ নাম চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যে গুৱাহাটী মহানগৰৰ এটা প্ৰধান বাটত তেওঁৰ পৱিত্ৰ নাম সংশ্লিষ্ট কৰি ৰখা হৈছে আৰু স্মৃতিচিহ্ন স্বৰূপে উজানবজাৰ ওৱাৰ্ডত তেওঁৰ নামেৰে নামাকৰণ কৰি অনুষ্ঠুপীয়াকৈ মাণিকচন্দ্ৰ মধ্য ইংৰাজী ( M. C. M. E. ) স্কুল স্থাপিত হৈছে।

নামতিয়াল বৰুৱা বংশৰ স্বনামধন্য কণকলাল বৰুৱাৰ বায়েক তেওঁৰ পৰিণীতা পত্নী আছিল। অতি বিষাদৰ কথা, এনে এজন মহান লোক অপুত্ৰক হোৱাত তেওঁৰ বংশধৰ নাথাকিল। তেওঁ অতীব ধীৰপন্থী আৰু পৰ দুখত কাতৰ হোৱা এগৰাকী আদৰ্শ পুৰুষ আছিল। তেওঁ প্ৰথমে এখন চাহ বাগিছাৰ অংশীদাৰ হৈছিল আৰু পিচত কাঠৰ ব্যৱসায় আৰম্ভ কৰিছিল। ভগ্ন স্বাস্থ্যৰ কাৰণে আৰু সজ পথত সততে চলিবলৈ গৈ তেওঁ প্ৰায়ে লোকচানৰ হাত সাৰিব নোৱাৰিছিল। তেওঁৰ কাঠৰ কাৰবাৰৰ এছোৱা কালত অসমৰ নামজ্বলা ধনাঢ্য সদাগৰ বি, বৰুৱা ( যি গৰাকী লোকৰ নামে গুৱাহাটীত এখন কলেজ স্থাপিত হৈছে ) সহযোগী হৈছিল আৰু কিছু অৰ্থ সমাগমো হৈছিল ; কিন্তু দাতাই দিলেও বিধাতাই নিদিয়ে; মজদুৰসমূহৰ মাজত হোৱা কলাজ্বৰৰ প্ৰকোপত কাৰবাৰৰ আভ্যান্তৰিক

অৱস্থা ক্ৰমাগতে বেয়াৰ ফালে ঢাল লোৱাত ১৮৮৮ চনত তেওঁৰ প্ৰাপ্য স্বৰূপে কিছুধন লৈ এৰাডোল দিবলগীয়াত পৰে। তাৰে কিছুকাল আগতে তেওঁৰ অগ্ৰজ ফটিক চাহাবো স্বৰ্গী হয়। মাণিকচন্দ্ৰ বৰুৱাই দুঘৰ পৰিয়ালৰ ভৰণ-পোষণৰ বোজা বহনৰ লগতে ৰুগ্ন শৰীৰ আৰু মানসিক অশান্তিত একাকী কাৰবাৰ চলাবলগীয়াত পৰি দৈবদুৰ্ব্বিপাকত অপৰিমিত দেনাত পোত খাই পৰে। তেওঁ আকৌ এখন সৰু চাহ বাগিছা কিনি তাৰ উন্নতি সাধনৰ কথা মনত পাঙোতেই পত্নী বিয়োগ ঘটে আৰু আৰ্থিক অৱস্থা অধিকতৰ শোচনীয় হৈ পৰাত সেই বাগিছাখনো অসম্পুৰ্ণ অৱস্থাতে ৰৈ যায়। এনে সময়তে বিধিৰ বিপাকত তেওঁৰ ডাঙৰ ককায়েক দেৱনাথ বৰুৱাৰো নানা বিসঙ্গতি ঘটি আৰ্থিক দুৰ্ব্বলতা আহি পৰিছিল। তথাপি তেওঁ তপতজুৰী বাগিছাখন আধামূলীয়াকৈ বিক্ৰি কৰি যথাসাধ্যে সাহায্য প্ৰদান কৰিছিল। দুমলীয়া ভায়েকক দুৰ্য্যোগৰ পৰা পৰিত্ৰাণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰি শেষত উভয়ে সৰ্ব্বশ্বান্ত অৱস্থাত উপনীত হৈছিল। দুমলীয়া ভায়েকৰ ভাগ্যবিপৰ্য্যয়ে জ্যেষ্ঠ দেৱনাথ বৰুৱাকো তেনেই জুৰুলা কৰিছিল।

অনাৰেবল মাণিকচন্দ্ৰ বৰুৱা প্ৰকৃততে অসম মাতৃৰ এটি অতি উজ্জ্বল ৰত্ন আছিল। তেওঁৰ বাসগৃহ আছিল গুৱাহাটী উজানবজাৰ বাৰোৱাৰী পুজা মণ্ডপৰ উত্তৰে থকা উচ্চ ভুমিখণ্ডত। এই গৰাকী একনিষ্ঠ নিৰ্ভীক দেশ-সেৱকৰ নাম অসমত যুগমীয়া হৈ অমুচ্য আখৰেৰে জিলিকি থাকিব। ১৯১৫ চনৰ ৭ চেপ্তেম্বৰত এই প্ৰখ্যাত পুৰুষ গৰাকীৰ মৃত্যুৰ বাতৰি প্ৰচাৰৰ লগে লগে অফিচ, আদালত, স্কুল, কলেজ সকলো ছুটি দিয়া হৈছিল। জিলাৰ উপায়ুক্ত এ, ডব্লিউ, বেণ্টিঙ্ক, আৰু কটন কলেজৰ অধ্যক্ষ এফ্, ডব্লিউ, চুডমাৰ্চন চাহাব তেওঁৰ বাসস্থানলৈ গৈ মৃতকৰ প্ৰতি শেষ শ্ৰদ্ধা দৰ্শাইছিল আৰু কটন কলেজৰ অধ্যক্ষই শ্মশান পৰ্য্যন্ত শৱ-বহন শোভাযাত্ৰাত যোগ দিছিল। তেওঁৰ মৃত্যুত এজন মহাবীৰৰ পতন হল বুলি গোটেই অসম শোকাভিভুত হৈ পৰিছিল।

সাহিত্যিক পেঞ্চনাৰ ৰায় বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা, এম্ আৰ এ এচ্ দেৱে জীৱনী সংগ্ৰহত "ৰাজনৈতিক নেতা মাণিকচন্দ্ৰ বৰুৱা" শীৰ্ষক প্ৰবন্ধত লিপিৱদ্ধ কৰিছে "নগাঁও জিলাত কৰ্হালৰ বৰুৱা ঘৰ বুলি যি ঘৰ কায়স্থ আছে, সেই ঘৰৰে বংশধৰ গুণাৰাম বৰুৱাৰ পুত্ৰ হাবিৰাম বৰুৱা; আৰু তেওঁৰ তিনিজন পুত্ৰ, দেৱনাথ বৰুৱা, ফটিকচন্দ্ৰ বৰুৱা আৰু মাণিকচন্দ্ৰ বৰুৱা। দুমলীয়া মাণিকচন্দ্ৰই এই প্ৰবন্ধৰ নায়ক। তেওঁ ১৮৫১ খৃষ্টাব্দৰ ৪ চেপ্তেম্বৰত নগাঁৱত জন্ম গ্ৰহণ কৰে; আৰু ১৯১৫

খৃষ্টাব্দৰ ৭ চেপ্তেম্বৰত ৬৪ বছৰীয়া বয়স পাৰ হওঁতেই গুৱাহাটীত নিজ ঘৰত স্বৰ্গী হয়।

মাণিকচন্দ্ৰ বৰুৱাৰ এই চমু জীৱনীৰ সংসৰ্গত তেওঁৰ অগ্ৰজ ফটিকচন্দ্ৰ বৰুৱাৰ বিষয়েও উনুকিয়াই যাব পাৰি ; কিয়নো তেওঁ অসমৰ এজন স্বনামখ্যাত অগ্ৰগণ্য লোক আৰু অসম গৱৰ্ণমেণ্টৰ এজন সুদক্ষ একষ্ট্ৰা এচিষ্টেণ্ট কমিচনাৰ আছিল। ফটিকচন্দ্ৰ বৰুৱা মুঞ্চিফৰ দক্ষতা সম্বন্ধে বহলাই নকৈ, কামৰূপ জিলাৰ লাখেৰাজ আৰু নিস্পিখেৰাজ ভূস্বত্ব সম্পৰ্কে গৱৰ্ণমেণ্টক তেওঁ তেওঁৰ মূল্যৱান মন্তব্যেৰে যি সহায় কৰিছিল তাকে আঙুলিয়ালেই যথেষ্ট হব। গৱৰ্ণমেণ্টৰ ঘৰত ফটিকচন্দ্ৰ বৰুৱাৰ এতিয়াও বৰ নাম, এতিয়াও তেওঁৰ মন্তব্য কলেক্টৰী আদালতত সংজ্ঞা ৰূপে পৰিগণিত।

মাণিকচন্দ্ৰ বৰুৱাই গুৱাহাটীত আগৰদিনৰ কলেজিয়েত হাইস্কুলত ইংৰাজী শিক্ষা লাভ কৰে ; লক্ষ্মীনাৰায়ণ দাস তেতিয়া সেই স্কুলৰ হেড মাষ্টৰ। সেই স্কুল আৰু কলেজৰ পৰাই মাণিকচন্দ্ৰ বৰুৱাই এণ্ট্ৰেঞ্চ আৰু এফ্ এ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ, বঙ্গ গৱৰ্ণমেণ্টৰ পৰা অৰিয়াঅৰিৰ বৃত্তি লাভ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজত বি-এ পঢ়িবলৈ যায়। কিন্তু, কলিকতাৰ পানী-বতাহে তেওঁক নুশুজাত, তাৰপৰা গৈ তেওঁ বাঙ্কিপুৰত পাটনা কলেজত ভৰ্ত্তি হয়। পিচে, তাতো তেওঁৰ স্বাস্থ্য ক্ৰমাৎ পৰি যাবলৈহে ধৰিলে ; আৰু সদৌশেহত তেওঁ বি-এ পৰীক্ষা দিবলৈ নৌপাওঁতেই ঘৰলৈ উলটি আহিব লগাত পৰিল।

কলেজত জগন্নাথ বৰুৱা মাণিকচন্দ্ৰ বৰুৱাৰ সহপাঠী আৰু বুকুৰ বান্ধব আছিল। কলিকতাত একেলগে পঢ়োঁতে দুয়ো লগলাগি প্ৰখ্যাত কৃষ্ণদাস পালৰ সাহায্যত সেইকালৰ ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড নৰ্থব্ৰুকেৰে সৈতে সাক্ষাৎ লাভ কৰি অসমৰ হৈ তেখেতক এখন অভিনন্দন পত্ৰ দিয়ে। অসমীয়াই গৱৰ্ণৰ জেনেৰেলক অভিনন্দন দিয়া সেয়ে প্ৰথম।

শিক্ষা সাঙ্গ কৰি আহি, মাণিকচন্দ্ৰ বৰুৱাই তেওঁৰ প্ৰিয়তম বান্ধৱ জগন্নাথ বৰুৱাৰে সৈতে মত মিলাই, যাচি দিয়া ডেপুটিমেজিষ্ট্ৰেটৰ বিষয়-বাব গ্ৰহণ নকৰি, পোনেই চাহখেতিৰ কাৰবাৰত ধৰিলে। সেই অৰ্থে, জগন্নাথ বৰুৱাই (বি-এ, জগন্নাথ) যোৰহাটত নিজা সৰু বাগিচা এখন খুলিলেগৈ ; আৰু মাণিকচন্দ্ৰ বৰুৱা মিঃ বেইনব্ৰিজ (Mr. Bainbridge) নামেৰে ইউৰোপীয়ান চাহ খেতিয়কৰ লগত অংশীদাৰ ৰূপে যোগ হল ; তাৰ পাচত, মিঃ বেইনব্ৰিজে যেতিয়া এই কাৰবাৰৰপৰা অৱসৰ ললে, তেতিয়া প্ৰখ্যাত আনন্দৰাম ঢেঁকিয়াল ফুকনৰ পুত্ৰ অন্নদাৰাম ফুকন মাণিকচন্দ্ৰ বৰুৱাৰ লগত সহকাৰবাৰী হলহি। আৰু দুয়ো গোটখাই "বৰুৱা ফুকন ব্ৰাডাৰ্চ" নামেৰে এটা কোম্পানী পাতি চাহ আৰু কাঠৰ

কাৰবাৰত ধৰিলে। এই কাৰবাৰ পূৰ্ণহতীয়াকৈ চলাই থাকোতেই মাণিকচন্দ্ৰ বৰুৱাৰ আগেয়ে এবাৰ ভগা স্বাস্থ্য আকৌ ভাগিবৰ উপক্ৰম হয়; সেই কাৰণে তেওঁ ১৮৮০ খৃষ্টাব্দত সাগৰ-যাত্ৰা কৰি কলম্বোৰপৰা উলটি আহেগৈ। ইয়াৰ বছৰচেৰেকৰ পাচতে তেওঁৰ যুটীয়া কাৰবাৰী অন্নদাৰাম ফুকন আৰু ককাইদেৰাক ফটিকচন্দ্ৰ বৰুৱা মুন্সিফ্ ভৰবয়সতে ঢুকায়; আৰু সেই দুৰ্ঘটনাই মাণিকচন্দ্ৰ বৰুৱাৰ কাৰবাৰৰ বিষম ক্ষতি কৰিলে। এহাতে সুযোগ্য যুটীয়া কাৰবাৰীৰ অকাল-বিয়োগ হেতুকে তেওঁ অকলশৰীয়াকৈ কাৰবাৰত দুগুণে খাটিবলগা হল আৰু আনহাতে প্ৰাণপ্ৰতিম অগ্ৰজৰ বিয়োগ-সন্তাপে তেওঁৰ হৃদয় দহিবলৈ ধৰিলে; গতিকে শাৰীৰিক আৰু মানসিক কষ্টৰ কোব একে সময়তে তেওঁৰ ওপৰত বিষমকৈ পৰি তেওঁৰ দুৰ্ব্বল স্বাস্থ্য অত্যধিক দুৰ্ব্বল কৰি পেলালে। কিন্তু, এনে অৱস্থাতো মনৰ উৎসাহ আৰু হৃদয়ৰ বলে মাণিকচন্দ্ৰ বৰুৱাক এৰা নাছিল; তেওঁ গাৰোহিলৰ অটব্য শাল-কাঠনি হাত কৰিবৰ অভিপ্ৰায়ে তেওঁৰ কাঠৰ কাৰবাৰ দাম্বু আৰু দাম্ৰালৈ উঠাই আনিলে; আৰু সেই অৰ্থে তেওঁ বিলাতৰ ভাৰত মন্ত্ৰীৰে (Secretary of States for India) সৈতে যুগুত বন্দৱস্ত কৰি লৈ, সেই দুঠাইৰ মাজত আৰু কাঠনিলৈ এটা গাড়ী যোৱা আলিবাট খোলোতে ২০০০০৲ কুৰি হাজাৰমান টকা ব্যয় কৰে। কিন্তু, দুৰ্ভাগ্য অকলে নাহে; মাণিকচন্দ্ৰ বৰুৱাৰ কাৰবাৰ পেলাবলৈকে অহাৰ নিচিনাকৈ, সেই সময়তে অসমত ভয়ঙ্কৰ কলা-আজাৰে ভুমুকি মাৰেহি আৰু তাৰ প্ৰথম প্ৰকোপ গাৰোহিলৰপৰাই আৰম্ভ হয়। এই মহামাৰীৰ প্ৰকোপত পৰি মাণিকচন্দ্ৰ বৰুৱাৰ কাঠৰ কাৰবাৰত লাগি থকা কুলী, মহৰী, মিস্ত্ৰী, ঠিকাদাৰ ইত্যাদিৰ এভাগ মৰিল, এভাগ ধনখাই পলাল, বাকী এভাগ কাৰবাৰৰ ধনেৰেই প্ৰৱৃত্তি থাকি শেহত নানং-নাবস্ত্ৰং হৈ দিহাদিহি গুচি গল; মাণিকচন্দ্ৰ বৰুৱাৰ তাৰে কাৰবাৰ তাতে পৰি ৰল; ৰেল কোম্পানীক যোগাবলৈ যুগুত কৰা অসংখ্য শ্লিপাৰ বা চলিকাঠ কাঠনিতে পৰি থাকিল। এনে বিমোৰ হবলগীয়া অৱস্থাত মাণিকচন্দ্ৰ বৰুৱাই কলিকতাত কোনোবা সাহায্যকাৰী কোম্পানীৰ জৰীয়তে তেওঁৰ পৰিযোৱা কাৰবাৰ আকৌ তুলিবলৈ অশেষ যত্ন কৰি চালেগৈ, কিন্তু কৃতকাৰ্য্য হব নোৱাৰিলে। গতিকে, তাৰ পাচত তেওঁৰ অৱস্থা অতিশয় বিষম হৈ পৰিল। কলিকতাৰ কোম্পানী-দোকানীবিলাকে হাইকোৰ্টত তেওঁৰ ওপৰত গোচৰ দাখিল কৰিলে; আৰু ইফালে অসমতো মাৰোৱাৰী মহাজনবিলাকেও সেই পথকে অনুসৰণ কৰিলে; ইয়াৰ উপৰিও বিবিধ ঘৰুৱা বিপদ-জঞ্জালে জুমুৰি দি ধৰাত, মাণিকচন্দ্ৰ আপদৰ অপাৰ সাগৰত ওপঙ্গিবলৈ ধৰিলে। এনেতে, মেচাৰ্চ কিং হেমিল্টন কোম্পানী

প্ৰমুখ্যে কলিকতাৰ কোম্পানী-দোকানীবিলাকে সদয় হৈ সিবিলাকে পাবলগীয়া ঋণ ৰেহাই দি মাণিকচন্দ্ৰ বৰুৱাক মুক্তি দিলে; আৰু ইফালেও কিছুকালৰ পাচত, তেওঁৰ সম্বন্ধীয় ভায়েক মিঃ ভোলানাথ বৰুৱাৰ সাহায্যত স্থানীয় মাৰোৱাৰী মহাজনৰ ধাৰ ঋণ মাৰি উঠি তেওঁ আকৌ নিজঞ্জলীয়া হৈ ৰহিল। ইয়াৰ পাচত, তেওঁ ১৮৯৬ খ্ৰীষ্টাব্দত এ, চি, কেম্বেল চাহাবৰ পৰা গুৱাহাটীত সৰু বাগিছা এখন কিনি লয়। মাণিকচন্দ্ৰ বৰুৱাই গুৱাহাটীতে চিৰস্থায়ীকৈ থিতাপি হৈ, সেই বাগিছাৰ উৎপন্ন আৰু তাৰ লগতে তেওঁৰ বুকুৰ বান্ধৱ ৰায়বাহাদুৰ জগন্নাথ বৰুৱা বি-এ আৰু ভায়েক মিঃ ভোলানাথ বৰুৱাৰ পৰা মাজে-সময়ে আৰ্থিক সাহায্য পাই সুচলকৈ দিন নিয়াবলৈ ধৰিলে; কিন্তু তাৰ কিছুকালৰ পাচত অন্তিমকাললৈকে উক্ত সাহায্য নোহোৱাকৈও তেওঁৰ সংসাৰ নিজঞ্জলীয়াকৈ চলিছিল।

মাণিকচন্দ্ৰ বৰুৱাৰ চাহ আৰু কাঠৰ কাৰবাৰৰ পৈনত অৱস্থাতে তেওঁ সাগৰযাত্ৰাৰ পৰা উলটি আহি, ১৮৮১ খ্ৰীষ্টাব্দত লক্ষ্মীলাল বৰুৱা মুন্সিফৰ তৃতীয়া কন্যাক বিয়া কৰায়। কিন্তু, এই সংসাৰ তেওঁৰ বহুকাল নিটিকিল, বিবাহৰপৰা ১৭ বছৰমান অন্তৰত দুটি কন্যা-সন্তান এৰি তেওঁৰ ভাৰ্য্যা মৃত্যু মুখত পৰিল। তেতিয়াৰেপৰা মৰণৰ কাললৈকে গৃহিণীহীন গৃহস্থ হৈ বৰজীয়েক জোৱাঁয়েক আৰু ভাগিনিয়েকৰ হাতত ভিতৰৰ ঘৰুৱা কাৰ্য্যভাৰ অৰ্পণ কৰি তেওঁ বাকী ১৭ বছৰ কাল মুকলিমূৰীয়াকৈ সংসাৰ চলাই আছিল।

স্বদেশহিতৈষিতা মাণিকচন্দ্ৰ বৰুৱাৰ স্বাভাৱিক লক্ষণ; যথাসময়ত সেই গুণ তেওঁৰ জীৱনত এনে ভাৱে প্ৰতিভাত হৈ উঠিছিল যে, অকল সেয়েই হে যেন তেওঁৰ জীৱনৰ কৰ্ত্তব্য, সৰ্ব্বসাধাৰণৰ মনত এনে ধাৰণা হবলৈ ধৰিলে। আৰু তাৰ নিমিত্তেই তেওঁৰ বিদ্যা, তাৰ নিমিত্তেই তেওঁৰ বুদ্ধি, তাৰ নিমিত্তেই তেওঁৰ চিন্তা দেখি ৰাইজৰ মনত সেই ধাৰণা ক্ৰমাৎ স্বভাৱতে ডাঠ হৈ ৰহিল। স্বদেশৰ হিতাৰ্থে মাণিকচন্দ্ৰ বৰুৱাই তেওঁৰ প্ৰিয়তম বান্ধৱ জগন্নাথ বৰুৱাৰ সৈতে লগলাগি ভালেমান দেশহিতকৰ কাৰ্য্যৰ অনুষ্ঠান কৰিছিল। নিমাখিত প্ৰজাৰ হৈ যেতিয়াই যি বিষয়ে আলোচনা আৰু আন্দোলন কৰিবলগা হৈছিল তেতিয়াই এই দুই বন্ধুৱে লগলাগি তালৈ আগবাঢ়িছিল।

অসমীয়াৰ ভিতৰত মাণিকচন্দ্ৰ বৰুৱা পোনপ্ৰথম লোকেলবোৰ্ড মেম্বৰ আৰু ভাইচ্ চেয়াৰম্যান, প্ৰথম মিউনিচিপাল কমিচনাৰ আৰু চেয়াৰম্যান আছিল। ১৮৮২ খ্ৰীষ্টাব্দত যেতিয়া পোনপ্ৰথমে লোকেলবোৰ্ড আৰু মিউনি-চিপালিটিত নিৰ্ব্বাচন প্ৰথাৰ অৱতাৰণা হয়, তেতিয়াই মাণিকচন্দ্ৰ বৰুৱা

বোর্ড আৰু মিউনিচিপালিটিত ৰাইজৰ নিৰ্ব্বাচিত মেম্বৰ ৰূপে প্ৰৱেশ কৰে ; আৰু তেওঁৰ অন্তিমকাললৈকে তাৰপৰা তেওঁ অব্যাহতি নোলোৱাকৈ দক্ষতাৰে সৈতে তাৰ কাম চলায়। ইয়াৰ লগতে ১৮৮৪ খ্ৰীষ্টাব্দত তেওঁ অনাৰেৰী মেজিষ্ট্ৰেটৰ বিষয়বাব লৈ, জীৱনৰ অন্তকাললৈকে সুখ্যাতিৰে সৈতে তাৰ কাম চলাই আছিল।

মাণিকচন্দ্ৰ বৰুৱাকে অসমত "সাদিনীয়া বাতৰি কাকত" চলোৱাৰ বাট দেখুঁওতা বুলিব পাৰি। তেওঁ ১৮৮২ খ্ৰীষ্টাব্দৰ পৰা পাঁচ বছৰমান অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাক সম্পাদক পাতি "আসাম নিউচ" নামেৰে এখন অসমীয়া ইংৰাজী সাদিনীয়া বাতৰি কাকত গুৱাহাটীৰ পৰা প্ৰচাৰ কৰে। সেই কাকতৰ পৰা অসম দেশ আৰু অসমীয়া জাতিৰ বিস্তৰ উপকাৰ হৈছিল। তাৰ পাচত, ১৮৯৪ খ্ৰীষ্টাব্দৰ পৰা গুৱাহাটীত কালিৰাম বৰুৱাই প্ৰচাৰ কৰা "আসাম তৰা" নামেৰে অসমীয়া ইংৰাজী সাদিনীয়া বাতৰি কাকতৰ তেওঁ বছৰদিয়েকলৈ সম্পাদক হৈছিল।

মাণিকচন্দ্ৰ বৰুৱা অসমীয়াৰ পোনপ্ৰথম "অনাৰেবোল" লেজিচ্‌লেটীভ কাউন্সিলৰ প্ৰথম অসমীয়া মেম্বৰ। ১৯০৯ খ্ৰীষ্টাব্দত অসম উপত্যকাৰ লোকেলবৰ্ডৰ পৰা নিৰ্ব্বাচিত হৈ, তেওঁ "পূৰ্ব্ববঙ্গ আৰু অসম" গৱৰ্ণমেণ্টৰ লেজিচ্‌লেটীভ কাউন্সিলৰ মেম্বৰ হয়, আৰু তেতিয়াৰেপৰা সেই গৱৰ্ণমেণ্ট নভঙ্গালৈকে তাত তেওঁ দক্ষতাৰে সৈতে কৰ্ত্তব্য পালন কৰি অসম দেশ আৰু অসমীয়া ৰাইজৰ ভালেমান উপকাৰ সাধিলে। তাৰ পাচত, যেতিয়া সেই গৱৰ্ণমেণ্ট ভাঙ্গি অসমক স্বকীয়া কাউন্সিলে সৈতে স্বকীয়া গৱৰ্ণমেণ্টৰ তললৈ অনা হল, তেতিয়াও পোনপ্ৰথমৰেপৰা তেওঁ অসম লেজিচ্‌লেটীভ কাউন্সিলত অসম উপত্যকাৰ মিউনিচিপালিটীৰ নিৰ্ব্বাচিত মেম্বৰ হৈ প্ৰৱেশ কৰে ; আৰু সেই আসন তেওঁ জীৱনৰ অন্তিমকাললৈকে শোভা কৰিছিল। কাউন্সিলৰ মেম্বৰৰূপে অনাৰেবোল মিঃ মাণিকচন্দ্ৰ বৰুৱাই স্বদেশ আৰু স্বজাতিৰ হকে যিমান কৰি গল, আজিলৈকে আন কোনোৱে সিমান কৰিব পৰা নাই।

অনাৰেবোল মিষ্টাৰ মাণিকচন্দ্ৰ বৰুৱাৰ বিবিধ ৰাজহুৱা কাৰ্য্যত সম্পৰ্কৰ বিষয়ে বিবৰি কবলৈ গলে সি বহুত ; চমুকৈ কবলৈ গলে, অসমৰ শিক্ষা, শ্ৰম, শিল্প, খেতি, বেহা, মিউনিচিপালবোৰ্ড, লোকেলবোৰ্ড, কাউন্সিল সকলো বিভাগতে তেওঁৰ সম্পৰ্ক, সকলো বিভাগৰে বহুত অভিজ্ঞতাৰে সৈতে তেওঁ এনে এজন পৈনত স্বদেশ-সেৱক আছিল যে, তাৰ বাবে তেওঁক গৱৰ্ণমেণ্টে আৰু সদৌ ৰাইজে সমানে সমাদৰ কৰিছিল। তেওঁৰ পকা অভিজ্ঞতাৰ

গুণতে গৱৰ্ণমেণ্টে তেওঁক এডুকেচন কন্‌ফাৰেঞ্চ, ইন্‌ডাষ্ট্ৰিয়েল কন্‌ফাৰেঞ্চ, ফিমেল এডুকেচন কমিটী, চেণ্ট্ৰেল টেক্সট্ বুক কমিটী, প্ৰভিঞ্চিয়েল এড্‌ভাই-চৰী কমিটী, এম্বুলেঞ্চ চোচাইটী, মৰাল এডুকেচন কন্‌ফাৰেঞ্চ ইত্যাদি সভা-সমিতিত উপ্‌যাচি মেম্বৰ পাতি লৈছিল ; আৰু সেইবিলাকৰ সম্পৰ্কত তেওঁৰ মতামত অনেক স্থলতে মূল্যবান বুলি গ্ৰহণ কৰা হৈছিল ।

মাণিকচন্দ্ৰ বৰুৱাকে "অসম এচোচিয়েচনৰ" স্থাপন-কৰ্ত্তা বুলিব পাৰি । এই নামেৰে তেওঁ স্বদেশহিতৈষী গৌৰীপুৰৰ জমিদাৰ অনাৰে-বোল ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা বাহাদুৰৰ সহানুভূতিত সদৌ অসমীয়া ৰাইজৰ এই সভা গঠিত কৰিবৰেপৰা তেওঁৰ অন্তিম কাললৈকে মাণিক চন্দ্ৰ বৰুৱা ডাঙৰীয়াই জেনেৰেল চেক্ৰেটৰীৰ বিষয়-বাব লৈ তাৰ কাম সসন্মানে আৰু সুচাৰুৰূপে চলাই আছিল; আৰু সেই সভাৰ জৰীয়তে সময়ে-সময়ে তেওঁ যিবিলাক দেশহিতকৰ লাগতিয়াল বিষয়ে আলোচনা কৰি গৱৰ্ণমেণ্টক আবেদন-নিবেদন কৰিছিল তাৰ ভালেমানৰ গুটি ধৰিছিল ।

ৰাজদৰবাৰ আদিলৈকো অনাৰেবোল মিষ্টাৰ মাণিকচন্দ্ৰ বৰুৱা অসমৰ ভিতৰত সবাতকৈ অগ্ৰগণ্য প্ৰতিনিধিৰূপে নিমন্ত্ৰিত হৈছিল । ১৯০২ আৰু ১৯১১ খ্ৰীষ্টাব্দত দিল্লী চহৰত, ক্ৰমে সম্ৰাট সপ্তম এডোৱাৰ্ড আৰু সম্ৰাট পঞ্চম জৰ্জ্জৰ যি অভিষেক দৰবাৰ হৈছিল তালৈ তেওঁক সাদৰে নিমন্ত্ৰণ কৰা হৈছিল; আৰু শেহৰ বাৰত সম্ৰাট আৰু সম্ৰাজ্ঞীৰ ওচৰত আঁঠু লৈ অসমৰ হৈ ৰাজভক্তি জনাবলৈ অনুমতি দানেৰে তেওঁক সন্মান দিয়া হৈছিল । অনাৰেবোল মিষ্টাৰ মাণিকচন্দ্ৰ বৰুৱাত বাজে সেই সন্মান ইতিপুৰ্ব্বে বিলাতত তেওঁৰ সুযোগ্য বন্ধু অসমৰ অন্যতম সুপুত্ৰ ৰায় জগন্নাথ বৰুৱা, বি-এ বাহাদুৰে মাথোন পাইছিল ।

অনাৰেবোল মিঃ মাণিকচন্দ্ৰ বৰুৱাৰ দেশহিতকৰ কাৰ্য্য সম্পৰ্কে তত্ব ললে অলেখ পোৱা যায়; তাৰ ভিতৰত "কটন কলেজ," "কৰ্জ্জন হল," "আৰ্ল ল-কলেজ" এই বিলাকৰ সম্পৰ্কত তাৰ চিন বিশেষকৈ জিলিকি ৰৈছে । "অসমীয়া ছাত্ৰক কলিকতাত পঢ়িবলৈ বৃত্তি দিব নালাগে, অসমত কলেজহে লাগে" এই বিষয়ক আন্দোলনত তেওঁ জয় লাভ কৰাৰ ফল স্বৰূপ "কটন কলেজৰ" সৃষ্টি । ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড কৰ্জ্জন ১৯০০ খ্ৰীষ্টাব্দত অসমলৈ আহোতে তেখেতৰ অভ্যৰ্থনাৰ বিৰাট আয়োজনত বৰঙণিৰ যি বিপুল পুঁজি সংগৃহীত হৈছিল, তাক বাহ্যিক আড়ম্বৰত অতিপাতকৈ ভগন নকৰি, পাৰ্য্যমানে তাৰ কিয়দংশ ৰেহাই কৰি, তাক দেশৰ কোনো স্থায়ী উপকাৰী কাৰ্য্যত লগাবলৈ তেওঁ যি যুক্তি-তৰ্ক কৰিছিল, তাৰ সুফল হৈছে গুৱাহাটীৰ ধুনীয়া "কৰ্জ্জন হল ।"

অসমক এটি সুকীয়া আইন কলেজ দিব লাগে, এই কথা লৈ তেওঁ কন্‌ফাৰেঞ্চ আৰু কাউন্সিলত যি যত্ন কৰিছিল, ঘাইকৈ তাৰ ফলতে অসমে "আৰ্ল ল-কলেজ" লাভ কৰিলে।


ওপৰত চমুকৈ কৈ অহা দেশহিতকৰ কাৰ্য্যাৱলীলৈ চাই, জনসাধাৰণৰ মনত অলপ আচৰিত ভাৱে প্ৰশ্ন উঠিব পাৰে যে, ইমান গুণী পুৰুষ এজনক গৱৰ্ণমেণ্টে সন্মানী খিতাপ দি কিয় সুশোভিত কৰা নাই? ই অৱশ্যে উঠিবলগীয়া প্ৰশ্ন। কিন্তু, অনাৰেবোল মিঃ মাণিকচন্দ্ৰ বৰুৱা তেনেকুৱা উপাধি-প্ৰত্যাশী লোক নাছিল; তেওঁৰ জৰীয়তে হয়তো কোনো কোনোৱে "ৰায় চাহাব," "ৰায় বাহাদুৰ" খিতাপ পিন্ধি জিলিকিছে, কিন্তু তেওঁ নিজে উদংমূৰীয়া। পৃথিবীৰ জ্ঞানী পুৰুষ মিঃ গ্লেড্‌ষ্টোনে যেনেকৈ অনেকক লৰ্ড পাতি নিজে "মিষ্টাৰ" ৰূপেই মাৰ গল, ক্ষুদ্ৰ অসমৰ ক্ষুদ্ৰ জ্ঞানী পুৰুষ মাণিকচন্দ্ৰয়ো সেইৰূপে পাৰ হবলৈকে ভাল পালে।

ওপৰত মাণিকচন্দ্ৰৰ আটাইখিনি গুণৰ কথা উন্নুকিৱা হৈছে। তেওঁৰ গাত যে দোষ নাছিলেই এনে নহয়; মানুহ হৈ দোষশূন্য হোৱা অসম্ভৱ। কিন্তু, যাৰ গুণৰ ভাগ ইমান অধিক, বা যাৰ গুণৰ প্ৰভাৱ ইমান বেচি যে, সেই গুণে দোষবিলাক চন্দ্ৰত কলঙ্কৰ দৰে তল পেলাই যাব পাৰে, প্ৰকৃতপক্ষে তেৱেঁই গুণী, তেৱেঁই মানী, তেৱেঁই মহৎ। অনাৰেবোল মিঃ মাণিকচন্দ্ৰ বৰুৱাৰো গুণৰ ভাগ ইমান অধিক আৰু তেওঁৰ কিছুমান গুণৰ প্ৰভাৱ ইমান বেচি যে, তাৰ দ্বাৰাই তেওঁ নিজৰ দোষবোৰ তল নিয়াব পাৰিছিল। সেই কাৰণেই, অসমীয়াৰ ভিতৰত তেওঁ এজন গুণী, জ্ঞানী আৰু মহৎ লোক বুলি চিনাকি দিব পাৰিছিল। মাণিকচন্দ্ৰ বৰুৱাত যিবিলাক মহৎ লোকৰ গুণ আছিল, তাৰ ভিতৰত তেওঁৰ স্বাধীনচিতীয়া গুণে সবাতকৈ ওপৰত ঠাই পাইছিল।

অনাৰেবোল মিঃ মাণিকচন্দ্ৰ বৰুৱাৰ শাৰীৰিক দুৰ্ব্বলতা কিছুমান দিনৰপৰা ক্ৰমাৎ বিষম হোৱা দেখা গৈছিল; আন কি, তেওঁ নিজে কাম চলাবলৈ অক্ষম গতিকে লিখা কাম সমুদায় তেওঁ মুখেৰে কৈ আনৰ হতুৱাই লিখাই লৈছিল। কিন্তু, শাৰীৰিক এনে দুৰ্ব্বল অৱস্থাতো তেওঁ কোনো ৰাজহুৱা কামলৈ পাৰ্য্যমানে পিচ নপৰিছিল; সদৌশেহত ১৯১৫ খ্ৰীষ্টাব্দৰ ১২, ১৩, ১৪ আগষ্ট তাৰিখে যোৰহাটত যি শিল্প কন্‌ফাৰেঞ্চ বহিছিল, তাত তেওঁ শাৰিৰীক কাতৰ অৱস্থা স্বত্বেও যোগ দিছিল গৈ। আৰু সেয়ে তেওঁৰ ৰাজহুৱা কাৰ্য্যোপলক্ষে শেষ যাত্ৰা হল, যোৰহাটৰ পৰা উলটি আহি তেওঁ গুৱাহাটীৰ নিজৰ ঘৰত সোমায়েই বৰ। টান জ্বৰত পৰে; আৰু তাৰ লগতে উজাৰ খাই আৰু গোটাদিয়েক পুৰণি সাংঘাতিক

ৰোগে উকদি উঠাত, একেৰাহে ২১ দিন নৰিয়াপাটীত পৰি থাকি, ১৯১৫ চনৰ ৭ চেপ্টেম্বৰ তাৰিখে মঙ্গলবাৰে পুৱা ৬ বজাত অনাৰেবোল মিষ্টাৰ মাণিকচন্দ্ৰ বৰুৱাই তেওঁৰ পৰিয়াল আৰু অসংখ্য বন্ধু-বান্ধৱক কন্দুৱাই, জন্মভূমি জঁয় পেলাই, পাৰ্থিব কৰ্ত্তব্যৰ সাজ-সমলেৰেই স্বৰ্গযাত্ৰা কৰিলে। মাননীয় বৰুৱাৰ সমাধিস্থলত হাজাৰৰ ওপৰ বন্ধু-বান্ধৱ আৰু গুণগ্ৰাহী লোক সমবেত হৈছিল; আৰু সেই দিনা অসম উপত্যকাৰ স্কুল, কাছাৰি, চৰ্কাৰী অফিচাদি বন্ধ দিয়াৰ উপৰিও, গুৱাহাটীৰ ডাঙৰ ডাঙৰ দোকান আৰু কাৰবাৰ বন্ধ ৰাখি স্বৰ্গীয় মহাত্মাক সন্মান কৰা হৈছিল।"

অসম বাণীত বৰ্ত্তমান শকৰ ৫ ভাদত প্ৰকাশিত এটি প্ৰবন্ধ ঃ—



এম্-চি-এম্-ই স্কুলৰ নতুন ভৱন মুকলি।

অসমৰ ঐতিহ্যপূৰ্ণ আৰু প্ৰাচীনতম এখন স্কুল গুৱাহাটীৰ মাণিকচন্দ্ৰ মধ্য ইংৰাজী ( এম্-চি-এম্-ই ) স্কুলখনৰ নতুন দুমহলীয়া ভৱনটোৰ উদ্বোধন যোৱা স্বাধীনতা দিৱসৰ দিনা কামৰূপৰ উপায়ুক্ত শ্ৰীঅনিল চৌধুৰীয়ে কৰে।

৫৫ বছৰীয়া এই স্কুলখনৰ পুৰণি টিনৰ ঘৰটো যোৱা ১৯৬৬ চনত ভাঙি নতুনকৈ দুমহলীয়া ভৱন এটি নিৰ্ম্মাণৰ আঁচণি আৰু কাম হাতত লোৱা হয় চৰকাৰৰ উদ্যমত। কিন্তু পুঁজি আৰু আন কিছুমান খেলি-মেলিৰ ফলত যোৱা কেইবছৰে স্কুল ঘৰটি সম্পূৰ্ণ হোৱাত বাধাৰ সৃষ্টি হয়। অৱশেষত গুৱাহাটী পৌৰ সভাৰ কাৰ্যবাহী বিষয়া শ্ৰীপ্ৰফুল্ল শইকীয়াই বাকী কাম সম্পূৰ্ণ কৰাৰ ভাৰ লয় আৰু সেইমতে অচিৰেই তাক সম্পূৰ্ণ কৰি উলিয়ায়।

নতুন ভৱনৰ উদ্বোধনী উৎসৱত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই মুখ্য অতিথিৰ আসনৰপৰা স্বৰ্গীয় মাণিকচন্দ্ৰ বৰুৱাৰ দেশহিতৈষিতাৰ স্মৰণ কৰি কয় যে তেওঁৰ যত্নতেই গুৱাহাটীয়ে কটন কলেজ, কাৰ্জ্জন হল আৰু এই স্কুলৰ মুখ দেখা পাইছিল। কাৰ্জ্জন হল (বৰ্ত্তমান নবীন বৰদলৈ হল) আৰু কটন কলেজৰ নাম সলাই এইজনা অসম সন্তানৰ নামত নামকৰণ নকৰা বাবে তেওঁ আক্ষেপ কৰে।

স্কুলৰ প্ৰধান শিক্ষক শ্ৰীভাৰতচন্দ্ৰ শৰ্ম্মাই পৌৰ সভা বিশেষকৈ ইয়াৰ কাৰ্যবাহী বিষয়া শ্ৰীপ্ৰফুল্ল শইকীয়াৰ তৎপৰতাৰ শলাগ লয়। স্কুলখনৰ বৰ্ত্তমান ১৩০ জন ছাত্ৰ আৰু ইয়াৰ পাঁচজন শিক্ষকে অতদিনে ভোগ কৰি অহা আলৈ-আহুকালৰ অন্ত পৰাত অন্যান্য সকলেও সকাহ বোধ কৰে।

ওপৰৰ ছবিত স্কুল ভৱন উদ্বোধন উপলক্ষে উন্মোচিত কৰা মাণিকচন্দ্ৰ বৰুৱাৰ তৈলচিত্ৰৰ কাষত ক্ৰমে শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, উপায়ুক্ত শ্ৰীঅনিল চৌধুৰী, হেড মাষ্টাৰ শ্ৰীভাৰত শৰ্ম্মা আৰু পৌৰ সভাৰ কাৰ্যবাহী বিষয়া শ্ৰীপ্ৰফুল্ল শইকীয়াক দেখা গৈছে। ১৭-৮-৬৯

দেৱ নাথ বৰুৱাৰ কনিষ্ঠ কন্যা শ্ৰীমতী প্ৰভাৱতীক উত্তৰ গুৱাহাটীৰ বজাদুৱাৰৰ শ্ৰীযোগেন্দ্ৰনাথ বৰুৱা এম-এল-এ লৈ বিয়া দিয়া হৈছিল। শ্ৰীবৰুৱা ১৯৩৭ চনত স্বৰ্গী হয়, এতিয়া শ্ৰীমতী প্ৰভাৱতী দুই পুত্ৰ, পাচ কন্যাসহ উজানবজাৰৰ নিজ ঘৰত বাস কৰি থকা উল্লেখ কৰা হৈছে। এওঁলোকৰ প্ৰথম পুত্ৰ শ্ৰীদেবেন্দ্ৰ নাথ বৰুৱা এডভোকেট বৰ্ত্তমান আইন ব্যৱসায়ীৰূপে গুৱাহাটীত জীৱিকা নিৰ্ব্বাহ কৰি আছে। যোৰহাটৰ ৰায়চাহাব ৺চিতানাথ বৰবৰা চিৰষ্টাদাৰৰ কন্যা শ্ৰীমতী দীপ্তি এওঁৰ পৰিণীতা পত্নী। দ্বিতীয় পুত্ৰ শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা এজন ইঞ্জিয়ৰেঞ্চৰ বিষয়া আৰু এজন দেশসেৱকো। শ্ৰীমতী ৰাণু এওঁৰ পৰিণীতা পত্নী। ছোৱালী পাঁচোজনীৰে বিবাহ হৈ গৈছে। প্ৰথমা কন্যা শ্ৰীমতী পদ্মাৱতীক নলবাৰীৰ শ্ৰীমহেশচন্দ্ৰ মহাজন ন্যায়াধীশলৈ (Judge) বিয়া দিয়া হৈছে। বৰ্ত্তমান এওঁ লেবাৰ ট্ৰিবিউনেলৰ ন্যায়াধীশ। দ্বিতীয়া কন্যা শ্ৰীমতী বীণাক গোলাঘাটৰ শ্ৰীনিৰ্ম্মল বৰুৱা বি-এ লৈ বিয়া দিয়া হৈছে। এওঁ লাইফ্-ইন্সিয়ৰেঞ্চ ক'ৰপোৰেচন্‌ৰ এজন উৰ্চ্চপদস্থ বিষয়া। তৃতীয়া কন্যা শ্ৰীমতী ইন্দুক নগাওঁ মৰিগাৱঁৰ শ্ৰীললিত চন্দ্ৰ হাজৰিকা (I. F. S.) লৈ, চতুৰ্থা কন্যা শ্ৰীমতী কমলাক ডিব্ৰুগড়ৰ ডাক্তৰ শ্ৰীকৰুণা দুৱৰা এম-বি-বি-এচ্ আৰু পঞ্চমা কন্যা শ্ৰীমতী নিৰ্ম্মলাক গুৱাহাটী ৰিহাবাৰীৰ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ বৰুৱাদেৱৰ তৃতীয় পুত্ৰ শ্ৰীযতিন্দ্ৰ বৰুৱা বি-এ, লৈ বিয়া দিয়া হৈছে।

## পঞ্চম পৰিচ্ছেদ

হাবিৰাম বৰুৱাৰ চাৰি কন্যাৰ ভিতৰত প্ৰথমা সোণেশ্বৰীক নলবাৰীৰ চন্দ্ৰসেন বৰকাকতীৰ পুত্ৰ সূৰ্য্যসেন বৰকাকতীলৈ বিবাহ দিয়া হৈছিল ; আৰু তেওঁলোকৰ কাশীসেন আৰু ইন্দ্ৰসেন নামে দুজন পুত্ৰ জন্মে ; এওঁলোকৰ সতিসন্ততিগণ বৰ্ত্তমান গুৱাহাটীৰ হেপিভেলিত বাস কৰে। দ্বিতীয়া কন্যা কমলাৱতীক মজিন্দাৰ বৰুৱা বংশৰ উত্তৰ গুৱাহাটী ৰজাদুৱাৰৰ দুৰ্ল্লভৰাম বৰুৱাই বিবাহ কৰায়। তেওঁলোকৰো দুজন পুত্ৰ হয়। জ্যেষ্ঠ তৰুণচন্দ্ৰ বৰুৱা, মৌজাদাৰ, অপুত্ৰক আছিল। দ্বিতীয় আছিল তিলকচন্দ্ৰ বৰুৱা ; তেওঁৰ দুজন পুত্ৰ শ্ৰীকৃষ্ণচন্দ্ৰ বৰুৱা, বি-এ, মৌজাদাৰ, আৰু শ্ৰীভুবনচন্দ্ৰ বৰুৱা উভয়ৰে বংশ-পৰিয়ালগণ সেই ৰজাদুৱাৰতে বাস কৰি আছে। হাবিৰাম বৰুৱাৰ তৃতীয়া কন্যা হৰিপ্ৰিয়াক বিবাহ দিয়া হৈছিল বৰএলেঙী সত্ৰৰ সোণেশ্বৰ মহন্তৰ পুত্ৰ "কুৰ্ম্মবলী বধ" প্ৰণেতা নৰনাথ মহন্তলৈ। তেওঁলোকৰ যথাক্ৰমে মহেন্দ্ৰ মহন্ত, ভুজেন্দ্ৰ মহন্ত আৰু বীৰেন্দ্ৰ মহন্ত, বি-এল, নামে তিনিজন পুত্ৰ জন্মে। এওঁলোকৰ সতিসন্ততিগণ নগাঁও চহৰত বাস কৰে। মহেন্দ্ৰ মহন্ত, মৌজাদাৰৰ জ্যেষ্ঠা কন্যা কমল কুমাৰী বৰুৱা যোৰহাটৰ প্ৰসিদ্ধ চাহ খেতিয়ক স্বৰ্গীয় ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ পৰিণীতা পত্নী।

কৰ্হাল বৰুৱা ঘৰৰ অষ্টাদশ পুৰুষ নৰনাথ বৰুৱাৰ পাঁচজনী কন্যাৰ প্ৰথমা স্বৰ্ণলতাক ৰুদ্ৰৰাম বৰদলৈৰ পুত্ৰ দেৱনাথ বৰদলৈয়ে বিয়া কৰায় ; তেওঁলোকৰ পুত্ৰ ৰবীন্দ্ৰ বৰদলৈ। দ্বিতীয়া কন্যা প্ৰেমদা সুন্দৰীক যোৰহাটৰ ৰায়বাহাদুৰ বিষ্ণুৰাম বৰুৱা তহশীলদাৰৰ বৰ পুত্ৰ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱালৈ বিয়া দিয়া হৈছিল; আৰু সেই কন্যাৰ অকাল মৃত্যুত পুনঃ চতুৰ্থ কন্যাকো তেওঁলৈকে দিয়া হৈছিল। দুৰ্ভাগ্যক্ৰমে সেই গৰাকী ভাৰ্য্যাও অসময়তে ঢুকুৱাত ওপৰত উল্লিখিত কমল কুমাৰীক তেওঁ বিবাহ কৰাইছিল। নৰনাথ বৰুৱাৰ তৃতীয়া কন্যাক নামতিয়াল বৰুৱা বংশৰ গুৱাহাটী নিবাসী সুপ্ৰসিদ্ধ লোক কনকলাল বৰুৱাৰ ভাতৃ মহেন্দ্ৰলাল বৰুৱালৈ, আৰু পঞ্চমা কন্যাক ডিব্ৰুগড়ৰ স্বনামধন্য সদানন্দ দুৱৰালৈ দিয়া হৈছিল।

এই অষ্টাদশ পৰ্য্যায়ৰে দীননাথ বৰুৱাৰ কন্যা কুসুমকুমাৰীক উত্তৰ গুৱাহাটীৰ বেজদলৈ ভড়ঁালী বৰুৱা বংশৰ বলীন্দ্ৰকুমাৰ বৰুৱা, বি-এল, এড্‌ভোকেটলৈ আৰু গুণনাথ বৰুৱাৰ প্ৰথমা কন্যাক যোৰহাটৰ ডাক্তৰ বংশীধৰ বৰুৱা আৰু দ্বিতীয়া কন্যাক নগাঁৱৰ তৰুণচন্দ্ৰ ভুঞালৈ বিবাহ দিয়া হৈছিল।

হাবিৰাম বৰুৱাৰ জ্যেষ্ঠ পুত্ৰ দেৱনাথ বৰুৱাৰ তিনি গৰাকী সহধৰ্মিনী আছিল; তাৰে প্ৰথমা গৰাকীৰ এজনী মাত্ৰ কন্যা ওপজাৰ পিচতে মৃত্যু ঘটে। আন দুগৰাকীৰ ভিতৰত এগৰাকীৰ তিনিজন আৰু আন গৰাকীৰ দুজন পুত্ৰ হয়। সৰ্ব্বকনিষ্ঠ পুত্ৰ শ্ৰীউদয়নাথ বৰুৱাৰ বাহিৰে আন কেউজন পৰলোক প্ৰাপ্ত হৈছে। শ্ৰীউদয়নাথ বৰুৱা এজন অতি অধ্যৱসায়ী, উৎসাহী আৰু উগ্ৰ সাহসী লোক। একালত তেওঁ উত্তৰ গুৱাহাটী টাউন কমিটিৰ চেয়াৰমেন পদত অধিষ্ঠিত আছিল। এওঁ চেয়াৰমেনৰ আসনত উপবিষ্ট থাকোতে উত্তৰ গুৱাহাটীৰ উন্নয়নৰ অৰ্থে নানা মূল্যৱান আঁচনি চৰকাৰৰ ওচৰত দাঙি ধৰিছিল; তাৰ ভিতৰত পানী-যোগান, বজাৰ সংস্থাপন, বিজুলিবাতিৰ ব্যৱস্থা, শিশু-উদ্যান প্ৰতিষ্ঠা আদিয়েই প্ৰধান। সেই লগতে শিল্প প্ৰতিষ্ঠান গঢ়ি যাতে উত্তৰ গুৱাহাটীক এখন জাকত জিলিকা চহৰত পৰিণত কৰিব পাৰি তাৰ কাৰণে অশেষ যত্ন কৰিছিল আৰু চৰকাৰী নতুন অনুষ্ঠানসমূহ কেৱল গুৱাহাটীতে কেন্দ্ৰীভূত নকৰি, যাতে উত্তৰ গুৱাহাটীতো দুই-চাৰিখন স্থাপন কৰে, তাৰ কাৰণেও অহোপুৰুষাৰ্থ কৰিছিল। চৰকাৰৰ লগত যোগাযোগৰ ফল স্বৰূপে সেই চেষ্টাসমূহ কোনো কোনো ক্ষেত্ৰত কৃতকাৰ্য্যও হৈছিল। তেওঁ যে প্ৰকৃততে এজন সুদক্ষ আৰু দূৰদৃষ্টি সম্পন্ন লোক তাত অলপো সন্দেহ নাই।

এওঁৰ মাতৃ যোগৱতী বৰুৱা তিতাবৰ বৰ-এলেঙী সত্ৰৰ অধিকাৰৰ জীয়াৰী আছিল। বেজদলৈ ভড়ঁালী বৰুৱা বংশৰ স্বৰ্গীয় প্ৰসন্নকুমাৰ বৰুৱাৰ জীয়াৰী, সাবিত্ৰীবালা, বৰুৱাদেৱৰ পৰিণীতা পত্নী। উত্তৰ গুৱাহাটিত এনে অনুষ্ঠান নাই যিটোৰ লগত বৰুৱাৰ ঘনিষ্ঠ সম্বন্ধ নাই। ইয়াৰ প্ৰায় প্ৰত্যেকটো অনুষ্ঠানৰে তেওঁ এজন গুৰিধৰোতা আৰু প্ৰতিষ্ঠাতা; সেই কাৰণে, তেওঁ উত্তৰ গুৱাহাটীৰ উন্নয়ন সংশ্লিষ্ট অনুষ্ঠানসমূহৰ অগ্ৰগতিৰ চেষ্টাত সৰ্ব্বদায় নিৰত। তেওঁ বহুকাল উত্তৰ গুৱাহাটী কলাপৰিষদৰ সভাপতি আৰু নৰ্থ গৌহাটী কো-অপাৰেটিভ টাউন বেঙ্কৰ চেয়াৰমেন আছিল। তেওঁৰ কোমল বয়সতে ১৯১৩ চনত পিতাক দেৱনাথ বৰুৱা স্বৰ্গী হয়। তেওঁক নিচেই সৰুকালতে খুৰাদেৱেক অনাৰেবোল মাণিকচন্দ্ৰ বৰুৱাই গুৱাহাটীলৈ আনি লগত ৰাখি লিখা-পঢ়া শিকাইছিল। ১৯১৫ চনতে খুৰাদেৱকো



শ্ৰীউদয় নাথ বৰুৱা, প্ৰকাশক

স্বৰ্গী হয়; তেওঁ অপুত্ৰক আছিল কাৰণে, শ্ৰীউদয়নাথ বৰুৱায়ে খুৰা-দেৰাকৰ প্ৰেত-কৰ্ম্ম আৰু আদ্য-শ্ৰাদ্ধাদি সম্পন্ন কৰিছিল। তেওঁ প্ৰথম বিশ্বযুদ্ধত First King Georges own Sappers and Miners Regimentত ভৰ্ত্তি হৈ ৰুৰ্কীত মিলিটাৰী প্ৰশিক্ষণ লয় আৰু ইৰাকলৈ (সেই কালৰ মেচপটামীয়ালৈ) যাত্ৰা কৰে। তাত বচোৰা, বাগদাদ, কুট, মচুল, বেবিলন, হিট প্ৰভৃতি নানা স্থান ভ্ৰমণত তিনি বছৰ কটাই মহাসমৰ অৱসানৰো প্ৰায় দেৰ বছৰ পিচতহে উলটি আহে। আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় হোৱাত তেওঁ চৰকাৰী চাকৰি লবলৈ বাধ্য হয়। দ্বিতীয় মহাসমৰৰ সময়ত তেওঁ দুজনমান সহকৰ্ম্মীৰ সহযোগত উত্তৰ গুৱাহাটীত কেইবাখনো কো-অপাৰেটিভ ষ্টোৰ খুলি এইবিলাকৰ যোগান আৰু উন্নতিকল্পে গুৱাহাটীত এখন চেণ্ট্ৰেল হোলচেল কো-অপাৰেটিভ ষ্টোৰ খোলে। এই অনুষ্ঠানটোৰ জৰীয়তে তেওঁ দ্বিতীয় বিশ্বযুদ্ধজনিত ভীষণ দুৰ্য্যোগত গুৱাহাটী বাসীক চাউলৰ যোগানো ধৰিছিল আৰু আন কি, সমগ্ৰ গুৱাহাটী চব্‌ডিভিজনৰ ষ্টোৰ আৰু সমবায়সমূহক সেই দুৰ্ঘোৰ সঙ্কট আৰু মহাৰ্ঘত তেওঁ আপ্ৰাণ চেষ্টা কৰি কাপোৰ যোগোৱাৰো ব্যৱস্থা কৰিছিল। সেই মহাসমৰৰ কালতে এবাৰ তেওঁক কিছুদিনৰ কাৰণে মিলিটাৰী ৰেটচ্‌ এণ্ড ওৱেজেচ্‌ বোৰ্ডৰ চুপাৰিণ্টেণ্ডেণ্ট কৰিও নিছিল। তেওঁ অসম ট্ৰেডিং কো-অপাৰেটিভৰ আৰু কো-অপাৰেটিভ এপেক্স মাৰ্কেটিং চচাইটিৰো এজন প্ৰতিষ্ঠাতা। তেৱেঁই গুৱাহাটীত অসম কো-অপাৰেটিভ এপেক্স বেঙ্কৰ শাখাটো স্থাপন কৰি তাৰ ব্ৰাঞ্চ-মেনেজাৰ পদত অধিষ্ঠিত হয়। আজি এই ব্ৰাঞ্চটোৱেই অসমৰ ভিতৰত সৰ্ব্বপ্ৰথম স্থান অধিকাৰ কৰি আছে।

উত্তৰ গুৱাহাটী ডাক্তৰখানাখন জুৰুলা অৱস্থাৰ পৰা প্ৰথম শ্ৰেণীত পৰিণত কৰাটো উদয় বৰুৱাৰ নেবা-নেপেৰা যত্ন আৰু পৰিশ্ৰমৰ ফল। উক্ত ডাক্তৰখানাৰ চেক্ৰেটাৰী স্বৰূপে তেওঁ প্ৰায় দহ বছৰ চেষ্টা কৰি চৰকাৰী হস্পিতাললৈ ৰূপান্তৰিত কৰিবলৈ সক্ষম হয়। ইয়াৰ মাতৃ-মঙ্গল কেন্দ্ৰটিও (Meternity Ward) তেৱেঁই স্থাপন কৰে। উত্তৰ গুৱাহাটীৰ অনুষ্ঠানসমূহলৈ তেওঁৰ আৰ্থিক দানো গোটেই কম নহয়। কংগ্ৰেছীদলৰ এজন মুখ্য কৰ্মী স্বৰূপেও তেওঁৰ নাম প্ৰখ্যাত; ১৯৫৮ চনত অসমত পতা কংগ্ৰেছ মহাসভাৰ অধিবেশনত তেওঁ আহাৰ যোগোৱা ক্ষেত্ৰৰ গুৰুভাৰ লৈ সৰ্ব্ব প্ৰথমে হিচাব-পত্ৰ দাখিল কৰি বিশেষ সুখ্যাতি আৰ্জ্জন কৰিছিল। তেওঁ কিছুকাল চিলাসিন্দুৰীঘোপা মৌজাৰ মণ্ডল-কংগ্ৰেছৰ সভাপতি আৰু গুৱাহাটী মহকুমা পৰিষদ আৰু স্কুল বোৰ্ডৰো এজন সদস্য আছিল। তেওঁ অতি সুখ্যাতিৰে ৰজাঘৰীয়া বিষয়-বাব পৰিচালনা কৰি

বৰ্ত্তমান পেঞ্চন লৈ ৰাজহুৱা কামতেই আত্মনিয়োগ কৰিছে। তেওঁৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীখগেন্দ্ৰনাথ বৰুৱা এজন ৰেডিঅ' আৰু ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰ। তেওঁ দ্বিতীয় মহাযুদ্ধত Air Force ৰ Grouned Enginer হিচাবে ভৰ্ত্তি হৈ লাহোৰ আৰু হায়দৰাবাদত প্ৰায় এবছৰ কাল প্ৰশিক্ষণ লৈ থাকোতেই হঠাতে যুদ্ধ বন্ধহৈ যোৱাত শিক্ষা শেষ নোহওতেই উভতি আহিবলগীয়া হয়। ভাৰত গৱৰ্ণমেণ্টে বাকীখিনি শিক্ষা শেষ কৰিবৰ কাৰণে বৃত্তি দি আকৌ বোম্বাইলৈ পঠিয়াই দিয়ে। বোম্বাইত তিনিবছৰ কাল শিক্ষালৈ ৰেডিঅ' ইলেক্ট্ৰিকেল আৰু অটোমবাইল ইঞ্জিনীয়াৰিঙতে ডিপ্লমা লৈ উভতি আহে। তাৰ পৰা আহি নিজে কাৰবাৰ আৰম্ভ কৰে। বৰ্ত্তমান গুৱাহাটীত ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইনষ্টিটিউটত ৰেডিঅ' আৰু টেলিভিচন্ ইনষ্ট্ৰাক্টৰ। গোলাঘাটত ডাঃ প্ৰিয়কান্ত দত্তৰ দ্বিতীয়া কন্যা শ্ৰীমতী গকুলেশ্বৰী বৰুৱা (বিজু) তেওঁৰ পৰিণীতা পত্নী। শ্ৰীউদয়নাথ বৰুৱাৰ কনিষ্ঠ পুত্ৰ শ্ৰীদীনেন্দ্ৰ নাথ বৰুৱা ককাক (পিতামহ) দেবনাথ বৰুৱাৰ দৰে এজন প্ৰবীন চিকাৰী হৈ উঠিছে।

স্বৰ্গীয় দেৱনাথ বৰুৱাৰ দ্বিতীয়া ভাৰ্য্যাৰ প্ৰথমা কন্যা দুৰ্গেশ্বৰীক উত্তৰ গুৱাহাটী শিলসাকোৰ বেজদলৈ ভড়ঁালী বৰুৱা বংশৰ মনুৰাম কাকতীৰ পুত্ৰ কৃষ্ণৰাম বৰুৱাই বিবাহ কৰে; তেওঁলোকৰেই চাৰি পুত্ৰৰ ভিতৰত এই বিৱৰণী লিখক শিলসাকো নিবাসী তৃতীয় পুত্ৰ। দেৱনাথ বৰুৱাৰ দ্বিতীয়া কন্যাক নগাঁৱৰ সোণাৰাম হাজৰিকাৰ পুত্ৰ ৰত্নকান্ত হাজৰিকালৈ বিবাহ দিয়া হয় আৰু সেই কন্যাৰ অকাল মৃত্যু ঘটাত পুনঃ পঞ্চমা কন্যাকো ...কান্ত হাজৰিকাই বিয়া কৰায়! দেৱনাথ বৰুৱাৰ তৃতীয়া কন্যাৰ আঠগাঁৱৰ ...ম বৰকাকতীৰ পুতেক ভূধৰ বৰকাকতী মৌজাদাৰৰ লগত বিবাহ ...এওঁলোকৰ পুত্ৰ প্ৰখ্যাত সাহিত্যানুৰাগী শেৱালী কবি ৰত্নকান্ত ... এজন চিন্তাশীল আৰু প্ৰতিভাশালী লিখক আছিল আৰু কন্যা ...ৰীৰ (বতাহগিলাৰ) স্বনামধন্য শ্ৰীকান্ত চৌধাৰীৰ সহধৰ্মিণী ...থ বৰুৱাৰ চতুৰ্থা কন্যাক হালোৱাগাঁৱত বিয়া দিয়ে, ... প্ৰভাৱতীৰ, উত্তৰ গুৱাহাটীৰ বেজদলৈ ভড়ঁালী বৰুৱা ... পুত্ৰ জনপ্ৰিয় সুপ্ৰসিদ্ধ উকীল স্বৰ্গীয় যোগেন্দ্ৰনাথ ... বিবাহ হয়; তেওঁ দুজন পুত্ৰ সহ বৰ্ত্তমান গুৱাহাটী ...ছ।


...থমা কন্যা পঙ্কজেশ্বৰীক মজিন্দাৰ বৰুৱা ...ত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ কনিষ্ঠ ...য়; তেওঁলোক অপুত্ৰক অৱস্থাত

ৰ
লৰ
সমত
ক্ষেত্ৰৰ
আৰ্জ্জন
কংগ্ৰেছৰ
এজন সদস্য
চালনা কৰি

বৰ্ত্তমান পেঞ্চন লৈ ৰাজহুৱা কামতেই আত্মনিয়োগ কৰিছে। তেওঁৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীখগেন্দ্ৰনাথ বৰুৱা এজন ৰেডিঅ' আৰু ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰ। তেওঁ দ্বিতীয় মহাযুদ্ধত Air Force ৰ Grouned Enginer হিচাবে ভৰ্ত্তি হৈ লাহোৰ আৰু হায়দৰাবাদত প্ৰায় এবছৰ কাল প্ৰশিক্ষণ লৈ থাকোতেই হঠাতে যুদ্ধ বন্ধহৈ যোৱাত শিক্ষা শেষ নোহওতেই উভতি আহিবলগীয়া হয়। ভাৰত গবৰ্ণমেণ্টে বাকীখিনি শিক্ষা শেষ কৰিবৰ কাৰণে বৃত্তি দি আকৌ বোম্বাইলৈ পঠিয়াই দিয়ে। বোম্বাইত তিনিবছৰ কাল শিক্ষালৈ ৰেডিঅ' ইলেক্ট্ৰিকেল আৰু অটোমবাইল ইঞ্জিনীয়াৰিঙতে ডিপ্লমা লৈ উভতি আহে। তাৰ পৰা আহি নিজে কাৰবাৰ আৰম্ভ কৰে। বৰ্ত্তমান গুৱাহাটীত ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইন্‌ষ্টিটিউটত ৰেডিঅ' আৰু টেলিভিচন্ ইন্‌ষ্ট্ৰাক্টৰ। গোলাঘাটত ডাঃ প্ৰিয়কান্ত দত্তৰ দ্বিতীয়া কন্যা শ্ৰীমতী গকুলেশ্বৰী বৰুৱা (বিজু) তেওঁৰ পৰিণীতা পত্নী। শ্ৰীউদয়নাথ বৰুৱাৰ কনিষ্ঠ পুত্ৰ শ্ৰীদীনেন্দ্ৰ নাথ বৰুৱা ককাক (পিতামহ) দেবনাথ বৰুৱাৰ দৰে এজন প্ৰবীন চিকাৰী হৈ উঠিছে।

স্বৰ্গীয় দেৱনাথ বৰুৱাৰ দ্বিতীয়া ভাৰ্য্যাৰ প্ৰথমা কন্যা দুৰ্গেশ্বৰীক উত্তৰ গুৱাহাটী শিলসাকোৰ বেজদলৈ ভড়ঁালী বৰুৱা বংশৰ মধুৰাম কাকতীৰ পুত্ৰ কৃষ্ণৰাম বৰুৱাই বিবাহ কৰে; তেওঁলোকৰেই চাৰি পুত্ৰৰ ভিতৰত এই বিৱৰণী লিখক শিলসাকো নিবাসী তৃতীয় পুত্ৰ। দেৱনাথ বৰুৱাৰ দ্বিতীয়া কন্যাক নগাঁৱৰ সোণাৰাম হাজৰিকাৰ পুত্ৰ ৰত্নকান্ত হাজৰিকালৈ বিবাহ দিয়া হয় আৰু সেই কন্যাৰ অকাল মৃত্যু ঘটাত পুনঃ পঞ্চমা কন্যাকো ৰত্নকান্ত হাজৰিকাই বিয়া কৰায়। দেৱনাথ বৰুৱাৰ তৃতীয়া কন্যাৰ আঠগাঁৱৰ মণিৰাম বৰকাকতীৰ পুতেক ভুধৰ বৰকাকতী মৌজাদাৰৰ লগত বিবাহ হয়। এওঁলোকৰ পুত্ৰ প্ৰখ্যাত সাহিত্যানুৰাগী শেৱালী কবি ৰত্নকান্ত বৰকাকতী এজন চিন্তাশীল আৰু প্ৰতিভাশালী লিখক আছিল আৰু কন্যা চেনিমাই নলবাৰীৰ (বতাহগিলাৰ) স্বনামধন্য শ্ৰীকান্ত চৌধাৰীৰ সহধৰ্মিণী আছিল। দেৱনাথ বৰুৱাৰ চতুৰ্থা কন্যাক হালোৱাগাঁৱত বিয়া দিয়ে, আৰু কনিষ্ঠা কন্যা প্ৰভাৱতীৰ, উত্তৰ গুৱাহাটীৰ বেজদলৈ ভড়ঁালী বৰুৱা ঘৰৰ জীবিৰাম বৰুৱাৰ পুত্ৰ জনপ্ৰিয় সুপ্ৰসিদ্ধ উকীল স্বৰ্গীয় যোগেন্দ্ৰনাথ বৰুৱা এম-এল-এৰ লগত বিবাহ হয়; তেওঁ দুজন পুত্ৰ সহ বৰ্ত্তমান গুৱাহাটী উজানবজাৰত বাস কৰি আছে।

স্বৰ্গীয় ফটিকচন্দ্ৰ বৰুৱাৰ প্ৰথমা কন্যা পঙ্কজেশ্বৰীক মজিন্দাৰ বৰুৱা ঘৰৰ গৰ্গৰাম সদৰামিণৰ পুত্ৰ পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ কনিষ্ঠ ভ্ৰাতা কেশৱৰাম বৰুৱাই বিবাহ কৰায়; তেওঁলোক অপুত্ৰক অৱস্থাতে



ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা, বি-এল



শ্ৰীখগেন্দ্ৰ নাথ বৰুৱা
ৰেডিঅ' এণ্ড টেলিভিছন ইনষ্ট্ৰাক্টৰ
ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইনষ্টিট্ৰটিউ, গুৱাহাটী

পৰলোক প্ৰাপ্ত হয়। দ্বিতীয়া কন্যাক নগাঁৱৰ লৰৰাম শইকীয়ালৈ দিয়া হৈছিল; তেওঁলোকৰ সতি-সন্ততিগণ নগাঁৱতে বাস কৰি আছে।

অনাৰেবল মাণিকচন্দ্ৰ বৰুৱাৰ প্ৰথমা কন্যা দেৱকুমাৰীক বেজদলৈ ভড়ালী বৰুৱা ঘৰৰ জয়ৰাম বৰুৱাৰ পুত্ৰ কালীৰাম বৰুৱা মৌজাদাৰে বিয়া কৰায়। কালীৰাম বৰুৱাৰ মাক আছিল পানীগঞা ভূঞা বংশৰ তুৰাৰাম ভূঞাৰ জীয়াৰী। এওঁলোকৰ তিনি পুত্ৰৰ ভিতৰত জ্যেষ্ঠ শ্ৰীনৰেন্দ্ৰনাথ বৰুৱা বৰ্ত্তমানেও পলাশবাৰী ছয়ানী মৌজাৰ মৌজাদাৰ আৰু দুজনী কন্যাৰ প্ৰথমাজনীক নগাঁৱৰ খৰঙী বৰুৱা বংশৰ প্ৰখ্যাত ডাক্তৰ স্বৰ্গীয় ললিতকুমাৰ বৰুৱা, দ্বিতীয়াজনীক তেওঁৰ ভ্ৰাতা শ্ৰীসুশীল-কুমাৰ বৰুৱালৈ দিয়া হৈছে। অনাৰেবল মাণিকচন্দ্ৰ বৰুৱাৰ দ্বিতীয়া কন্যাক চিদানন্দ চৌধাৰীৰ দ্বিতীয় পুত্ৰ ৰাধিকানন্দ চৌধাৰীয়ে বিয়া কৰায়।

কাণ্ডাৰ বৰুৱা বংশৰ অষ্টাদশ পুৰুষৰ নৰনাথ বৰুৱা চিৰষ্টাদাৰৰ জ্যেষ্ঠ পুত্ৰ কালীনাথ বৰুৱাৰ প্ৰথমা কন্যা চপলাক ডক্তৰ পদ্মনাথ হাজৰিকা, দ্বিতীয়া কন্যা নিৰলাক যোৰহাটৰ দুলাল চন্দ্ৰ ভড়ালী, তৃতীয়া কন্যা পুতলাক শিৱসাগৰৰ বিদ্যাধৰ চলিহা আৰু চতুৰ্থ কন্যা দেৱলাক গোলাঘাটৰ সাহিত্যিক কীৰ্ত্তিনাথ হাজৰিকালৈ বিয়া দিয়া হয়। দ্বিতীয় পুত্ৰ দেবেন্দ্ৰ নাথ বৰুৱাৰ তিনি কন্যাৰ ভিতৰত ৰেনুবালাক গুৱাহাটীৰ একালৰ মন্ত্ৰী স্বৰ্গীয় ৰুহিণী কুমাৰ চৌধুৰীদেৱৰ পুত্ৰ নলিনী কুমাৰ চৌধুৰী, এড্‌ভকেট, ৰুনুবালাক উত্তৰ গুৱাহাটীৰ ভুবধৰ বৰুৱা (বাবন্ন) বি, এ, আৰু বীণাবালাক গুৱাহাটীৰ প্ৰখ্যাত সাহিত্যিক স্বৰ্গীয় জ্ঞাননাথ বৰা দেৱৰ পুত্ৰ গোলোক চন্দ্ৰ বৰা, বাৰ-এট্-ললৈ বিয়া দিয়া হয়।

কাহাল বৰুৱাৰ ফৈদৰ উনবিংশ পৰ্য্যায়ৰ থুলেশ্বৰ বৰুৱাৰ পুত্ৰ ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা বি-এল নগাওঁৰ এজন অতি খ্যাতনামা উকীল আৰু অতিশয় সৰবৰহী লোক আছিল। সদৌ অসমৰ সমবায় বিভাগীয় গৱেষণা আৰু সংগঠন ক্ষেত্ৰত তেওঁ কিছুকাল আগভাগ গ্ৰহণ কৰি সুনাম আৰ্জ্জিছিল আৰু পিচতো তেওঁৰ বহুমুলীয়া কাৰ্য্য কলাপৰ বিনিময়ত এই বিভাগৰ উপদেষ্টা স্বৰূপে তেওঁৰ ওপৰত চৰকাৰে গুৰুভাৰ অৰ্পন কৰি ৰাখিছিল। তেওঁ এগৰাকী সুপ্ৰসিদ্ধ দেশ সেৱক আৰু মিষ্টভাষী লোক আছিল। তেওঁক চৰকাৰে ইংৰাজী ১-১-২৬ চনত ৰায়চাহেব আৰু ১-১-৩০ চনত ৰায়বাহাদুৰ খিতাপেৰে বিভুষিত কৰে। এওঁ ১১ বছৰ কাল নগাওঁ মিউনিচিপাল বোৰ্ডৰ আৰু ৬ বছৰ কাল নগাঁও লোকেল বোৰ্ডৰ চেয়াৰমেন আছিল। কিছুকাল কলিকতা বিশ্ববিদ্যালয়ৰ ফেলো (fellow) আৰু অসম চৰ্কাৰৰ চাবিচ চিলেকচন বোৰ্ডৰো

সভ্য আছিল। কিন্তু তেওঁ ভৰ বয়স নৌপাওতেই মৃত্যু মুখত পৰিল। তেওঁৰ জেষ্ঠ্যা কন্যা যোগমায়াক (মইনী) উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱা বংশৰ শ্ৰীপ্ৰমোদ কান্ত বৰুৱা বি-এ, বি-টি, তৃতীয় কন্যা দ্বিপালীক (তৰু) তিতাবৰৰ শ্ৰীখৰ্গেশ্বৰ দত্ত আৰু চতুৰ্থ কন্যা নিৰ্ম্মালীক (বুৰু) গুৱাহাটীৰ শ্ৰীনীলৰতন তামুলীলৈ দিয়া হৈছে। দ্বিতীয় কন্যা দেববালা বৰুৱা বি-এ, ভাই-ভনী কেইটিৰ কষ্ট হব বুলি নিজে বিয়া নকৰাই নগাওঁ ছোৱালী হাইস্কুলত শিক্ষয়ত্ৰী পদ গ্ৰহণ কৰি ঘৰতে আছে। আন এজন লোক লক্ষীৰাম বৰুৱাৰ এটি পুত্ৰ আৰু দুজনী কন্যা আছিল। প্ৰথমা কন্যাক সুবিখ্যাত বীৰপুৰুষ মণিৰাম দেৱানে বিবাহ কৰাইছিল। বুৰঞ্জীবিদ বন্ধুবৰ শ্ৰীবেণুধৰ শৰ্ম্মা প্ৰণীত "মণিৰাম দেৱানত" উল্লেখ কৰিছে যে "মণিৰাম দেৱানৰ চাৰি গৰাকী পত্নীৰ ভিতৰত সৰু-মাজু গৰাকী নগাওঁৰ কঢ়াল বৰুৱাৰ ঘৰৰ লক্ষীৰাম বৰুৱাৰ কন্যা চানা বা চম্পাৱতী। চম্পাবতীৰ লগত পতা বিয়াখন দেৱানে বিশ্বনাথৰ পৰা পাতিছিল। তেওঁ কেউগৰাকী ভাৰ্য্যাতকৈ দেখিবলৈ ধুনীয়া আছিল।" তেওঁলোকৰ দুই পুত্ৰৰ নাম আছিল গোপালৰাম আৰু তনুৰাম। এই কঢ়াল বৰুৱা বংশৰ বিংশ পুৰুষৰ গোপালচন্দ্ৰ বৰুৱাৰ প্ৰথমা কন্যা পুতুক গিৰীশ বৰুৱা, দ্বিতীয়া কন্যা কমলাক যোৰহাটৰ হৰমোহন বড়া, তৃতীয়া কন্যা তুপলীক উত্তৰ গুৱাহাটীৰ শ্ৰীক্ষীৰধৰ শইকীয়া, বি-এ, আৰু চতুৰ্থা কন্যা আজলীক শ্ৰীৰমেশচন্দ্ৰ দুৱৰালৈ বিয়া দিছে।

জন্মিজয় নবাবৰ বংশৰ বিংশ পুৰুষৰ বিজয়নাথ বৰুৱাৰ প্ৰথমা কন্যা সুৰবালাক পাথৰিৰ ঘণশ্যাম হেড্ মাষ্টৰ আৰু দ্বিতীয়া কন্যা গিৰিবালাক নগাঁৱৰ নন্দীনাথলৈ বিয়া দিয়া হৈছে। অনন্তনাথ বৰুৱাৰ প্ৰথমা কন্যা ৰেণুপ্ৰভাক উত্তৰ গুৱাহাটীৰ শ্ৰীগদাধৰ বৰকাকতী আৰু দ্বিতীয়া ইন্দুপ্ৰভাক শিৱসাগৰৰ মহেন্দ্ৰ বৰালৈ দিয়া হৈছে। সুৰেন্দ্ৰ বৰুৱাৰ জ্যেষ্ঠা কন্যাক ডিব্ৰুগড়ৰ জ্যোতিশ্চন্দ্ৰ দুৱৰালৈ দিয়া হৈছে। গজেন্দ্ৰ বৰুৱাৰ প্ৰথমা কন্যাক অমল খাটনিয়াৰ আৰু দ্বিতীয়া কন্যাক তিনচুকীয়াৰ লোহিতচন্দ্ৰ বৰুৱাই বিয়া কৰাইছে। এই বিংশ পৰ্য্যায়ৰ বংশধৰ চানাৰাম বৰুৱাৰ নওজন পুত্ৰ আৰু তিনিজনী কন্যা আছিল; জ্যেষ্ঠা কন্যাক বৰভগীয়া শইকীয়া গেন্ধেউৰামলৈ আৰু এজনীক বটলীয়া হাজৰিকাৰ ঘৰৰ বলোৰাম হাজৰিকালৈ বিবাহ দিয়া হৈছিল।

এই বিংশ পৰ্য্যায়ৰে শ্ৰীৰুদ্ৰ বৰুৱা এই বংশৰ এগৰাকী সুপ্ৰসিদ্ধ লোক। তেওঁৰ পিতৃৰ নাম বৰদাপ্ৰসাদ আৰু মাতৃৰ নাম হীৰালতা। তেওঁৰ জন্ম হয় পুৰণিগুদাম অঞ্চলৰ ভীমৰগাঁৱত। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰপৰা মেট্ৰিকুলেচন আৰু নগাঁও কলেজৰ পৰা আই-এ পাছ



শ্ৰীৰুদ্ৰ বৰুৱা ( অনাতাঁৰ শিল্পী )
উপ-অধিকৰ্ত্তা, ( সাংস্কৃতিক শাখা ) তথ্য আৰু
জনসংযোগ বিভাগ, অসম চৰকাৰ, গুৱাহাটী ।

কৰি তেওঁ শ্বিলঙৰ চেণ্ট এণ্ঠনী কলেজত ভৰ্ত্তি হয়। তাৰপৰা সুখ্যাতিৰে বি-এ ডিগ্ৰী লাভ কৰি সমবায় বিভাগৰ বিশদ জ্ঞান অৰ্জ্জনৰ অৰ্থে পুনালৈ গৈ প্ৰশিক্ষণ লৈ আহে। প্ৰায় দহবছৰ কাল এওঁ সমবায় শিক্ষা বিষয়া স্বৰূপে চৰকাৰী কামত বিশেষ সুনাম অৰ্জ্জন কৰাৰ পিচত তথ্য আৰু জন-সংযোগ বিভাগৰ উপ-অধিকৰ্ত্তা পদত নিয়োজিত হয়। শ্বিলঙতে এযুগৰো অধিক কাল চাকৰি কৰি এওঁ ১৯৬১ চনৰ পৰা গুৱাহাটীত আছেহি। এওঁ এগৰাকী অনাতাঁৰ শিল্পীও।

ছাত্ৰাৱস্থাৰ পৰা ছাত্ৰ-কংগ্ৰেছত যোগ দি এওঁ সাংস্কৃতিক অনুষ্ঠানসমূহত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু থলুৱা সঙ্গীত চৰ্চ্চাত মনোনিবেশ কৰি বিশেষ সুখ্যাতি লাভ কৰিছিল। সমগ্ৰ ভাৰতৰ বিভিন্ন স্থানৰ সাংস্কৃতিক বিষয়ৰ অধ্যয়নৰ অৰ্থেও এওঁ এসময়ত প্ৰত্যেকখন ৰাজ্যতে পৰিভ্ৰমণ কৰিছিল। স্বৰ্গীয় চন্দ্ৰকমল ভূঞাৰ দ্বিতীয়া কন্যা আৰতি এওঁৰ পৰিণীতা পত্নী।

এই কাণ্ডাৰ বৰুৱা ঘৰৰ একবিংশ পুৰুষৰ শ্ৰীভুবনচন্দ্ৰ বৰুৱাৰ কন্যা লীলাৱতীক উত্তৰ গুৱাহাটী শ্ৰীগদাধৰ বৰকাকতীৰ ভ্ৰাতা শ্ৰীবংশীধৰ বৰ-কাকতীলৈ দিয়া হৈছে। হৃদয়নাথ বৰুৱাৰ কন্যা তিনিজনীৰ নাম উষাপ্ৰভা, কল্পনা আৰু উৰ্ম্মিলা। শ্ৰীপূৰ্ণচন্দ্ৰ বৰুৱাৰ দুই কন্যাৰ নাম অঞ্জনা আৰু মুন্না, আৰু চুম্বকনাথ বৰুৱাৰ কন্যা কেইজনীৰ নাম হিৰণপ্ৰভা, আৰতি আৰু প্ৰতিভা।

পাতনিতে উনুকিওৱা হৈছে যে এই কণ্ঠাল বা কাণ্ডাৰ বৰুৱা বংশৰ লোকসকল অতিশয় ব্যাপকভাৱে বিক্ষিপ্ত হৈ পৰিছে ; সামৰণিত সেই কাৰণে, মুক্তকণ্ঠে স্বীকাৰ কৰিবলগীয়া হৈছে যে এই বংশৰ খ্যাতনামা আৰু গুণসম্পন্ন কোনো কোনো লোকৰ বিবৃতি সংগ্ৰহ কৰিবলৈ অসমৰ্থ হোৱা হেতুকে এই বিৱৰণিখনিত হয়তো লিপিৱদ্ধ নহল ; সেই কাৰণে কোনো লোক যেন ক্ষুণ্ণ নহৈ ইয়াক পিচৰ সংস্কৰণত পূৰ্ণাঙ্গ কৰিবলৈ সুযোগ প্ৰদান কৰে।

---

# কাণ্ডাৰ ( কট়াল ) বৰুৱাৰ বংশাৱলী

জাতি—কায়স্থ　　　　　　　　　　　　　　গোত্ৰ—পিঙ্গল

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
| --- | --- | --- | --- | --- |
| প্ৰথম পুৰুষ | ১। (১) জন্মিজয় নবাব<br>১। (২) বিজয়া ডেকা | জগন্নাথ | | চুখাম্ফা খোৰা ৰজাৰ দিনত কনৌজৰ পৰা অসমলৈ অহা আদি পুৰুষ। ইং ১৫৬৮ চন |
| দ্বিতীয় পুৰুষ | ২। জগন্নাথ কাণ্ডাৰ বৰুৱা | (১) সঞ্জয়<br>(২) ধনঞ্জয় | | মহাৰাজ প্ৰতাপ সিংহৰ দিনত কাণ্ডাৰ বৰুৱা উপাধি লাভ কৰে। ১৬১৪ চন |
| তৃতীয় পুৰুষ | ৩। সঞ্জয় বৰুৱা<br>৩। ধনঞ্জয় বৰুৱা | পুৰণ<br>ৰামকান্ত | | |
| চতুৰ্থ পুৰুষ | ৪। পুৰণ বৰুৱা<br>৪। ৰামকান্ত বৰুৱা | নিৰ্ম্মল<br>শ্ৰীকান্ত | | |
| পঞ্চম পুৰুষ | ৫। নিৰ্ম্মল বৰুৱা<br>৫। শ্ৰীকান্ত বৰুৱা | (১) হৰিগতি<br>(২) ধ্রুজ<br>(৩) বিজয়<br>ভগীৰথ | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| নবম পুৰুষ | ৯। চন্দ্ৰকান্ত বৰুৱা | (১) আবাহন<br>(২) হৰিকান্ত<br>(৩) চকৰা (অপুত্ৰক)<br>(৪) ভেদো (অপুত্ৰক) | | |
| | ৯। শ্ৰীৰাম বৰুৱা | (১) অমল (অপুত্ৰক)<br>(২) কেৰা (অপুত্ৰক)<br>(৩) সুথিৰ (অপুত্ৰক)<br>(৪) মনথিৰ (অপুত্ৰক) | | |
| | ৯। সিধি বৰুৱা | লক্ষ্মী | | |
| | ৯। বিমল বৰুৱা | (১) অভোল<br>(২) কেৰা | | |
| | ৯। নেকেৰ বৰুৱা | মোলান | | |
| | ৯। অমল বৰুৱা | অমৰ | | |
| | ৯। ভোগী বৰুৱা | (১) ভৰথ<br>(২) মনপুৰ<br>(৩) সুৰথ (অপুত্ৰক) | | |
| | ৯। পূৰ্ণানন্দ বৰুৱা | পদ্মচৰণ | | |
| দশম পুৰুষ | ১০। হৰিমল বৰুৱা | (১) জয়মল<br>(২) সৰুমল | | |
| | ১০। অভি বৰুৱা | জিৰি | | |
| | ১০। জুৰাই বৰুৱা | দতুৰা | | |
| | ১০। সতাই বৰুৱা | মনমথ | | |
| | ১০। এনাই বৰুৱা | দাসী | | |
| | ১০। মনহৰি বৰুৱা | শুকমণি | | |
| | ১০। আবাহন বৰুৱা | কুঞ্জাই | | |
| | ১০। হৰিকান্ত বৰুৱা | চিনাই | | |
| | ১০। লক্ষ্মী বৰুৱা | (১) ভুবন<br>(২) পুহিৰাম<br>(৩) গঙ্গাৰাম | | |
| | ১০। অভোল বৰুৱা | পীথু (অপুত্ৰক) | | |
| | ১০। কেৰা বৰুৱা | আচন্দা | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| নৱম পুৰুষ | ৯। চন্দ্ৰকান্ত বৰুৱা | (১) আবাহন<br>(২) হৰিকান্ত<br>(৩) চকৰা (অপুত্ৰক)<br>(৪) ভেদো (অপুত্ৰক) | | |
| | ৯। শ্ৰীৰাম বৰুৱা | (১) অমল (অপুত্ৰক)<br>(২) কেৰা (অপুত্ৰক)<br>(৩) সুথিৰ (অপুত্ৰক)<br>(৪) মনথিৰ (অপুত্ৰক) | | |
| | ৯। সিধি বৰুৱা | লক্ষ্মী | | |
| | ৯। বিমল বৰুৱা | (১) অভোল<br>(২) কেৰা | | |
| | ৯। নেকেৰ বৰুৱা | মোলান | | |
| | ৯। অমল বৰুৱা | অমৰ | | |
| | ৯। ভোগী বৰুৱা | (১) ভৰথ<br>(২) মনপুৰ<br>(৩) সুৰথ (অপুত্ৰক) | | |
| | ৯। পূৰ্ণানন্দ বৰুৱা | পদ্মচৰণ | | |
| দশম পুৰুষ | ১০। হৰিমল বৰুৱা | (১) জয়মল<br>(২) সৰুমল | | |
| | ১০। অভি বৰুৱা | জিৰি | | |
| | ১০। জুৰাই বৰুৱা | দতুৰা | | |
| | ১০। সতাই বৰুৱা | মনমথ | | |
| | ১০। এনাই বৰুৱা | দাসী | | |
| | ১০। মনহৰি বৰুৱা | শুকমণি | | |
| | ১০। আবাহন বৰুৱা | কৃষ্ণাই | | |
| | ১০। হৰিকান্ত বৰুৱা | চিনাই | | |
| | ১০। লক্ষ্মী বৰুৱা | (১) ভুবন<br>(২) পুহিৰাম<br>(৩) গঙ্গাৰাম | | |
| | ১০। অভোল বৰুৱা | পীথু (অপুত্ৰক) | | |
| | ১০। কেৰা বৰুৱা | আচন্দা | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১০। মোলান বৰুৱা | (১) হলি<br>(২) বেথাৰাম<br>(৩) মায়াৰাম | | |
| | ১০। অমৰ বৰুৱা | (১) মিনাই<br>(২) অভদৰি | | |
| | ১০। ভৰথ বৰুৱা | কালীৰাম | | |
| | ১০। মনপুৰ (মনজুৰ) বৰুৱা | মধুৰাম | | |
| | ১০। পদ্মচৰণ বৰুৱা | অঞো (অচ্যুতানন্দ) | | |
| একাদশ পুৰুষ | ১১। জয়মল বৰুৱা | (১) বীৰবল<br>(২) বিষ্ণুৰাম | | |
| | ১১। সৰুমল বৰুৱা | (১) পেনশ (অপুত্ৰক)<br>(২) পানীৰাম (অপুত্ৰক) | | |
| | ১১। জিৰি বৰুৱা | (১) মাধৱৰাম (অপুত্ৰক)<br>(২) সোণাৰাম | | |
| | ১১। দতুৰা বৰুৱা | কিনাৰাম | | |
| | ১১। মনমথ বৰুৱা | (১) মনপুৰ<br>(২) দিঙুৰাম | | |
| | ১১। দাসী বৰুৱা | মাধিৰাম | | |
| | ১১। শুকমণি বৰুৱা | (১) ধাতুৰাম (অপুত্ৰক)<br>(২) নাথুৰাম (অত্ৰক)<br>(৩) জীউৰাম (অপুত্ৰক) | | |
| | ১১। কুঞ্চাই বৰুৱা | নাথুৰাম | | |
| | ১১। চিনাই বৰুৱা | জাতিৰাম | | |
| | ১১। ভুবন বৰুৱা | (১) ঠগীৰাম (অপুত্ৰক)<br>(২) বাপাৰাম (অপুত্ৰক) | | |
| | ১১। পুহিৰাম বৰুৱা | (১) দীননাথ (অপুত্ৰক)<br>(২) দেহিৰাম (অপুত্ৰক) | | |
| | ১১। গঙ্গাৰাম বৰুৱা | (১) (নাম পোৱা নহল)<br>(২) মিনাইৰাম (অপুত্ৰক) | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১০। মোলান বৰুৱা | (১) হলি<br>(২) বেথাৰাম<br>(৩) মায়াৰাম | | |
| | ১০। অমৰ বৰুৱা | (১) মিনাই<br>(২) অভদৰি | | |
| | ১০। ভৰথ বৰুৱা | কালীৰাম | | |
| | ১০। মনপুৰ (মনজুৰ) বৰুৱা | মধুৰাম | | |
| | ১০। পদ্মচৰণ বৰুৱা | অঞো (অচ্যুতানন্দ) | | |
| একাদশ পুৰুষ | ১১। জয়মল বৰুৱা | (১) বীৰবল<br>(২) বিষ্ণুৰাম | | |
| | ১১। সৰুমল বৰুৱা | (১) পেনশ (অপুত্ৰক)<br>(২) পানীৰাম (অপুত্ৰক) | | |
| | ১১। জিৰি বৰুৱা | (১) মাধৱৰাম (অপুত্ৰক)<br>(২) সোণাৰাম | | |
| | ১১। দতুৰা বৰুৱা | কিনাৰাম | | |
| | ১১। মনমথ বৰুৱা | (১) মনপুৰ<br>(২) দিঙুৰাম | | |
| | ১১। দাসী বৰুৱা | মাঘিৰাম | | |
| | ১১। শুকমণি বৰুৱা | (১) ধাতুৰাম (অপুত্ৰক)<br>(২) নাথুৰাম (অত্ৰক)<br>(৩) জীউৰাম (অপুত্ৰক) | | |
| | ১১। কৃষ্ণাই বৰুৱা | নাথুৰাম | | |
| | ১১। চিনাই বৰুৱা | জাতিৰাম | | |
| | ১১। ভুবন বৰুৱা | (১) ঠগীৰাম (অপুত্ৰক)<br>(২) বাপাৰাম (অপুত্ৰক) | | |
| | ১১। পুহিৰাম বৰুৱা | (১) দীননাথ (অপুত্ৰক)<br>(২) দেহিৰাম (অপুত্ৰক) | | |
| | ১১। গঙ্গাৰাম বৰুৱা | (১) (নাম পোৱা নহল)<br>(২) মিনাইৰাম (অপুত্ৰক) | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৪। মনুৰাম বৰুৱা | (১) বৰপৰশুৰাম<br>(২) হৰিৰাম<br>(৩) চান্দৰাম<br>(৪) শম্ভুৰাম (অপুত্ৰক) | | |
| | ১৪। ৰামথা বৰুৱা | ৰামচৰণ | | |
| পঞ্চদশ পুৰুষ | ১৫। মধুৰাম বৰুৱা | (১) কৃষ্ণৰাম<br>(২) বটুৰাম হাজৰিকা<br>(৩) পৃথুৰাম<br>(৪) থিৰমল (অপুত্ৰক)<br>(৫) শিশুৰাম (অপুত্ৰক)<br>(৬) শিৱৰাম | | |
| | ১৫। কুসুম বৰুৱা | (১) বৰঅজলা<br>(২) ৰামনাথ (অপুত্ৰক)<br>(৩) দামোদৰ<br>(৪) গুণাইৰাম | | |
| | ১৫। মাধৱৰাম বৰুৱা | (১) দয়াৰাম<br>(২) ভকতৰাম<br>(৩) বগাৰাম<br>(৪) বাপুটি (অপুত্ৰক)<br>(৫) লম্বোদৰ | এক | |
| | ১৫। বৰপৰশুৰাম | (১) জাতিৰাম<br>(২) ঘনশ্যাম | | |
| | ১৫। হৰিৰাম বৰুৱা | দামোদৰ | | |
| | ১৫। চান্দৰাম বৰুৱা | (১) পৃথুৰাম (অপুত্ৰক)<br>(২) বিয়াৰাম (অপুত্ৰক)<br>(৩) সৰুৰাম (অপুত্ৰক) | | |
| | ১৫। ৰামচৰণ বৰুৱা | (১) সুৰথ<br>(২) জয়মল | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৪। মনুৰাম বৰুৱা | (১) বৰপৰশুৰাম<br>(২) হৰিৰাম<br>(৩) চান্দৰাম<br>(৪) শম্ভুৰাম (অপুত্ৰক) | | |
| | ১৪। ৰামথা বৰুৱা | ৰামচৰণ | | |
| পঞ্চদশ পুৰুষ | ১৫। মধুৰাম বৰুৱা | (১) কৃষ্ণৰাম<br>(২) বটুৰাম হাজৰিকা<br>(৩) পৃথুৰাম<br>(৪) থিৰমল (অপুত্ৰক)<br>(৫) শিশুৰাম (অপুত্ৰক)<br>(৬) শিৱৰাম | | |
| | ১৫। কুসুম বৰুৱা | (১) বৰঅজলা<br>(২) ৰামনাথ (অপুত্ৰক)<br>(৩) দামোদৰ<br>(৪) গুণাইৰাম | | |
| | ১৫। মাধৱৰাম বৰুৱা | (১) দয়াৰাম<br>(২) ভকতৰাম<br>(৩) বগাৰাম<br>(৪) বাপুটি (অপুত্ৰক)<br>(৫) লম্বোদৰ | এক | |
| | ১৫। বৰপৰশুৰাম | (১) জাতিৰাম<br>(২) ঘনশ্যাম | | |
| | ১৫। হৰিৰাম বৰুৱা | দামোদৰ | | |
| | ১৫। চান্দৰাম বৰুৱা | (১) পৃথুৰাম (অপুত্ৰক)<br>(২) বিয়াৰাম (অপুত্ৰক)<br>(৩) সৰুৰাম (অপুত্ৰক) | | |
| | ১৫। ৰামচৰণ বৰুৱা | (১) সুৰথ<br>(২) জয়মল | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| ষড়দশ পুৰুষ | ১৬। কৃষ্ণৰাম বৰুৱা | (১) বাপিৰাম (অপুত্ৰক)<br>(২) ভুতিৰাম (অপুত্ৰক)<br>(৩) মনুৰাম | | |
| | ১৬। বটু হাজৰিকা | দণ্ডিৰাম | দুই | |
| | ১৬। পৃথুৰাম বৰুৱা | লেৰেলা (অপুত্ৰক) | | |
| | ১৬। শিৱৰাম বৰুৱা | ৰমাকান্ত | | |
| | ১৬। বৰঅজলা বৰুৱা | (১) মধুৰাম<br>(২) বগাৰাম<br>(৩) ভদ্ৰসেন (অপুত্ৰক)<br>(৪) চন্দ্ৰসেন | | |
| | ১৬। দামোদৰ বৰুৱা | (১) কৃষ্ণৰাম (মিকিৰ)<br>(২) গোপাল<br>(৩) কৃপাল (অপুত্ৰক)<br>(৪) লক্ষণ (অপুত্ৰক)<br>(৫) চানাৰাম | | |
| | ১৬। গুণাইৰাম বৰুৱা | লুহাইৰাম | | |
| | ১৬। দয়াৰাম বৰুৱা | (১) হেমকণ্ঠ<br>(২) লক্ষ্মীৰাম<br>(৩) বিকাৰাম | | |
| | ১৬। ভকতৰাম বৰুৱা | (১) গোকুলচন্দ্ৰ (অপুত্ৰক)<br>(২) বাঞ্চাৰাম (অপুত্ৰক)<br>(৩) খঙ্গীৰাম (দুখীৰাম)<br>(৪) কেৰকন | দুই | |
| | ১৬। বগাৰাম বৰুৱা | (১) বাপাৰাম (অপুত্ৰক)<br>(২) গঙ্গাৰাম (অপুত্ৰক)<br>(৩) জগন্নাথ<br>(৪) পোৰাল | দুই | |
| | ১৬। লম্বোদৰ বৰুৱা | (১) সতৰাম (অপুত্ৰক)<br>(২) চানাৰাম | | |
| | ১৬। জাতিৰাম বৰুৱা | ভুতিৰাম | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৬। ঘণশ্যাম বৰুৱা | ৰাধাকান্ত হাজৰিকা | | |
| | ১৬। দামোদৰ বৰুৱা | বৃকোদৰ (অপুত্ৰক) | | |
| | ১৬। সুৰথ বৰুৱা | (১) সৰুমল<br>(২) মনুৰাম | | |
| | ১৬। জয়মল বৰুৱা | (১) কুশৰাম<br>(২) দাসীৰাম | | |
| সপ্তদশ পুৰুষ | ১৭। মনুৰাম বৰুৱা | | | |
| | ১৭। দণ্ডিৰাম বৰুৱা | পোৱালী (অপুত্ৰক) | | |
| | ১৭। ৰমাকান্ত বৰুৱা | হেমোৰাম (অপুত্ৰক)<br>(১) পদ্মকান্ত<br>(২) গোলোক (অপুত্ৰক) | দুই | |
| | ১৭। মধুৰাম বৰুৱা | ধনীৰাম | | |
| | ১৭। বগাৰাম বৰুৱা | (১) নিতাই<br>(২) মনাই (অপুত্ৰক) | | |
| | ১৭। চন্দ্ৰসেন বৰুৱা | (১) কুন্দাই<br>(২) সোণাৰাম<br>(৩) কোকোন্দাই (অপুত্ৰক) | এক | |
| | ১৭। কৃষ্ণৰাম বৰুৱা | (১) বৰবপা (অপুত্ৰক)<br>(২) দধিৰাম<br>(৩) ভুৰাম (অপুত্ৰক)<br>(৪) মিহিৰাম | | |
| | ১৭। গোপালৰাম বৰুৱা | সুতৰাম | | |
| | ১৭। চানাৰাম বৰুৱা | (১) কণকচন্দ্ৰ<br>(২) জীউৰাম<br>(৩) ৰামনাথ | | |
| | ১৭। লুহাইৰাম বৰুৱা | (১) বাঞ্চাৰাম<br>(২) হাবিৰাম | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৭। কুশৰাম বৰুৱা | ভদাই (অপুত্ৰক) | | |
| | ১৭। দাসীৰাম বৰুৱা | (১) হলিৰাম (অপুত্ৰক)<br>(২) গোপীৰাম | | |
| অষ্টা-<br>দশ<br>পুৰুষ | ১৮। পদ্মকান্ত (পদুম) বৰুৱা | (১) গোলাপ<br>(২) নবীন (অপুত্ৰক) | এক | |
| | ১৮। ধনীৰাম বৰুৱা | ভৃগুৰাম (অপুত্ৰক) | | |
| | ১৮। নিতাই বৰুৱা | থুলেশ্বৰ | এক | |
| | ১৮। কুণ্ডাই বৰুৱা | শ্ৰীধৰ ওজা (অপুত্ৰক) | | |
| | ১৮। সোণাৰাম বৰুৱা | (১) বাপন<br>(২) হৰনাথ | এক | |
| | ১৮। দধিৰাম বৰুৱা | (১) দীনবন্ধু (অপুত্ৰক)<br>(২) সুচন্দ্ৰ (অপুত্ৰক)<br>(৩) কণকচন্দ্ৰ | তিনি | |
| | ১৮। মিহিৰাম বৰুৱা | একন | | |
| | ১৮। সুতৰাম বৰুৱা | হৰকান্ত | | |
| | ১৮। কণকচন্দ্ৰ বৰুৱা | (১) ৰত্নকান্ত<br>(২) ফটিক<br>(৩) বৰদাকান্ত | | |
| | ১৮। জীউৰাম বৰুৱা | ৰত্নৰাম | | |
| | ১৮। ৰামনাথ বৰুৱা | (১) গুণনাথ<br>(২) ভূমিকান্ত<br>(৩) ৰত্নেশ্বৰ | | |
| | ১৮। বাঞ্চাৰাম বৰুৱা | (১) দম্বৰুধৰ<br>(২) দালিমা | | |
| | ১৮। হাবিৰাম বৰুৱা, চিৰষ্টাদাৰ | (১) দেৱনাথ (ছোটচাহাব)<br>২) ফটিকচন্দ্ৰ. ই,এ,চি<br>(৩) অনাৰেবল মাণিক-চন্দ্ৰ (অপুত্ৰক, দুই কন্যা) | চাৰি | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৭। হেমকণ্ঠ বৰুৱা | (১) মহীৰাম (অপুত্ৰক)<br>(২) চানাৰাম<br>(৩) ডম্বৰু (অপুত্ৰক) | | |
| | ১৭। লক্ষ্মীৰাম বৰুৱা | কোদোলাই (অপুত্ৰক) | দুই | |
| | ১৭। বিকাৰাম বৰুৱা | (১) থানুৰাম<br>(২) সোণাৰাম | | |
| | ১৭। খঙ্গীৰাম (দুখীৰাম) বৰুৱা | (১) কমলা (অপুত্ৰক দুই কন্যা)<br>(২) ৰুদ্ৰৰাম, মৌজাদাৰ | | |
| | ১৭। কেৰকন বৰুৱা | (১) ভদ্ৰকান্ত (অপুত্ৰক)<br>(২) কমলাকান্ত (অপুত্ৰক<br>(৩) জনাৰ্দ্দন (অপুত্ৰক) | দুই | |
| | ১৭। জগন্নাথ বৰুৱা | (১) নৰনাথ, চিৰষ্টাদাৰ<br>(২) দুৰ্গানাথ<br>(৩) ভূধৰ (অপুত্ৰক)<br>(৪) হৰনাথ (অপুত্ৰক)<br>(৫) চন্দ্ৰনাথ (অপুত্ৰক)<br>(৬) দীননাথ<br>(৭) গুণনাথ | এক | |
| | ১৭। পোৱাল বৰুৱা | (১) ফটিক<br>(২) মাণিক (অপুত্ৰক) | এক | |
| | ১৭। চানাৰাম বৰুৱা | (১) ৰত্নকান্ত (অপুত্ৰক)<br>(২) বংশীধৰ | | |
| | ১৭। দুতিৰাম বৰুৱা | (১) মিহিৰাম (অপুত্ৰক)<br>(২) মণিৰাম (অপুত্ৰক) | | |
| | ১৭। ৰাধাকান্ত হাজৰিকা | লীলাধৰ (অপুত্ৰক) | | |
| | ১৭। সৰুমল বৰুৱা | পকাপছম | | |
| | ১৭। মনুৰাম বৰুৱা | (১) তোলন<br>(২) ঘিণাই | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৮। চানাৰাম বৰুৱা | (১) হৰনাথ<br>(২) মুক্তানাথ<br>(৩) ভগীৰাম (অপুত্ৰক)<br>(৪) গোবিন্দৰাম<br>(৫) বগিৰাম (অপুত্ৰক)<br>(৬) মিনাৰাম<br>(৭) জয়কান্ত<br>(৮) গোপালৰাম<br>(৯) লম্বোদৰ | দুই | |
| | ১৮। থানুৰাম বৰুৱা | দধিৰাম (অপুত্ৰক) | | |
| | ১৮। সোণাৰাম বৰুৱা | (১) বাণেশ্বৰ<br>(২) ধৰণীধৰ | | |
| | ১৮। ৰুদ্ৰৰাম বৰুৱা,<br>মৌজাদাৰ | দুৰ্লভ (বাপুকন) | | |
| | ১৮। নৰনাথ, চিৰষ্টাদাৰ | (১) কালীনাথ<br>(২) দেবেন্দ্ৰনাথ<br>(৩) হৰেন্দ্ৰনাথ | পাঁচ | |
| | ১৮। দুৰ্গানাথ বৰুৱা | (১) গজেন্দ্ৰনাথ<br>(২) ভৱনাথ (অপুত্ৰক)<br>(৩) নন্দীনাথ | তিনি | |
| | ১৮। দীননাথ বৰুৱা | সুৰেন্দ্ৰনাথ | এক | |
| | ১৮। গুণনাথ বৰুৱা | (১) গোলোকনাথ<br>(২) হৰেন্দ্ৰনাথ<br>(৩) মহেন্দ্ৰনাথ | দুই | |
| | ১৮। ফটিকচন্দ্ৰ বৰুৱা | কৃষ্ণচন্দ্ৰ | | |
| | ১৮। বংশীধৰ বৰুৱা | (১) যোগেন্দ্ৰ<br>(২) ভবাণী | তিনি | |
| | ১৮। পকাপতুম বৰুৱা | কেৰকন (অপুত্ৰক) | | |
| | ১৮। তোলন বৰুৱা | (১) সৰুনাথ (অপুত্ৰক দুই কন্যা)<br>(২) দুৰ্গাৰাম (অপুত্ৰক) | | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৮। ঘিনাইৰাম বৰুৱা<br>১৮। গোপী বৰুৱা | নিৰ্ম্মল (অপুত্ৰক)<br>গন্ধাই (গঞ্জৰাম) | | |
| উন-বিংশ পুৰুষ | ১৯। গোলাপ বৰুৱা | (১) পৰাগ<br>(২) প্ৰশান্ত<br>(৩) পৰেশ<br>(৪) ৰঞ্জিত<br>(৫) সঞ্জীৱ | | |
| | ১৯। থুলেশ্বৰ বৰুৱা | (১) কামেশ্বৰ (অপুত্ৰক)<br>(২) ৰায়বাহাতুৰ ভদ্ৰেশ্বৰ বৰুৱা, বি-এল<br>(৩) গোপাল বৰুৱা | তুই | |
| | ১৯। কণকচন্দ্ৰ বৰুৱা<br>১৯। ৰত্নকান্ত বৰুৱা<br>১৯। গুণনাথ বৰুৱা | ৰত্নকান্ত<br>মাণিক (অপুত্ৰক তিনি কন্যা)<br>(১) সুশীল<br>(২) মনুৰাম<br>(৩) কাবুল | এক | |
| | ১৯। ভূমিকান্ত বৰুৱা | (১) ধৰণীকান্ত<br>(২) মুণীন্দ্ৰ<br>(৩) হিৰেন্দ্ৰ<br>(৪) জিতেন্দ্ৰ<br>(৫) দিগেন্দ্ৰ<br>(৬) নৃপেন্দ্ৰ | তুই | |
| | ১৯। বৰদাকান্ত বৰুৱা | ৰুদ্ৰকান্ত | চাৰি | |
| | ১৯। ৰত্নকান্ত বৰুৱা | (১) কেশৱ<br>(২) প্ৰফুল্ল<br>(৩) প্ৰবীন | | |
| | ১৯। ৰত্নেশ্বৰ বৰুৱা | (১) কোকিল<br>(২) কুঞ্জ | চাৰি | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৯। দেৱনাথ বৰুৱা, অনাৰেৰী মেজিষ্ট্ৰেট | (১) কৃষ্ণনাথ<br>(২) ৰমানাথ (অপুত্ৰক)<br>(৩) বিজয়নাথ<br>(৪) অনন্তনাথ<br>(৫) শ্ৰীউদয়নাথ | ছয় | |
| | ১৯। ফটিকচন্দ্ৰ বৰুৱা, ই-এ-চি | (১) পদুমচন্দ্ৰ<br>(২) ভোলানাথ (অপুত্ৰক)<br>(৩) তৰুণচন্দ্ৰ<br>(৪) ভাৰত (অপুত্ৰক)<br>(৫) চাৰুচন্দ্ৰ (নিৰুদ্দেশ) | দুই | |
| | ১৯। হৰনাথ বৰুৱা | (১) ৰামনাথ<br>(২) ভোলানাথ<br>(৩) ভগদত্ত (অপুত্ৰক) | এক | |
| | ১৯। মুক্তানাথ বৰুৱা, মৌজাদাৰ | (১) যোগেন্দ্ৰনাথ<br>(২) নৰেন্দ্ৰনাথ<br>(৩) মহেন্দ্ৰনাথ<br>(৪) সুৰেন্দ্ৰনাথ<br>(৫) ভুজেন্দ্ৰনাথ<br>(৬) গজেন্দ্ৰনাথ<br>(৭) ধৰণীধৰ (অপুত্ৰক) | তিনি<br><br><br><br><br>তিনি<br>তিনি | |
| | ১৯। গোবিন্দৰাম বৰুৱা | (১) গোপীনাথ (অপুত্ৰক)<br>(২) গগনচন্দ্ৰ<br>(৩) গোলাপচন্দ্ৰ | দুই | |
| | ১৯। মিনাৰাম বৰুৱা | (১) বংশীধৰ<br>(২) হংশধৰ (নিৰুদ্দেশ) | দুই | |
| | ১৯। জয়কান্ত বৰুৱা | (১) প্ৰভাতচন্দ্ৰ<br>(২) জগতচন্দ্ৰ<br>(৩) অকনমান | তিনি | |
| | ১৯। গোপালচন্দ্ৰ বৰুৱা | (১) নবীনচন্দ্ৰ<br>(২) তপনচন্দ্ৰ<br>(৩) পবনচন্দ্ৰ | এক | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ১৯। লম্বোদৰ বৰুৱা | উপেন্দ্ৰ | | |
| | ১৯। দুৰ্লভ (বাপুকন) বৰুৱা | ৰাতুলচন্দ্ৰ | এক | |
| | ১৯। কালীনাথ বৰুৱা | (১) দ্বাৰিকানাথ<br>(২) ত্ৰিপুৰানাথ (এক কন্যা)<br>(৩) ব্ৰজেন্দ্ৰনাথ | চাৰি | |
| | ১৯। দেবেন্দ্ৰনাথ বৰুৱা | (১) জিতেন্দ্ৰনাথ<br>(২) ধীৰেন্দ্ৰনাথ<br>(৩) নিৰেন্দ্ৰনাথ | তিনি | |
| | ১৯। গোলোকনাথ বৰুৱা | বিমল | তিনি | |
| | ১৯। হৰেন্দ্ৰনাথ বৰুৱা (ৰাজু) | ৰমেন্দ্ৰনাথ | এক | |
| | ১৯। মহেন্দ্ৰনাথ (বাপু) বৰুৱা | অৰিন্দ্ৰম | | |
| | ১৯। গজেন্দ্ৰনাথ বৰুৱা | গোলাপ | তিনি | |
| | ১৯। নন্দীনাথ বৰুৱা | অনাদি (বীৰু) | তিনি | |
| | ১৯। গঞ্জৰাম (গন্ধাই) বৰুৱা | (১) খৰ্গেশ্বৰ (অপুত্ৰক)<br>(২) পদ্মকান্ত | | |
| বিংশ পুৰুষ | ২০। ৰায়বাহাদুৰ ভদ্ৰেশ্বৰ বৰুৱা, বি-এল | (১) দেবেশ্বৰ<br>(২) প্ৰণৱেশ্বৰ | চাৰি | |
| | ২০। গোপাল বৰুৱা | (১) তপন<br>(২) বাচাকন | চাৰি | |
| | ২০। কৃষ্ণনাথ বৰুৱা | ভুবনচন্দ্ৰ | | |
| | ২০। বিজয়নাথ বৰুৱা | (১) হৃদয়নাথ<br>(২) গোবিন্দ (অপুত্ৰক) | দুই | |
| | ২০। অনন্তনাথ বৰুৱা | চুম্বকনাথ | | |
| | ২০। শ্ৰীউদয়নাথ বৰুৱা | (১) শ্ৰীখগেন্দ্ৰনাথ<br>(২) দীনেন্দ্ৰনাথ | এক পোষ্যা | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | ২০। পদুমচন্দ্ৰ বৰুৱা | অৰুণচন্দ্ৰ | | |
| | ২০। তৰুণচন্দ্ৰ বৰুৱা | শ্ৰীপূৰ্ণচন্দ্ৰ বি-এল | দুই | |
| | ২০। ৰামনাথ বৰুৱা | (১) শিৱপ্ৰসাদ<br>(২) কণকচন্দ্ৰ<br>(৩) ললিত (অপুত্ৰক)<br>(৪) দীনেশ<br>(৫) শৰত (এক কন্যা) | এক | |
| | ২০। ভোলানাথ বৰুৱা | বিপিন (প্ৰভাত এক কন্যা) | এক | |
| | ২০। যোগেন্দ্ৰনাথ বৰুৱা মৌজাদাৰ, বৰভগীয়া | (১) বিচিত্ৰ<br>(২) বিৰজা<br>(৩) শৈলেন্দ্ৰ<br>(৪) সোণটি | চাৰি | |
| | ২০। নবেন্দ্ৰনাথ বৰুৱা | (১) অসীম<br>(২) অনীল<br>(৩) অজিত<br>(৪) লক্ষ্মী<br>(৫) হিৰণ্য | দুই | |
| | ২০। মহেন্দ্ৰনাথ বৰুৱা | (১) অমিয়<br>(২) অৰূপ<br>(৩) অপূৰ্ব্ব | দুই | |
| | ২০। সুৰেন্দ্ৰনাথ বৰুৱা | মূকুল | তিনি | |
| | ২০। ভুজেন্দ্ৰনাথ বৰুৱা | বিবেক | তিনি | |
| | ২০। গগনচন্দ্ৰ বৰুৱা | (১) কমলেশ্বৰ<br>(২) পৱিত্ৰ<br>(৩) গৌতম | তিনি | |

| পুৰুষ | নাম | পুত্ৰ | কন্যা | মন্তব্য |
|---|---|---|---|---|
| | (১) বংশীধৰ বৰুৱা | (১) হিমেন<br>(২) ধীৰেণ<br>(৩) বীৰেণ | এক | |
| | ২০। দ্বাৰিকানাথ বৰুৱা | ৰঞ্জিত | | |
| | ২০। ব্ৰজেন্দ্ৰনাথ বৰুৱা | (১) শ্যাম<br>(২) নিলীম | | |
| এক-বিংশ পুৰুষ | ২১। ভুবনচন্দ্ৰ বৰুৱা | (১) শৈলেন্দ্ৰমোহন<br>(২) ইন্দ্ৰমোহন | এক | |
| | ২১। হৃদয়নাথ বৰুৱা | (১) মুক্তানাথ<br>(২) প্ৰভাত<br>(৩) সুশীল<br>(৪) ভবেশ<br>(৫) পঙ্কজ<br>(৬) ধ্ৰুব | তিনি | |
| | ২১। শ্ৰীখগেন্দ্ৰনাথ বৰুৱা, ৰেডিঅ' আৰু ইলেকট্ৰিকেল ইঞ্জিনীয়াৰ | (১) শ্ৰীঅমলেন্দ্ৰ<br>(২) শ্ৰীবিমলেন্দ্ৰ | | |
| | ২১। অৰুণচন্দ্ৰ বৰুৱা | (১) শ্ৰীঅঞ্জনচন্দ্ৰ<br>(২) শ্ৰীৰঞ্জনচন্দ্ৰ | | |
| | ২১। শিৱপ্ৰসাদ বৰুৱা | (১) সমীৰণ<br>(২) দিলীপ | চাৰি | |
| | ২১। কণকচন্দ্ৰ বৰুৱা | ৰাণা | তিনি | |
| | ২১। দীনেশচন্দ্ৰ বৰুৱা | (১) নানা<br>(২) শঙ্কৰ<br>(৩) বাবুল | তিনি | |
| | ২১। চুম্বকনাথ বৰুৱা | (১) গিৰিধৰ<br>(২) হেৰম্বকুমাৰ | তিনি | |

# বুৰঞ্জীত 'বৰুৱা' উপাধিৰ উৎপত্তি

শ্ৰীৰিপুবুঢ়া গোহাঁঞি

( অসমত 'বৰুৱা' উপাধিটো কেনেকৈ আৰু কেতিয়াৰ পৰানে। উদ্ভৱ হ'ল, ইয়াত তাকে দাঙি ধৰা হৈছে। দিলিহীয়াল বুঢ়াগোহাঁঞিসকলৰ নিজা সাঁচিপতীয়া বুৰঞ্জীৰ ছাঁ লৈ এই কাহিনীছোৱা যুগুত আৰু প্ৰণয়ন কৰা হৈছে। এই প্ৰৱন্ধটো মাহেকীয়া দীপকৰ ১৬শ বছৰ, ৯ সংখ্যা আহাৰ ১৮৯২ শকত প্ৰকাশিত।)

অতীত কালৰ সাঁচিপতীয়া অসম বুৰঞ্জীৰ প্ৰথম খণ্ড চালে 'বৰুৱা' উপাধিটোৰ অন্তৰালত এটি ৰহস্য পুৰ্ণ কাহিনী দেখিবলৈ পোৱা যায়! অসমৰ প্ৰতি উপাধিৰ গুৰিত যিবোৰ তথ্যপূৰ্ণ কাহিনী লুকাই আছে, আমাৰ বুৰঞ্জীবিদ্ সকলে আজিও সেইবোৰ উদঘাটন কৰিবলৈ চেষ্টা কৰা নাই।

১২২৮ চনত স্বৰ্গদেৱ চুকাফাৰ লগত অহা বুঢ়াগোহাঁঞি ডাঙৰীয়া জনাৰ নাম আছিল থাওমুংক্লিলন্ মাংৰাই। এওঁৰে পুত্ৰ থাওৰুৰো বুঢ়াগোহাঁঞি ডাঙৰীয়া যি মহা গুণী-জ্ঞানী, সুপণ্ডিৎ আৰু পৰাক্ৰমী বীৰো আছিল। এইজনা ডাঙৰীয়াৰ পৰামৰ্শৰ বলতে গোটেই সৌমাৰ খণ্ড জয় কৰি স্বৰ্গদেৱ চুকাফা সকলোৰে মাজত জনাজাত হৈ পৰিছিল।

সৌমাৰৰ ৰজা মৰাণ, মটক, আৰু বৰাহী আদি সকলে পোনপ্ৰথমে নিজ নিজ ৰাজ্য ৰক্ষা কৰিবলৈ তুমুল সংগ্ৰামত নামিছিল যদিও, অৱশেষত তেওঁলোক পৰাজয় হৈ আহোমৰ সৈতে চিৰ মিত্ৰতাৰ বান্ধত বান্ধ খাই পৰিছিল। পিছলৈ তেওঁলোকে ইয়াকো জানি উঠিছিল যে তেওঁলোকো অতীতত সেই টাই বা আহোমসকলৰ একে গোষ্টীৰে মানুহ। এই কথা বুজি উঠাৰ লগে লগে এক হৈ পৰাৰ উপৰিও, বৈবাহিক সম্বন্ধৰ মাজতো এক হৈ মিলি গৈছিল।

সঁচাকথা ক'বলৈ গলে, স্বৰ্গদেৱ চুকাফাই তেওঁলোকক লগ নোপোৱা হলে, অসম বুৰঞ্জীয়ে হয়তো অন্য প্ৰকাৰৰ পথহে অনুসৰণ কৰিবলৈ পালেহেঁতেন। স্বৰ্গদেৱে প্ৰথমে সিবিলাকৰ মাজতেই তেওঁৰ ভাষা-কৃষ্টি সভ্যতা আদি প্ৰচাৰ কৰি নতুন ৰূপত সৌমাৰক গঢ়িব পাৰিছিল। অতি কম সময়ৰ মাজতে একজাত, একমাত, একভাত, এই মনোভাৱত অনুপ্ৰাণিত কৰিব পৰাটো লেখত লবলগীয়া বিষয় নহৈ নোৱাৰে।

এটা বিচিত্ৰ কথা যে, আগৰ কালত মন্ত্ৰীসকলে নিজক কেৱল দেশৰ আভ্যন্তৰীণ বিষয়বোৰৰ মন্ত্ৰণাতে আৱদ্ধ নাৰাখি, সময় মতে ৰণলৈও যাবলগীয়াত পৰিছিল। কেতিয়াবা প্ৰজাৰ সুখ-দুখৰ সম্ভেদ লবলৈ নানা ছদ্মবেশতো ৰাজ্যৰ অ'ত ত'ত ভ্ৰমণ কৰি ফুৰিছিল। এই বাবেই দেশৰ কামবোৰ এটা সুস্থ আৰু পৰিবেশৰ মাজত হবলৈ ধৰিছিল যাৰ বাবে দেশৰ সামাজিক অৱস্থাও দোপদ-দোপে টনকিয়াল হৈ উঠিছিল।

এবাৰ বুঢ়াগোহাঁঞি ডাঙৰীয়াই ছদ্মবেশত নগৰ পৰিভ্ৰমণ কৰা অৱস্থাত তেওঁৰ পিয়াহ লাগে, ওচৰৰ এখনি পৰ্ব্বতীয়া নৈত পানী খাবলৈ বুলি আগুৱাই গ'ল। তেতিয়া সেই নৈত মৰাণ-কুমাৰী সত্যৱতীয়ে তেওঁৰ লগৰীয়া সখিয়েকহঁতৰ সৈতে মনৰ আনন্দতে সাঁতুৰি-নাদুৰি গা-ধুই আছিল। দুৰ্ভাগ্যবশতঃ ৰাজকুমাৰী হঠাৎ দ-পানীত পৰি উটি যাবলৈ ধৰিলে। হঠাৎ কেওফালে চিঞৰ-বাখৰ কোৰ্হাল লগা শুনি ডাঙৰীয়াই কিছুদুৰ গৈ দেখা পালে যে, সোঁতত এজনী গাভৰু ছোৱালী।

তেওঁ যিভাবে আছিল সেই ভাবেই নৈত জঁপিয়াই পৰি ছোৱালী-জনীক উদ্ধাৰ কৰি তুলি আনিলে। পিছতহে গম পালে যে, তেৰেঁই মৰাণ-ৰজাৰ একমাত্ৰ কন্যা। আসন্ন মৃত্যু মুখৰ পৰা ৰক্ষা পাই কুমাৰী চিৰকৃতজ্ঞা হ'ল আৰু তেওঁক কাৰেঙলৈ নি দেহা উবুৰিয়াই সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰে। সেইদৰে মৰাণ ৰজাইও গোহাঁঞিৰ প্ৰতি চিৰ কৃতজ্ঞ হৈ আদৰ-অভ্যৰ্থনা জনালে। প্ৰবাদ আছে যে এই মৰম-চেনেহৰ মাজতে পিছলৈ সেই ৰাজকুমাৰীৰ সৈতে গোহাঁঞি ডাঙৰীয়াৰ গন্ধৰ্ব্ব-প্ৰথাৰে পতি-পত্নীৰ সম্বন্ধও ঘটে।

তেওঁলোকৰ মাজত তেনে সম্বন্ধ ঘটি উঠিছিল যদিও, কুমাৰীয়ে তেতিয়াও গম নাপাইছিল যে, সেই জনেই আহোম ৰাজ্যৰ ঘাই লাই-খুটা সেই বুঢ়াগোহাঁঞি ডাঙৰীয়া। দিনবোৰ সেই ভাবেই গৈ থাকে, কিছুদিনৰ পিছত কুমাৰী সগৰ্ভা হয়॥ তেনে অৱস্থাত তেওঁ পিতৃ-গৃহত থাকিবলৈ ইচ্ছা নকৰি স্বামীৰ গৃহলৈ যাবলৈ ইচ্ছা কৰে। ডাঙৰীয়াইও এটা নিৰ্দ্দিষ্ট দিনত তেওঁক নিয়াৰ বন্দবস্ত কৰি লৈছিল।

তেতিয়া সীমান্তত চুতীয়াৰ সৈতে আহোমসকলৰ ৰণ লাগে। সেই যুদ্ধত উভয় পক্ষৰ গুণী-জ্ঞানী কেইবাজনো বিষয়া ৰণত পৰিলত, দেশত এটা বেয়া পৰিস্থিতি হৈ পৰে। অৱশেষত স্বৰ্গদেৱে এইজনা বুঢ়াগোহাঁঞি ডাঙৰীয়াকে এটা শকত সৈন্যবাহিনীৰে যুদ্ধলৈ পঠাই দিয়ে; সেইমতে তেওঁ চুতিয়াৰ যুদ্ধলৈ ওলায়। তেওঁ ৰণলৈ যোৱাৰ আগতে কুমাৰীকো লগ ধৰাৰ ব্যৱস্থা কৰিলে।

এদিন গোহাঁঞিঃ ডাঙৰীয়াই ৰাজকুমাৰীক লগ ধৰিলে। তাৰ লগতে তেতিয়াহে নিজৰ প্ৰকৃত পৰিচয় দি সকলো কৈছিল। তেতিয়া কুমাৰী আচৰিত হ'ল যদিও, তেনে এগৰাকী দেৱ-পুৰুষক স্বামী হিচাবে পোৱাত হাতেতে যেন স্বৰ্গখন ঢুকি পাইছিল। সিফালে বাপেকৰো আনন্দৰ পাৰ নোহোৱা অৱস্থা হৈ পৰে, আগতকৈও অধিক শুশ্ৰূষা কৰি তেওঁক আপোন কৰি লৈছিল। কিন্তু, যেতিয়া যুদ্ধৰ কথা কৈ বিদায় মাগিছিল, তেতিয়াহে তেওঁলোকৰ স্বৰ্গখন যেন ভাগি-ছিগি মূৰত পৰি গৈছিল।

ৰাজকুমাৰী অতিকৈ হতভম্বা হয়। ডাঙৰীয়াই তেওঁক তেতিয়া বঢ়াই-বুজাই বিদাই লৈ যাবৰ পৰত নিজৰ আঙুঠি এটা পিন্ধাই দিয়াৰ বাহিৰেও এখনি হেংদান দি কলে—"ৰাজকুমাৰী! এই সম্পত্তি মোৰ প্ৰাণৰ উপহাৰ বুলি ধৰিবা। তুমি এই সম্পত্তি অতি যতনে আৰু আবুৰকৈ ৰাখিবা; যাতে ইবোৰ আনৰ হাতলৈ কেতিয়াও নাযায়। বিশেষকৈ ভবিষ্যতে হয়তো এইবিলাকেই সকলো বিপদ-আপদৰ পৰা তোমাক ৰক্ষা কৰিব আৰু হয়তো প্ৰকৃত পৰিচয়ো মোৰ এইবিলাকেই প্ৰমাণ কৰি থাকিব। অদৃষ্টৰ কথা কোৱা টান, মই যদিহে যুদ্ধত জয়ী হৈ নিৰ্বিঘ্নে আকৌ ঘূৰি আহোঁ, তেতিয়াহে আমাৰ এই বৈবাহিক সম্বন্ধও যুগমীয়া কৰি জিলিকাই থম।"

ৰাজকুমাৰী আছিল উপযুক্ত শিক্ষিতা আৰু দেশ-প্ৰেমিকা। তেওঁ বুজিছিল যে ব্যক্তিগত সুখ-সম্ভোগ আৰু স্বাৰ্থতকৈ দেশৰ স্বাৰ্থ আৰু কৰ্ত্তব্যৰ আহ্বান সদায় ডাঙৰ। ডাঙৰীয়াৰ কথাৰ ওপৰত কথা কবলৈ তেওঁৰ একো নাথাকিল, পদত পৰি স্বামীক আনন্দেৰে বিদায় দিছিল। ডাঙৰীয়া তাৰ পিচত যুদ্ধলৈ গুচি গ'ল।

সেই যুদ্ধত ডাঙৰীয়াই হেলাৰঙে চুতিয়াক পৰাস্ত কৰি দেশৰ এটা সৰ্ব্বশ্ৰেষ্ঠ গৌৰৱ ৰক্ষা কৰিলে। স্বৰ্গদেৱৰ আনন্দৰ সীমা নাথাকিল, দেশবাসীয়ে ডাঙৰীয়াৰ জয়গীত গাই গাই নগৰ-চহৰ, গাওঁ-ভূঁই তোলপাৰ লগালে। ৰাজকুমাৰী সত্যব্ৰতীয়ে এই বাতৰি পাই অতিকৈ আত্মহাৰা হ'ল, তেওঁ স্বামীৰ শুভাগমনৰ কাৰণে বাট চাবলৈ ধৰিলে। কেওফালে এক মহানন্দ বিজয়ৰ ধ্বনি।

কিন্তু, নিয়তিৰ অভিশাপ আৰু দেশৰ দুৰ্ভাগ্য ঘটিল। ডাঙৰীয়া যুদ্ধত জয়ী হৈ দেশলৈ ঘূৰি অহা অৱস্থাতে মৰাণৰ কোনোবা এজন পালি-সেনাপতিয়ে তেওঁক ভয়ানক বিশ্বাসঘাতকতা কৰি হত্যা কৰিলে! তাৰ কাৰণ আছিল, তেওঁ সেই মৰাণ কুমাৰীক পাবলৈ বহুত দিনৰ পুৰ্ব্বৰে পৰাই প্ৰচেষ্টা চলাই আছিল। পিছত কাৰ্য্যক্ষেত্ৰত বিফল হৈ মনে মনে

প্ৰতিহিংসা আৰু প্ৰতিশোধৰ ভাব পোষণ কৰি থকাৰ ফলতে, তেনেভাবে সুযোগ-সুবিধা পাই গোহাঁঞি ডাঙৰীয়াৰ অকালমৃত্যু ঘটালে। পিছত আহোম সৈন্যই সেই আততায়ীকো বন্দী কৰি নগুৰ শাস্তিৰ মাৰি পেলায়।

ডাঙৰীয়াক তেনে অন্যায় ভাবে হত্যা কৰাত কেৱল আহোমসকলেই নহয়, মৰাণ-মটক বৰাহী আদি ৰজাসকলেও মৰ্ম্মান্তিক দুখ পাইছিল। আনকি সিবিলাকে একেৰাহে সাতদিন ধৰি শোক-ব্ৰতত থাকি স্বৰ্গীয় ডাঙৰীয়াৰ আত্মাৰ সদগতি অৰ্থে পূজা পাতলো দিছিল। স্বামীৰ সেই বিয়োগত কুমাৰী কান্দি-কাতি আউলী-বাউলী হৈ পৰিছিল' তেওঁৰ যেন আশাৰ সংসাৰখন ভাগি-ছিগি নাইকীয়া হৈ পৰিছিল, তেনে হৈ গ'ল।

তাৰ কিছুদিনৰ পিছতেই কুমাৰীৰ এটি পুত্ৰ সন্তানৰ জন্ম হয়। উল্লেখ আছে যে, সেইদিনা ঘৰৰ কাঁহ-ডবা-ঘণ্টাবোৰ আপোনা আপোনি ৰৰকৈ বাজি উঠিছিল আৰু কেওফালে এটা নতুন পৰিবেশো দেখা পোৱা গৈছিল। তেনে মহা দিনত মাকে পিতৃ প্ৰদানিত সেই সোণৰ আঙুঠিটোকে পুত্ৰৰ মূৰত থৈ বাৰে বাৰে মঙ্গল-আশীৰ্ব্বাদ দিছিল। সেইদিনা হেংদানখনেও হেনো থুম্ থুম্ শব্দ কৰি ৰৰকৈ জিলিকি তিৰবিৰাই আছিল।

চাওঁতে চাওঁতে দিনকদিনে লৰাটি লহপহকৈ ডাঙৰ-দীঘল হৈ আহে। তাৰ জন্ম-বৃত্তান্ত মাকে অতি গোপনে ৰাখিছিল: কাৰণ স্বৰ্গদেৱে গম পালে তাক বুকুৰ পৰা কাঢ়ি নি পালন কৰিবগৈ বুলিয়েই তেওঁৰ ডাঙৰ ভয় হৈছিল। ঘৰখনৰ বাদে এই কথা অইন কোনোৱেই নাজানিছিল। মৰাণৰ অইনবোৰ লৰাৰ লগত খেলা-ধূলা কৰি সিও তেনেকৈ মাকৰ লগতেই থাকি ডেকা হৈ পৰিছিল।

সেই কালত স্বৰ্গদেৱৰ এটা নিৰ্দ্দেশ আছিল যে, মৰাণৰ প্ৰতিজন ডেকাই মাহে ৰাজভৰালত একোভাৰকৈ খৰি জমা দিব লাগে। মাকে এতিয়া তেনেকৈ নপঠালে ধৰা পৰাৰ ভয়তে ইবোৰৰ লগত তাকো পঠাবলৈ ধৰে। পুতেকেও মাকৰ কথামতে কান্ধত খৰিৰ ভাৰ লৈ যায় আৰু আহে। যিডাল কান্ধ-মাৰিত সি খৰি নিছিল, তাৰ ভিতৰতে সেই হেংদানখন সোমোৱাই থোৱা আছিল। মাকৰ নিৰ্দ্দেশমতেই খৰি পেলাই সেই কান্ধ-মাৰিডাল নিতৌ ঘৰলৈ ঘূৰাই লৈ আহিছিল। কিন্তু, ইবোৰে তাকে নকৰি খৰিৰ লগতেই সিহঁতৰ কান্ধমাৰিবোৰো তাত পেলাই থৈ শুদা হাতেহে ঘূৰি আহিছিল।

ৰাজঘৰীয়া শেনচকুৱা চোৰাংচোৱাহঁতৰ আগত ৰক্ষা আছে কাৰ? সিহঁতে দেখিবলৈ পালে যে, মৰাণৰ সকলো ডেকাই খৰিৰ সৈতে কান্ধ-মাৰিবোৰ থৈ যায়: কিন্তু এই ডেকাটোৰ তেনে স্বভাৱ দেখা পাই

সিহঁতৰ সন্দেহৰ ওপৰত সন্দেহ বাঢ়ি যাবলৈ ধৰে। এই বিষয়ে অনুসন্ধান লবলৈ সিহঁতে তেতিয়া অপেক্ষা কৰি থাকিল।

এদিন তাক আগচি ধৰি তাৰ কাৰণ সোধাত সি সন্তোষজনক উত্তৰ দিব নোৱাৰাত, সিহঁতৰ সন্দেহৰ মাত্ৰাও বেছি হয়। সিহঁতে তেতিয়া তাৰ হাতৰ পৰা কান্ধমাৰিটো কাঢ়ি লবলৈ টনা-আঁজোৰা কৰাত, অগত্যা সি সেই কান্ধমাৰিৰে সিহঁতক মৰিয়াই আহত কৰি লৰি পলাই যায়। ইফালে এই কথা গৈ স্বৰ্গদেৱৰ কাণতো পৰে আৰু তেতিয়াই সেই কান্ধমাৰি সহ বিচাৰৰ অৰ্থে ধৰি আনিবলৈ আদেশ কৰিলে।

যেনে আদেশ তেনে কাম। পালি-পহৰীয়াই তেতিয়াই তাক ধৰি আনি বিচাৰৰ অৰ্থে ৰাজ-চ'ৰা পোৱালেহি। তাৰ পিছে পিছে মাকো কান্দি-কাতি আহি সেইখিনি পায়। মানুহে মুখে মুখে কবলৈ ধৰিলে যে, ৰজাঘৰীয়া মানুহক অপমান কৰি কাৰো ৰক্ষা নাই। তাকো যে বিচাৰত মৃত্যুদণ্ড বিহিব এই কথাও প্ৰত্যেকৰে প্ৰাণে প্ৰাণে হ'ল। কেওফালে যেন কাঁহ পৰি জীণ গ'ল। কাৰো মনত শান্তি নাছিল।

এই ডেকাটি আছিল অদ্বিতীয় বলবান আৰু ধুনীয়া। যেয়ে তাক চাইছিল, সেয়ে মুগ্ধ হৈ বেজাৰতে কান্দি পেলাইছিল। তাৰ নিচিনা তেজাল, গহীন গম্ভীৰ আৰু পকাঠেকেৰাৰ দৰে মুখৰ বৰণ মৰাণৰ ভিতৰত অইন কেও নাছিল। দেখাত যেন সাইলাখ কোনোবা ৰাজকুমাৰহে, এই কাৰণেই মানুহৰ মনত বৰ বেজাৰ লাগি গৈছিল। বিচাৰৰ দিনা বাহিৰত ইমান মানুহ গোট খাইছিল যে বিৰ্দি বাট পাবলৈও নোহোৱা অৱস্থা হৈ পৰিছিল গৈ।

স্বৰ্গদেৱৰ বৰচ'ৰাত বিচাৰ আৰম্ভ হ'ল। কেওফালে নীৰৱ-নিস্তব্ধ আৰু প্ৰত্যেকৰে মুখত বিষাদৰ ভাব। এবাৰ স্বৰ্গদেৱে ডেকাটিৰ মুখৰ পিনে চাই অবাক হৈ পৰে, কাৰণ তেনে চেহেৰাৰ ডেকা আগতে কোনো দিনেই মৰাণৰ মাজত দেখা পোৱা নাছিল। তাৰ সেই সাহ-পিতৰ প্ৰমাণ পাই মাক-বাপেকৰ প্ৰকৃত পৰিচয় বিচাৰি সোধাত, তেতিয়া মাকে আগবাঢ়ি গৈ আঠুলৈ স্বৰ্গদেৱক কান্দি-কাতি কলে—"স্বৰ্গদেৱ ঈশ্বৰ! এই দাসীক কাটিকেইবা মাৰকেই মৰেই তাৰ মাক। মই স্বৰ্গদেৱৰ আগত মিছা কথা নকওঁ যি কম সঁচা কথাকে কম। স্বৰ্গদেৱ ঈশ্বৰে যাক ধৰাই আনিছে, সি কোনো নহয়, সেই স্বৰ্গীয় বুঢ়াগোহাঁঞি ডাঙৰীয়াৰে পুত্ৰ।"

মৰাণ-জীয়াৰীৰ এই স্বীকাৰ উক্তিত বিচাৰকক্ষ যেন থৰ্-থৰি কঁপি উঠিল, ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ মুখত মাত সৰি পৰিল। ইজনে সিজনৰ মুখলৈ চাই থকাৰ বাহিৰে ঘুৰিবাৰ কোনো কথাকে কব নোৱাৰা

অৱস্থা হ'ল। স্বৰ্গদেৱে কোনো মতেই বিশ্বাস কৰিব নোৱাৰা হৈ খংমনে কলে—"তুমি ইয়াৰ উচিত প্ৰমাণ দিব নোৱাৰিলে পুতেৰৰ সৈতে তোমাকো কঠোৰ শাস্তিত মৰাম। সত্যকথা কোৱা, তোমাৰ হাতত তাৰ বিশ্বাসযোগ্য প্ৰমাণ আছে কি ?"

কুমাৰীয়ে তেতিয়া কক্ষৰ সকলোৱে শুনাকৈ উচ্চ স্বৰে উত্তৰ দিলে— "স্বৰ্গদেৱ ! তাৰ প্ৰমাণ বিচাৰি বেছি দূৰলৈ যাবৰ আৱশ্যক নকৰে, সেই প্ৰমাণ ওচৰতে আছে যদি মোৰ কথাৰ প্ৰমাণ চাব খোজে, অনুগ্ৰহ কৰি এই কান্ধ-মাৰিটো ফালি চালেই সচাঁ-মিছা ওলাই পৰিব। তাৰ পিছত মোক যি শাস্তি-দণ্ড বিহে, মই নিৰ্ব্বিবাদে সেই শাস্তি-দণ্ড মূৰ পাতি লবলৈ সাজু আছোঁ।"

পিছত, কিং কৰ্ত্তব্য বিমূৰ হৈ স্বৰ্গদেৱে বিষয়া এজনক সেইমতে কান্ধ-মাৰিটো ফালি চাবলৈ আদেশ কৰা মতে তেওঁ সকলোৰে সাক্ষাতত বাঁহটো ফালি পেলায়। তাৰ ভিতৰত বুঢ়াগোহাঁঞি ডাঙৰীয়াৰ সেই হেংদানখন ওলাই পৰিল, ৰজাপ্ৰজা তেতিয়া বেছি আচৰিত হ'ল। স্বৰ্গদেৱে হেংদানখন হাতত তুলি লৈ দেখা পালে যে, সচাঁই সেইখন স্বৰ্গীয় ডাঙৰীয়াৰে সম্পত্তি। তেওঁৰ সেই সম্পত্তি মৰাণ-কুমাৰীৰ হাতলৈ গ'ল কেনেকৈ এই কথা ভাবি স্বৰ্গদেৱ তেতিয়া নিস্তব্ধ হৈ থাকিল।

মৰাণ-কুমাৰীয়ে তেতিয়া তেওঁৰ আন এটা প্ৰমাণৰ কথা কবলৈ বুলি অলপ আগবাঢ়ি গ'ল আৰু পূৰ্ব্বৰ দৰেই উচ্চস্বৰে কলে—"স্বৰ্গদেৱ ঈশ্বৰ ! কেৱল সেয়ে প্ৰমাণ নহয়, মোৰ হাতত আন এটা প্ৰমাণো আছে। চাওক এইটো সোণৰ বহুমূলীয়া আঙুঠি স্বৰ্গীয় ডাঙৰীয়াই মোক নিজহাতে পিন্ধাই গৈছিল। এই আঙঠি মই আজিও যযতনে পিন্ধি আছোঁ।" কথাৰ লগে লগে আঙঠিটো স্বৰ্গদেৱৰ আগত থৈ দিলে।

স্বৰ্গদেৱে এইবাৰো আঙঠিটো তুলি লৈ ভালকৈ লাৰি-পিটিকি চাই দেখিলে যে, সিও সচাঁই স্বৰ্গীয় ডাঙৰীয়াৰে সম্পত্তি। ইয়াৰ পাছত আন প্ৰমাণৰ কোনো প্ৰয়োজন নহল যদিও, ডাঙৰীয়াৰ সৈতে তেওঁৰ নো সেই বৈবাহিক্ সম্বন্ধ ঘটিছিল কেনেকৈ, তাৰ সবিশেষ বিচৰা মতে মৰাণ-কুমাৰীয়ে তেওঁৰ সকলোবোৰ বিৱৰি কলে। বিচাৰকক্ষ তেতিয়া বেছি নীৰৱ হৈ যায়।

এতিয়া নিৰ্ভুল প্ৰমাণ হৈ গ'ল যে, ডেকাটি প্ৰকৃততে স্বৰ্গীয় বুঢ়াগোহাঁঞি ডাঙৰীয়াৰে সন্তান। স্বৰ্গদেৱ সুখী হ'ল, মৰমতে তেওঁক সাৱটি ধৰিলে আৰু তেতিয়াই তেওঁক সকলো অপৰাধৰ পৰাও মুক্ত কৰি দিলে। কেৱল সেয়ে নহয়, সেই দিনাৰ পৰাই মাক-পুতেক দুয়োকো নগৰৰ ভাল

ঘৰ. ভাল ঠাইত থাকিবলৈ দি, আৱশ্যকীয় বন্দীবেটীহঁতকো নিয়োগ কৰি দিলে। তেওঁলোকৰ আজীৱন ভৰণ-পোষণৰ দায়িত্ব ভাৰো ৰজা-ঘৰে লৈ সহায় কৰিবলৈ ধৰিলে।

এইবিলাকৰ উপৰিও সেই ডেকাটিক কি বিষয়-পদবিত ৰাখি সন্মাণিত কৰাব পাৰে, তাৰ বাবেও চিন্তা চলিল। কিন্তু, এই ডেকাটি সেই ভাবে পৰ-ঠাইত আৰু পৰ-ঘৰত জন্মাৰ হেতুকে নীতি-নিয়ম অনুসাৰে পিতৃৰ উত্তৰাধিকাৰী হব পাৰে নে নোৱাৰে, এই আলোচনাও চলিল। এই ধৰ্ম্মমূলক বিষয়ৰ সিদ্ধান্ত সেই কালত কেৱল ৰাজ পুৰোহিত সেই মহন, দেওঁধাই আৰু বাইলুং সকলেহে কৰিব পাৰিছিল। গতিকে তেওঁলোককো সভালৈ মতা হ'ল আৰু তাৰ শেষ সিদ্ধান্ত দিবলৈ কোৱা মতে পুৰোহিত-সকলেও ভাবি-চিন্তি উত্তৰ দিয়ে।

তিনিওজন পুৰোহিত এক মতত উপনীত হৈ কলে "স্বৰ্গদেৱ! যাৰ পিতৃ-মাতৃৰ অবৈধ মিলনত সন্তান জন্ম হয়, কেতিয়াও প্ৰকৃত উত্তৰাধিকাৰী হবৰ ক্ষমতা নাপায়। এই ডেকাটি স্বৰ্গীয় ডাঙৰীয়াৰ ঔৰসজাত সন্তান হলেও, সেই বাবেই পিতৃৰ আসনত বহাৰ যোগ্যতা তেওঁৰ নাই, অৰ্থাৎ তাৰ পৰা বঞ্চিৎ হৈছে। পূৰ্ব্বপুৰুষ সকলৰ এই ৰীতি-নীতি উলঙ্ঘা কৰিলে, আমি সিবিলাকক প্ৰকাৰাণ্ডে তললৈ নমাই অপমানহে কৰা হব। তাকে চাই স্বৰ্গদেৱে যি ভাল দেখে কৰক।"

স্বৰ্গদেৱে পুৰোহিতসকলৰ সেই ধৰ্ম্ম-মত মানি ললে যদিও, সদ্বংশৰ এই সন্তানটিক কিবা এটি উচ্চ পদত ৰাখিবলৈ বিচাৰিলে। তেতিয়া এনে এটি পদবিৰ প্ৰয়োজন হৈ পৰিলে যে, যাৰ দ্বাৰা তেওঁক সন্মান আৰু মৰম দেখুৱাব পাৰে। সেই বিষয়েও তেওঁলোকক চিন্তা কৰিবলৈ ভাৰ দিয়া মতে পুৰোহিতসকলে চিন্তা কৰিবলৈ ধৰিলে। পুৰোহিতসকলে বিষয়টো গভীৰ ভাবে ভাবি-চিন্তি চাই এদিন নিজ নিজ মত ব্যক্তি কৰিবলৈ বুলি স্বৰ্গদেৱৰ ওচৰলৈ আহে।

প্ৰথমে মহনে নিজ মত ব্যক্ত কৰি কলে—"স্বৰ্গদেৱ! দেখা যায় যে বাওঁ-কঠীয়া পথাৰৰ য'ত ত'তে গঁজে, কিন্তু ফল-ফুল ধৰক-নধৰক গজজোপা হলে লহ্‌পহকৈ বাঢ়ি উঠি বেছ চকুত লগা হয়। এতিয়া এই কথাও ঠিক তেনেই হৈছে যেতিয়া, তাৰ কাৰ্য্য-কলাপৰ লগত মিল ৰাখি উপাধিটো 'বাঁওৰুৱা' ৰখাই অত্যন্ত অৰ্থপুৰ্ণ হোৱাৰ উপৰিও, ভালো হব।"

তাৰ পিছত তেনেকৈ দেওঁধাই পণ্ডিতেও তেওঁৰ অভিমত ব্যক্ত কৰি কলে—"স্বৰ্গদেৱ! নিজৰ ঘৰ থাকিও ঘৰ নথকা মানুহকে 'বজুৱা' বোলা হয়। অৱশ্যে কেতিয়াবা ভাল আমৰ বুলি বকৰানিতো গঁজে, এতিয়াও

এই ভাল আমৰ পুলিটি ভাল ঠাইলৈ তুলি আনিবলগীয়া হৈছে যেতিয়া, প্ৰকৃততে সি 'বজুৱাই' হয়। গতিকে মোৰ অভিমত যে কথাই-কামে ৰজিতা খুৱাই উপাধিটো 'বজুৱা' খোৱাহে বেছি উত্তম হব।"

শেষত বাইলুং পুৰোহিতজন উঠি কবলৈ ধৰিলে—"স্বৰ্গদেৱ! লৰাটি যেতিয়া পৰৰ ঘৰত থাকিয়েই বৰ হ'ল, সেই পিনৰ পৰা চাবলৈ গলে তেওঁক 'বৰহোৱা' উপাধিৰে মানুহে কৰাই ভাল হব। আমি মানুহৰ কৰ্ম্ম-পদ্ধতিৰ ফালে চাইহে খেল বা নতুন উপাধিও আৱিস্কাৰ কৰিব লাগে। বিশেষকৈ, আগলৈ উপাধি বিলাকৰ পৰাই যাতে মানুহৰ আঁতি-গুৰিও উলিয়াব পৰা হয়, সেই বৈজ্ঞানিক পদ্ধতিখিনিও অনুসৰণ কৰাহে বেছি ভাল হব।"

এই তিনিওগৰাকী পুৰোহিতৰ বিভিন্ন অভিমত বিলাক শুনি স্বৰ্গদেৱে পিছত মন্ত্ৰী পৰ্য্যায়তো বিষয়টো আলোচনা কৰে। মন্ত্ৰী ডাঙৰীয়াসকলেও বিবেচনা কৰি সেইবিলাকৰ সমষ্টিতে শেষত 'বৰুয়া' এই উপাধিটো উলিয়ালে আৰু সেই উপাধিৰ দ্বাৰাই ডেকাজনক সম্মানিত কৰিবলৈও পৰামৰ্শ যাচিলে। লগতে এই উপাধিৰ মানুহকে ৰাজকীয় সৈন্য-বাহিনী পৰিচালনাৰ ভাৰ দিয়াৰ উপৰিও, কোনো কোনো আঞ্চলিক শোধ শোধা ভাৰো দিবলৈ কলে।

স্বৰ্গদেৱে মন্ত্ৰী ডাঙৰীয়াসকলৰ সেই পৰামৰ্শ মতেই তেতিয়া এই ডেকাটিক সেই ৰাজকীয় উচ্চ পদত নিয়োগ কৰি সৈন্যাধ্যক্ষৰ ক্ষমতা দিলে। কম দিনৰ ভিতৰতে তেওঁ সেই বিষয়ত নিজৰ অতুলনীয় যোগ্যতা দেখুৱাই দেশৰ গৌৰৱ বঢ়াই প্ৰখ্যাত হৈ পৰিছিল। এইজন বিষয়াৰ পৰিচালিত সৈন্যই যিফালেই ৰণ কৰিছিল তাতেই জয়ী হৈ দেশৰ সীমা বৃদ্ধি কৰাৰ বাহিৰেও, স্বৰ্গদেৱৰ সন্মানো বঢ়াই তুলিব পাৰিছিল। তেতিয়া 'যেনেপিতৃ' 'তেনেপুত্ৰ' বুলিও সকলোৱে শলাগিবলৈ ধৰে।

আগৰ কালৰ এই 'বৰুয়া' শব্দটো কালক্ৰমে মানুহৰ মুখে মুখে বাগৰি আহোঁতে আহোঁতে পিছত 'বৰুৱা' হলহি। সি যিকি নহওক, এই 'বৰুৱা মানত ফুকনৰে সমান আছিল। বিশেষকৈ যি অঞ্চলত ফুকন আছিল তাত বৰুৱা নাছিল। পিছলৈ স্বৰ্গদেৱে বৰুৱাৰ ওপৰতো অন্য এটা 'বৰবৰুৱা' পদবি উলিয়াই তেওঁৰ প্ৰতিনিধি হিচাপে কোনো কোনো কাষৰীয়া অঞ্চলৰ শাসনক্ষমতাৰ ভাৰো দিছিল।

পূৰ্ব্বতে এই 'বৰুৱা' পদত আহোম জাতৰ মানুহকে কেৱল নিয়োগ কৰাৰ নিয়ম আছিল যদিও, পিছলৈ নিজৰ ভিতৰতে নাৰাখি গুণানুসৰি আন জাতৰ মানুহৰ মাজতো অৰ্পণ কৰিছিল। কিন্তু, 'বৰবৰুৱা' পদটো

কেৱল আহোমসকলৰ কাৰণেহে সদায় আচুতীয়াকৈ ৰখা হৈছিল। তেওঁ-লোকৰ বাহিৰে আনজাতৰ মানুহে এই পদ নাপাইছিল বা দিয়াও নাছিল।

আজিকালি দেখিবলৈ পোৱা গৈছে যে, আগৰ 'বৰুৱা' বংশৰ কোনো কোনো লোকে সেই 'বৰুৱা' উপাধিৰ আগত নতুনকৈ 'গোহাঁঞি' শব্দটো প্ৰয়োগ কৰিবলৈ ধৰিছে। পুৰ্ব্বতে তেনে কৰিব পৰা নাছিল, নাইবা কৰিলেও দণ্ডনীয় হ'লহেঁতেন। অৱশ্যে 'গোহাঁঞি বৰুৱা' লিখাৰ অন্তৰালত বুৰঞ্জীমূলক যিটি ভিত্তি আছে, সেইপিনৰ পৰা বিশ্লেষণ কৰিবলৈ গলে, তাক সহজে উলাই কৰিব পৰা নাযায়। আমি আজি সেই বাবেই তাৰ কোনো বাদ-প্ৰতিবাদ নকৰি নীৰবে থাকিবলগীয়াত পৰিছোঁহঁক!

সত্য অপ্ৰিয় হলেও কব লাগিব যে, বৰ্ত্তমান এই যুগত 'বৰুৱা' উপাধিটো সৰ্ব্বজনপ্ৰিয় হৈ পৰিছে আৰু সেই কাৰণেই ইচ্ছানুযায়ী যেয়ে সেয়ে নিজ নিজ নামৰ পাছত 'বৰুৱা' লিখিবলৈ ধৰিছে। আজি কিছুদিনৰ আগলৈকে তেনে কৰিবৰ কাৰো সাধ্য-শক্তি নাছিল, নাইবা কৰিবলৈ গলেও ৰজাঘৰ-প্ৰজাঘৰত তেনে লোক বৰ নিন্দনীয় আৰু জগৰীয়াও হৈ পৰিছিল। এই বাবেই আমি নিশ্চয়কৈ কব পাৰো যে, যদি বুৰঞ্জীৰ পম খেদি যোৱা হয়, তেনেবিলাকৰ যে কোনো প্ৰকাৰৰ স্থল বা ভিত্তি নাইয়েই, বৰঞ্চ হাঁহিয়াতৰহে পাত্ৰ হৈ পৰিবগৈ। অৰ্থাৎ চেঁচোৰ পোৱা দূৰৰ কথা, নিগনি বা এন্দুৰৰ গাঁততহে হাত পৰিব নিশ্চয়।

এই বিষয়ে 'চন্দ্ৰকান্ত'ৰ মন্তব্য এটি দাঙি ধৰি আমাৰ এই প্ৰবন্ধৰ সামৰণি মাৰিম। এই 'বৰুৱা' উপাধিটোৰ সম্পৰ্কে তাত উল্লেখ হৈ আছে যে,—"আহোম ৰজা ভগাৰ পাছত 'বৰুৱা' 'ফুকন' আদি পদবীবিলাক যেয়ে সেয়ে ব্যৱহাৰ কৰাত, অনেক বেমেজালি ঘটিবলৈ ধৰিলত বঙ্গদেশৰ লাটচাহাবে (তেতিয়া আসাম বঙ্গদেশৰ লগত চামিল আছিল) এইবিলাক ৰজাঘৰীয়া উপাধি ব্যৱহাৰ কৰিবলৈ একেবাৰে মানা কৰিলে। পাছে কোনো লোকে আপত্তি কৰাত, ছাৰ জৰ্জ্জ কেম্‌বেল্ লাটচাহাবে সেই হুকুম ৰদ্ কৰিলে।"

# পাতনি।

আমাৰ দেশৰ কোনো কোনো প্ৰখ্যাত বংশৰ বিশিষ্ট লোকসকলৰ অতীত কাহিনীবোৰ অন্ধকাৰত বুৰ গৈ ক্ৰমান্বয়ে কালৰ আৰু বিস্মৃতিৰ গৰ্ভত লীন হব ধৰিছে। এইদৰে চুকে-কোণে পৰি থকা বৃত্তান্তসমূহ পুৰণি পুথি, বিশেষকৈ আহোম স্বৰ্গদেৱ আৰু সত্ৰাধিকাৰ প্ৰভুসকলৰ চৰিত্ৰ পুথিবোৰৰপৰা উদ্ধাৰ কৰি প্ৰচাৰ কৰিলে, এহাতে যেনেকৈ অতীতৰ আদৰ্শেৰে লোক-সমাজ উপকৃত হয়, আন হাতে তেনেকৈ বুৰঞ্জী আৰু সাহিত্য ক্ষেত্ৰতো বৰঙণি যোগোৱা হয়। কিন্তু আমাৰ দেশত এটা প্ৰবাদ আছে "দেৱতাৰ আঁতিগুৰি কলে বং আৰু মানুহৰ আঁতিগুৰি কলে খং"; এতেকে এই বিৱৃতিবোৰ আকৰ্ষণীয় আৰু সুশ্ৰাব্য হব লাগে। যিহেতু তেনে সুৰলা আৰু মনোমুগ্ধকৰ ৰচনা আমাৰ লেখনীৰ মুখত থকা সম্ভৱ নহয়, সেই কাৰণে, যোগ্যৱান লোকসকলেহে এনে কাম হাতত লোৱা উচিত আছিল।

এইখন অসমৰ এটা সুপ্ৰসিদ্ধ বংশৰ তেনেই চমু বিৱৰণি। এই বংশৰ লোকসকল অতিশয় ব্যাপকভাৱে সিঁচৰিত হৈ গৈছে; সেই কাৰণে উচ্চ স্তৰৰ মাত্ৰ কেইজনমান বংশধৰৰ বৃত্তান্তহে ইয়াত অন্তৰ্ভুক্ত কৰা হল। এনে বিৱৰণি যুগুত কৰা লিখকৰ এয়ে প্ৰথম প্ৰয়াস; সেই কাৰণে ই ৰম্য আৰু প্ৰেৰণাদায়ক হোৱা দূৰৰ কথা, বৰং ঘটনাসমূহৰ বৃত্তান্ত আৰু সেইবোৰ প্ৰকাশ কৰা ভাষাতো অনেক আসোঁৱাহ ওলাব।

যিহেতু মানুহৰ ভুল-ভ্ৰান্তি হোৱা স্বাভাৱিক কথা, সেই কাৰণে বুৰঞ্জীবিদ আৰু সুধী-সমাজে দোষ-ক্ৰটিসমূহ মাৰ্জ্জনা কৰি ভবিষ্যতলৈ ইয়াক সংশোধন আৰু পূৰ্ণাঙ্গ কৰাত সাহায্য প্ৰদান কৰিবলৈ অনুৰোধ জনালো।

উত্তৰ গুৱাহাটী। শ্ৰীচন্দ্ৰকুমাৰ বৰুৱা।
৫-২-৬৮।



শ্ৰীচন্দ্ৰ কুমাৰ বৰুৱা,
অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক, সংগ্ৰাহক
প্ৰধান শিক্ষক স্বৰূপে আউণীআটী কমলদেৱ হাইস্কুল
সোণাপুৰ হাইস্কুল, আঠিয়াবাৰী বিদ্যামন্দিৰ
কুৰুৱা হাইস্কুল আদিত প্ৰধান শিক্ষকতা কৰিছিল।

# প্ৰকাশকৰ নিবেদন।

ইং ১৯৩৫ চনতে কচ়াল বা কাণ্ডাৰ বৰুৱাৰ বংশাৱলীখন ছপা কৰাৰ উদ্দেশ্যে স্বৰ্গীয় পিতৃদেৱৰ হাত-বাকচত থকা এখন পেৰাকাকতৰ টোকাৰ একোটা 'লিঠোকপি' আমাৰ বংশৰ খ্যাতনামা লোকসকললৈ পঠাই সেইসকলৰপৰা বংশাৱলীত লিপিৱদ্ধ কৰিবলগীয়া বৃত্তান্ত বিচাৰা হৈছিল; দুই-এগৰাকী লোকৰ বাহিৰে আনসকলৰপৰা কোনো সহাঁৰি পোৱা নগল। তাৰে দুখন চিঠি হু-বহু তুলি দিয়া হল। এই অৱস্থাত পৰি মনৰ আশা মনতে মাৰ নিয়াবলগীয়া হৈছিল! বুৰঞ্জীমূলক অনেক ঘটনাৰে ভৰপুৰ এই কচ়াল বৰুৱাৰ বংশাৱলীখন ছপা কৰি উলিয়াব পাৰিলে বহুত নজনা নুশুনা কথা উদঘাটন হব বুলি ভাব এটা মনতে উমনি দি থোৱা হল; কিয়নো তাক প্ৰকাশ কৰিবলৈ হলে কোনো বুৰঞ্জীবিদৰ ওচৰ চাপিব লাগিব; কিন্তু এই কাৰ্য্যত আগ্ৰহশীল লোকৰ অভাৱ যেন বোধ হল। মনত এনে খেলি-মেলি লাগি থাকোতে উত্তৰ গুৱাহাটী আউনীআটী কমলদেৱ হাইস্কুলৰ ভূতপূৰ্ব্ব প্ৰধান শিক্ষক শ্ৰীচন্দ্ৰকুমাৰ বৰুৱাদেৱক বেজদলৈ ভণ্ডাৰী বৰুৱাৰ বংশাৱলীখনৰ বুৰঞ্জীমূলক ঘটনাসমূহ সন্নিবিষ্ট কৰা দেখা পালো। তাৰ পিচত অসমৰ বৈষ্ণৱধৰ্ম্ম আৰু আউনীআটী সত্ৰৰ বুৰঞ্জী এখন সম্পাদনৰ অৰ্থে হাতত লোৱা গম পালো। সোধো-নোসোধোকৈ এদিন হঠাতে তেখেতক সুধি পেলালো অনুগ্ৰহ কৰি এই বংশাৱলীখনো প্ৰণয়ন কৰা গধূৰ দায়িত্ব হাতত লবনে?" তেখেতে ইতস্ততঃ কৰিছিল যদিও শেষত মোৰ ঐকান্তিক অনুৰোধ উপেক্ষা কৰিব নোৱাৰি সন্মত হল আৰু অশেষ পৰিশ্ৰম কৰি এই বংশাৱলীখন হাতে লিখি সম্পূৰ্ণকৈ দিলে। তেখেতে এই ফেৰা কষ্ট স্বীকাৰ নকৰা হলে হয়তো কোনো দিনেই এই বংশাৱলীখন ছপা হৈ নুঠিলহেঁতেন। সেইবাবে তেখেতক মোৰ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলো।

চিঠিপত্ৰ বিনিময়েৰে আৰু অন্যান্য প্ৰকাৰে যিখিনি বৃত্তান্ত সংগ্ৰহ কৰিব পৰা হল সিমানলৈহে ইয়াত সন্নিৱিষ্ট কৰা হৈছে; এতেকে আন কোনো ভুল-ভ্ৰান্তি সংশোধন আৰু লগতে আৱশ্যকীয় পৰিবৰ্দ্ধন কৰি ইয়াক পুনঃ ছপাই উলিৱাত কোনো বাধা নাথাকিল; তাকে কৰিলে প্ৰকাশক বৰং পৰম কৃতাৰ্থহে হব। ইতি—

প্ৰকাশক

# বৰভগীয়া (নগাওঁ) মৌজাদাৰৰ পৰা পোৱা পত্ৰৰ নকল—

১৭-৯-৩৫
Barbhagia
P. O. Kuoritol,
Nowgong (Assam)

প্ৰিয় বৰুৱা,

আপোনাৰ বংশাৱলীৰ "লিঠো কপি" সময়মতে পাই ও এবাৰ পঢ়ি চাই মনত বৰ আনন্দ পালো। সঁচাকৈয়ে আপোনাৰ আগ্ৰহ ও উৎসাহ দেখি আমি সকলোৱে ধন্যবাদ নিদি নোৱাৰিলো; উমাই উমাই জ্বলি থকা জুইকুৰাত আপুনি কেইডালমান খেৰ-কূটা চপাই দি যে আকৌ উজ্জ্বল কৰি তুলিব তাত কোনো সন্দেহ নাই।

যাহক, মোৰ হাতত স্বৰ্গীয় দেউতাই লিখি থৈ যোৱা যিখন বংশাৱলী আছিল সেই ডোখৰকে আপোনাৰ ওচৰলৈ পঠালো। কিজানিবা আপোনাৰ কামত কিছু সহায় হব পাৰে। ইয়াৰ বাহিৰে যদি কোনো কথা জানিবলগা থাকে তেন্তে মোলৈ লিখিলে যিখিনি জানো তাক জনাবলৈ বাধ্য থাকিলো।

বৰ্ত্তমান আমাৰ সকলোটিৰে মঙ্গল।

ইতি— ১৭-৯-৩৫

স্বাঃ শ্ৰীযোগেন্দ্ৰনাথ বৰুৱা,
মৌজাদাৰ, বৰভগীয়া।

## শ্ৰীযুত কেশৱ কান্ত বৰুৱাৰ
## ১১।১।৬৩ তাৰিখৰ চিঠিৰ হুবহু নকল।

My dear Sjt Borooah,

আপুনি পথোৱা কড়াল বৰুৱাৰ বংশাৱলীখন মই Nowgong অৰ Sjt Bhumi Kanta Borooah আৰ ঘৰত দেখিলো। বস্তুটো বেচ্ ভাল হৈছে। মইও সেই বংশৰে মানুহ। যদি আপোনাৰ হাতত Correction অৰ Copy বিলাক আছে—তেনেহলে মোলৈ দি পঠাব। মই এমাহৰ ভিতৰতে বংশাৱলীখন Print কৰি আপোনালৈ কেই Copy মান পঠাই দিম।

বিঃ নাই।

ইতি—

শ্ৰীকেশৱ বৰুৱা

Address—

K. K. Borooah Esq. B. Com,
Manager, Negheriting Tea Estate,
Dergaon P. O.
JORHAT, Assam,